GEC S6-04(M)
Exam Code: ECM6D

অৰ্থনৈতিক ভাৱধাৰাৰ ইতিহাস

ষষ্ঠ ষাণ্মাসিক

অৰ্থ বিজ্ঞান

খণ্ড ঃ ১



কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

বিষয় বিশেষজ্ঞ মণ্ডলী

অধ্যাপক মাধুর্য প্রসাদ বেজবৰুৱা, অর্থনীতি বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়
অধ্যাপক নিচাৰ আহমেদ বৰুৱা, অর্থনীতি বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়
ড° গৌতম মজুমদাৰ, অর্থনীতি বিভাগ,কটন বিশ্ববিদ্যালয়

সমন্বয়ৰক্ষীঃ উৎপল ডেকা, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

প্রস্তুতি গোটৰ সদস্য

অধ্যায় অৱিহণা যোগাইছে	ভাষান্তৰকাৰী
১ মৌচুমী গগৈ,পূৰ কার্বি আংলং মহাবিদ্যালয়	মৌচুমী গগৈ,পূৰ কার্বি আংলং মহাবিদ্যালয়
২ সূদর্শন নার্জাৰী, গুৱাহাটী মহাবিদ্যালয়, গুৱাহাটী ৰাজু শইকীয়া, গুৱাহাটী মহাবিদ্যালয়, গুৱাহাটী	পূলক মিলি, ললিত চন্দ্র ভৰালী মহাবিদ্যালয়, গুৱাহাটী ড° জুৰলি গোস্বামী, ললিত চন্দ্র ভৰালী মহাবিদ্যালয়, গুৱাহাটী
৩ ড°পৰাগজ্যোতি মহন্ত, মৰিগাওঁ মহাবিদ্যালয়, মৰিগাওঁ	দেবাহুতি বৰা, গৱেষণা শিক্ষার্থী, মহাপুৰুষ শ্রীমন্ত শংকৰদেৱ বিশ্ববিদ্যালয়, নগাঁও
৪ ড°পৰাগজ্যোতি মহন্ত, মৰিগাওঁ মহাবিদ্যালয়, মৰিগাওঁ	গীতাঞ্জলি মেধী, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়
৫ সূদর্শন নার্জাৰী, গুৱাহাটী মহাবিদ্যালয়, গুৱাহাটী কৰবী শর্মা, গুৱাহাটী মহাবিদ্যালয়, গুৱাহাটী	বিজিত কোঁৱৰ, পূৰ কার্বি আংলং মহাবিদ্যালয়
৬ সূদর্শন নার্জাৰী, গুৱাহাটী মহাবিদ্যালয়, গুৱাহাটী কৰবী শর্মা, গুৱাহাটী মহাবিদ্যালয়, গুৱাহাটী	মৌচুমী গগৈ,পূৰ কার্বি আংলং মহাবিদ্যালয়
৭ সূদর্শন নার্জাৰী, গুৱাহাটী মহাবিদ্যালয়, গুৱাহাটী ৰাজু শইকীয়া, গুৱাহাটী মহাবিদ্যালয়, গুৱাহাটী	ড° টুটুমনি ভূঞা, চিনামাৰা মহাবিদ্যালয়, যোৰহাট
৮ ঋত্বিক ৰূপম শর্মা, গুৱাহাটী বিশ্ববিদ্যালয় উৎপল ডেকা, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়	মৌচুমী গগৈ,পূৰ কার্বি আংলং মহাবিদ্যালয় ঋত্বিক ৰূপম শর্মা, গুৱাহাটী বিশ্ববিদ্যালয় গীতাঞ্জলি মেধী, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

সম্পাদনা ঃ

বিষয়বস্তু সম্পাদনা	ঃ	ড° গৌতম মজুমদাৰ, অর্থনীতি বিভাগ, কটন বিশ্ববিদ্যালয়
		ড° চন্দ্রমা গোস্বামী, অর্থনীতি বিভাগ,মঙলদৈ মহাবিদ্যালয়, মঙলদৈ
ভাষা সম্পাদনাঃ (মূল ইংৰাজী)	ঃ	ড° মানৰ মেধি, ইংৰাজী বিভাগ,বড়োলেণ্ড বিশ্ববিদ্যালয়
		ড° চন্দ্রমা গোস্বামী, অর্থনীতি বিভাগ,মঙলদৈ মহাবিদ্যালয়, মঙলদৈ
(অসমীয়া)	ঃ	ড° মৃণ্ময়ী ভট্টাচার্য্য, অর্থনীতি বিভাগ,পশ্চিম গুৱাহাটী মহাবিদ্যালয়, ধাৰাপুৰ
		ড° গায়ত্রী মেধি (অৱসৰ প্রাপ্ত), অর্থনীতি বিভাগ, বি. এইছ. বি. মহাবিদ্যালয়, সৰুপেটা
গাঁথনিক সম্পাদনা	ঃ	উৎপল ডেকা, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

ডিচেম্বৰ, ২০১৯

ISBN: 978-93-89955-47-7

This Self Learning Material (SLM) of the Krishna Kanta Handiqui State Open University is made available under a Creative Commons Attribution-NonCommercial-ShareAlike4.0 License (international): http://creativecommons.org/licenses/by-nc-sa/4.0/

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ হৈ পঞ্জীয়কৰ দ্বাৰা মুদ্রিত আৰু প্রকাশিত।

মুখ্য কার্যালয় ঃ পাটগাঁও, ৰাণী গেট, গুৱাহাটী - ৭৮১০১৭,
উপ-মুখ্য কার্যালয় ঃ হাউচফেড কমপ্লেক্স, দিছপুৰ, গুৱাহাটী - ৭৮১০০৬
Web : www.kkhsou.in

এই শিক্ষণ সামগ্রী প্রস্তুতিৰ বাবে আর্থিক অনুদান আগবঢ়োৱা
দূৰ শিক্ষা ব্যুৰো,বিশ্ববিদ্যালয় অনুদান আয়োগৰ ওচৰত বিশ্ববিদ্যালয় কৃতজ্ঞ।

বিষয়সূচী

পৃষ্ঠা নম্বৰ

অধ্যায় ১ ঃ অর্থনৈতিক ভাৱধাৰাৰ ইতিহাসৰ পাতনি ৫-১৫

অর্থনৈতিক ভাৱধাৰাৰ ইতিহাসৰ অর্থ আৰু প্ৰকৃতি; অর্থনৈতিক ভাৱধাৰাৰ ইতিহাসৰ পৰিসৰ; অর্থনৈতিক ভাৱধাৰাৰ ইতিহাসৰ উৎপত্তি আৰু বিকাশ; অর্থনৈতিক ভাৱধাৰাৰ ইতিহাসৰ প্ৰয়োজনীয়তা আৰু গুৰুত্ব

অধ্যায় ২ ঃ প্ৰাচীন ভাৰতীয় অর্থনৈতিক ভাৱধাৰা ১৬-২৩

কৌটিল্য; কৌটিল্যৰ অর্থশাস্ত্ৰৰ অর্থনৈতিক ধাৰণাসমূহ

অধ্যায় ৩ ঃ নব্যভাৰতীয় অর্থনৈতিক ভাৱধাৰা ২৪-৩৩

দাদাভাই নৌৰজী ঃ জীৱন পৰিচয়, সম্পদ নির্গত তত্ত্ব; সমালোচনা; দীর্ঘকালীন প্ৰাসংগিকতা

মহাদেৱ গোবিন্দ ৰাণাডে ঃ জীৱন পৰিচয়; দৰিদ্ৰতা আৰু ঔদ্যোগীকৰণ; কৃষি নীতি; ৰেলখণ্ডত বিনিয়োগ; অর্থবিজ্ঞান বিশ্লেষণ পদ্ধতি

অধ্যায় ৪ ঃ গান্ধীবাদী অর্থনীতি ৩৪-৪৩

উপভোগৰ আচৰণ; গ্ৰাম্য অর্থনীতি; স্বদেশী; প্ৰযুক্তি; ঔদ্যোগিকীকৰণ আৰু উৎপাদনৰ মাত্ৰা; ন্যাসৰক্ষীবাদ; সর্ৱোদয়; অহিংসা; বিকেন্দ্ৰীকৰণ

অধ্যায় ৫ ঃ সদাগৰী ব্যৱস্থা ৪৪-৫২

সদাগৰী ব্যৱস্থাৰ অৱলোকন; সদাগৰী ব্যৱস্থাৰ উত্থানৰ কাৰণসমূহ; সদাগৰী ব্যৱস্থাৰ মূল নীতিসমূহ; সদাগৰী ব্যৱস্থাৰ পতন

অধ্যায় ৬ ঃ প্ৰকৃতিবাদ ৫৩-৬৪

প্ৰকৃতিবাদৰ অৱলোকন; প্ৰকৃতিবাদৰ মূল নীতি বা ধাৰণাসমূহ ঃ প্ৰাকৃতিক পদ্ধতি, নিগুটি উৎপন্ন দ্ৰব্য, সম্পদৰ চলাচল, কৰ নীতি, বাণিজ্য, মূল্য, মজুৰি, মুদ্ৰা আৰু সুত

অধ্যায় ৭ঃ সংস্থাপিত ভাৱধাৰা - আদাম স্মিথ ৬৫-৭৭

সংস্থাপিত ভাৱধাৰাৰ বৈশিষ্ট্য; আদাম স্মিথ; অর্থনীতিলৈ আদাম স্মিথৰ বৰঙণিঃ প্ৰকৃতিবাদ আৰু আশাবাদ, ৰাষ্ট্ৰসমূহৰ সম্পদ, অবাধ নীতিৰ মতবাদ, কৰৰ নীতি, মূল্য তত্ত্ব, বিতৰণ তত্ত্ব, বাণিজ্য তত্ত্ব, অর্থনৈতিক বৃদ্ধি আৰু অর্থনৈতিক উন্নয়ন; আদাম স্মিথৰ ৰাজনৈতিক দর্শনৰ ওপৰত মত

অধ্যায় ৮ ঃ জনসংখ্যাৰ সংস্থাপিত ভাৱধাৰা- মালথাছ ৭৮-৮৯

মালথাছৰ জনসংখ্যা তত্ত্ব; অত্যাধিক উৎপাদন তত্ত্ব; জনসংখ্যাৰ নব্য-মালথাছিয়ান দৃষ্টিকোণ

পাঠ্যবিষয়ৰ পৰিচয়

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ স্নাতক পাঠ্যক্ৰমৰ অধীনত শিক্ষাৰ্থীয়ে অৰ্থবিজ্ঞান বিষয়টো সাধাৰণ অথবা গুৰু বিষয় হিচাপে লৈ অধ্যয়ন কৰিব পাৰে। পাঠ্যক্ৰমৰ অন্তৰ্গত এই পাঠ্যবিষয়টিৰ শিৰোনাম হ'ল *অৰ্থনৈতিক ভাৱধাৰৰ ইতিহাস*। গুৰু শাখাৰ ই এখন কাকত। পাঠ্যবিষয়টিৰ মুঠ পোন্ধৰটা অধ্যায়ক দুটা খণ্ডত ভগোৱা হৈছে। প্ৰথম খণ্ডত আঠটা আৰু দ্বিতীয় খণ্ডত সাতটা অধ্যায় আছে।

খণ্ড পৰিচয়

পাঠ্যবিষয়ৰ এইটো হ'ল প্ৰথম খণ্ড আৰু ইয়াত আঠটা অধ্যায় সন্নিৱিষ্ট কৰা হৈছে। প্ৰথম অধ্যায়টিত অৰ্থনৈতিক ভাৱধাৰাৰ ইতিহাসৰ অৰ্থ আৰু প্ৰকৃতিৰ বিষয়ে আলোচনা কৰা হৈছে। এই অধ্যায়টেয়ে আপোনাক অৰ্থনৈতিক ভাৱধাৰাৰ ইতিহাসৰ পৰিসৰ, উৎপত্তি আৰু বিকাশৰ বিষয়ে অৱগত কৰিব। ইয়াৰ উপৰিও অধ্যায়টিত অৰ্থনৈতিক ভাৱধাৰাৰ ইতিহাসৰ প্ৰয়োজনীয়তা আৰু গুৰুত্বত আলোকপাত কৰা হৈছে। দ্বিতীয় অধ্যায়টিত কৌটিল্যৰ অৰ্থশাস্ত্ৰৰ অৰ্থনৈতিক ধাৰণাসমূহৰ বিষয়ে অৱতাৰণা কৰা হৈছে। এই অধ্যায়টি অধ্যায়ণৰ অন্তত কৌটিল্যৰ অৰ্থশাস্ত্ৰৰ বৈশিষ্ট্য , প্ৰাচীন ভাৰতত প্ৰচলত ৰাজনৈতিক আৰু অৰ্থনৈতিক চিন্তাধাৰা তথা কৌটিল্যৰ অৰ্থনীতি সম্বন্ধীয় দৃষ্টিভংগীসমূহৰ বিষয়ে জানিব পাৰিব। তৃতীয় অধ্যায়ৰ জৰিয়তে ভাৰতবৰ্ষৰ দুগৰাকী মহান জাতীয়তাবাদী নেতা-দাদাভাই নৌৰজী আৰু মহাদেৱ গোবিন্দ ৰাণাডেৰ ভাৰতীয় অৰ্থনৈতিক ভাৱধাৰাৰ ইতিহাসলৈ অৱদান সম্পৰ্কে পৰিচিত হ'ব। এই অধ্যায়টিত নৌৰজীয়ে সম্পদ নিৰ্গত তত্ত্ব আৰু ৰাণাডেৰ দৰিদ্ৰতা, ঔদ্যোগীকৰণ, ৰে'লখণ্ডত বিনিয়োগ আৰু অৰ্থনৈতিক বিশ্লেষণ পদ্ধতি সম্পৰ্কে আগবঢ়োৱা ধাৰণাসমূহ বুজিব পাৰিব। চতুৰ্থ অধ্যায়ত গান্ধীৰ অৰ্থনৈতিক ধাৰণা, যেনে- উপভোক্তাবাদ, গ্ৰাম্য অৰ্থনীতি, স্বদেশী, প্ৰযুক্তি, ঔদ্যোগীকৰণ, ন্যাসৰক্ষীবাদৰ নীতি, সৰ্বোদয়, অহিংসা আৰু বিকেন্দ্ৰীকৰণ সম্বন্ধে আলোচনা কৰা হৈছে। পঞ্চম অধ্যায়টিয়ে সদাগৰী ব্যৱস্থাৰ পৃষ্ঠপোষকসকলে আগবঢ়োৱা বিভিন্ন ধাৰণাসমূহ সম্পৰ্কে আপোনাক আভাস দিব। অধ্যায়টিত সদাগৰী ব্যৱস্থাৰ উত্থান আৰু পতন সম্বন্ধে আলোচনা আগবঢ়োৱা হৈছে। ষষ্ঠ অধ্যায়টিয়ে প্ৰকৃতিবাদৰ মূল ধাৰণাসমূহ, যেনে- প্ৰাকৃতিক নিয়ম, নিগুট উৎপন্ন দ্ৰব্য, সম্পদৰ চলাচল, কৰ নীতি আৰু বাণিজ্য আদি ধাৰণাসমূহ আয়ত্ব কৰাত আপোনাক সহায় কৰিব। সপ্তম অধ্যায়টিত সংস্থাপিত ভাৱধাৰাৰ বৈশিষ্ট্য আৰু আদাম স্মিথৰ অৰ্থনীতিলৈ বৰঙণি সম্পৰ্কে জানিব পাৰিব। অষ্টম অধ্যায়টিৰ জৰিয়তে মালথাছৰ জনসংখ্যা তত্ত্বটো আৰু অত্যাধিক উৎপাদন তত্ত্বটো বহলাই ব্যাখ্যা কৰা হৈছে।

এই পাঠ্যবিষয়টি অধ্যয়ন কৰোঁতে মূল পাঠৰ লগে লগে সোঁ তথা বাওঁফালে কিছুমান আয়তাকাৰ বাকচ লক্ষ্য কৰিব পাৰে। এইবোৰে আপোনাক মূল পাঠত উল্লেখ কৰা দৰকাৰী ধাৰণাসমূহ সৰল অৰ্থত বুজি পোৱাত সহায় কৰিব। 'জনা উচিত' বাকচবোৰৰ যোগে আপুনি মূল পাঠৰ সৈতে জড়িত কিছু গুৰুত্বপূৰ্ণ তথ্যৰ বিষয়ে জ্ঞান লাভ কৰিব। 'অনুশীলনী' সমূহে আপোনাৰ অধ্যয়ন অধিক সক্ৰিয় আৰু ফলপ্ৰসূ হোৱাত সহায় কৰিব। আকৌ, প্ৰতিটো শাখাৰ অধ্যয়নৰ অন্তত 'অগ্ৰগতি নিৰীক্ষণ' যোগে আগবঢ়োৱা প্ৰশ্নাৱলীয়ে অধ্যয়নৰ অগ্ৰগতি সম্পৰ্কে আপোনাক স্ব-পৰীক্ষণৰ সুবিধা প্ৰদান কৰিব। অধ্যয়নৰ লগে লগে উক্ত প্ৰশ্নাৱলীৰ উত্তৰসমূহ লিখি অধ্যায়টিৰ শেষত দিয়া 'অগ্ৰগতিৰ খতিয়ান' ৰ উত্তৰসমূহৰ সৈতে ৰিজাই চোৱাটো অধিক লাভদায়ক হ'ব।

অধ্যায় ১ঃ অর্থনৈতিক ভাৱধাৰাৰ ইতিহাসৰ পাতনি

অধ্যায় গাঁথনি

১.১ উদ্দেশ্য
১.২ পৰিচয়
১.৩ অর্থনৈতিক ভাৱধাৰাৰ ইতিহাসৰ অর্থ আৰু প্রকৃতি
১.৪ অর্থনৈতিক ভাৱধাৰাৰ ইতিহাসৰ পৰিসৰ
১.৫ অর্থনৈতিক ভাৱধাৰাৰ ইতিহাসৰ উৎপত্তি আৰু বিকাশ
১.৬ অর্থনৈতিক ভাৱধাৰাৰ ইতিহাসৰ প্রয়োজনীয়তা আৰু গুৰুত্ব
১.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১.৮ অধিক জানিবলৈ
১.৯ অগ্রগতিৰ খতিয়ান
১.১০ আৰ্হি প্রশ্ন

১.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি-

- অর্থনৈতিক ভাৱধাৰাৰ ইতিহাসৰ অর্থ আৰু প্রকৃতি বুজিব পাৰিব
- অর্থনৈতিক ভাৱধাৰাৰ ইতিহাসৰ পৰিসৰ বর্ণনা কৰিব পাৰিব
- অর্থনৈতিক ভাৱধাৰাৰ ইতিহাসৰ উৎস আৰু বিকাশ ব্যাখ্যা কৰিব পাৰিব
- অর্থনৈতিক ভাৱধাৰাৰ ইতিহাসৰ অধ্যয়নৰ গুৰুত্ব ব্যাখ্যা কৰিব পাৰিব।

১.২ পৰিচয়

আপোনালোক সকলোৱে জ্ঞাত যে ইতিহাস অতীতৰ অধ্যয়ন - বিশেষকৈ অতীতৰ জনসাধাৰণ, সমাজ, পৰিবেশ, ঘটনাৱলী আৰু সমস্যাৰ বিষয়ে। সেই একেধৰণে, অর্থনৈতিক ভাৱধাৰাৰ ইতিহাসেও আমাৰ পূর্বপুৰুষসকলে গঠন কৰা অর্থনৈতিক ধাৰণাৰ অধ্যয়ন। প্রকৃততে, অর্থনৈতিক ভাৱধাৰাৰ ইতিহাস - এই শিৰোনামাটোৱে এইটোকে সূচায় যে এই বিষয়টো আর্থিক বিষয়ৰ চিন্তাচর্চাৰ আৰম্ভণি আৰু এইবিলাকৰ বিকাশ সমন্ধীয় অধ্যয়নৰ লগত জড়িত। ই অতীতৰপৰা বর্ত্তমানলৈকে উদ্ভৱ হোৱা বিভিন্ন অর্থনৈতিক তত্ব আৰু বিভিন্ন চিন্তাবিদে আগবঢ়োৱা মতসমূহৰ বিষয়ে আলোচনা কৰে। অর্থনৈতিক ভাৱধাৰাৰ ইতিহাসক বিভিন্ন সময়ত আৰু বিভিন্ন পৰিৱেশত গঢ়ি উঠা অর্থনৈতিক তত্ব, মতাদর্শ আৰু বিধিসমূহৰ এক সংকলন বুলি ক'ব পাৰি। ই বিভিন্ন অর্থনীতিবিদে দিয়া ব্যক্তিগত মতসমূহ অন্তর্ভূক্ত কৰাৰ উপৰিও বিভিন্ন ''স্কুল'' অর্থাৎ একে মতাৱলম্বী অর্থনীতিবিদসকলে আগবঢ়োৱা বৰঙণিসমূহো অন্তভূর্ক্ত কৰে। এইখিনিতে উল্লেখনীয় যে অর্থনৈতিক বিশ্লেষণৰ ক্ষেত্রত ''স্কুল'' বুলিলে কিছুমান বিশেষ ধাৰণাৰ চিন্তাবিদ

বা অনুগামীৰ গোটক বুজোৱা হয়। এই অধ্যায়টিত আপোনালোকক অর্থনৈতিক ভাৱধাৰাৰ ইতিহাসৰ অধ্যয়নৰ অর্থ, প্রকৃতি, পৰিসৰ আৰু গুৰুত্বৰ বিষয়ে অৱগত কৰোৱা হ'ব।

১.৩ অর্থনৈতিক ভাৱধাৰাৰ ইতিহাসৰ অর্থ আৰু প্রকৃতি

বিভিন্ন সময়ত গঢ় লৈ উঠা মহান অর্থনীতিবিদসকলৰ সমগ্র আর্থিক ধাৰণাসমূহে অর্থনৈতিক ভাৱধাৰাৰ ইতিহাসৰ বিষয়বস্তু গঠন কৰিছে। এই ইতিহাসয়ে উৎপাদন, বিতৰণ, মূল্য, আর্থিক বৃদ্ধি আৰু সমাজখনৰ অর্থনৈতিক জীৱনৰ বিভিন্ন বিষয়ত গঢ়ি উঠা বিভিন্ন মতসমূহ বর্ণনা কৰে। ই অর্থনৈতিক ধাৰণাৰ বিকাশ আৰু এই ধাৰণাবিলাকে আর্থিক অনুষ্ঠান তথা মানৰ জীৱনত পেলোৱা প্রভাৱৰ ওপৰত এক বিস্তৃত বিৱৰণ। ধাৰণা বা চিন্তাৰ আৰম্ভণি, বিকাশ আৰু বিভিন্ন ধাৰণাৰ মাজৰ পাৰস্পৰিক সম্পর্কৰ সমালোচনামূলক বিশ্লেষণ আমি অর্থনৈতিক ভাৱধাৰাৰ ইতিহাসত পাওঁ।

মানুহে তেওঁলোকৰ দৈনন্দিন অস্তিত্বৰ বাবে আর্থিক সমস্যাসমূহৰ বিষয়ে চিন্তা-চর্চা কৰিছিল। এইফালৰ পৰা অর্থনৈতিক ভাৱধাৰাৰ ইতিহাসক মানৱৰ ইতিহাসৰ সমান প্রাচীন বুলি গণ্য কৰিব পাৰি। এইখিনিতে উল্লেখনীয় যে সামাজিক পৰিৱেশ আৰু মানুহৰ চিন্তাধাৰা পৰস্পৰে পৰস্পৰৰ লগত সম্পর্কিত। দুয়োটাই দুয়োটাৰ ওপৰত প্রভাৱ পেলায় আৰু সেয়ে এটা বিশেষ সময়ৰ মানুহৰ আর্থিক ধাৰণাবোৰ সেই সময়ৰ সামাজিক পৰিৱেশৰ দ্বাৰা গঢ় লৈ উঠে। ধাৰণাবোৰ গঢ় লৈ উঠা স্থান আৰু সময়েও ধাৰণাবোৰক প্রভাৱিত কৰে।

আর্থিক সমস্যা বিশ্লেষণ কৰাৰ উপৰিও অর্থনৈতিক ভাৱধাৰাৰ ইতিহাসয়ে অনুষ্ঠানবিলাকৰ পৰিকল্পনা, কার্য্যসূচী আৰু চিন্তা তথা ভৱিষ্যত বিকাশৰ বিষয়েও অন্তর্ভূক্ত কৰে। ই হৈছে এক প্রণালীৱদ্ধ, সময়ৰ ক্রম অনুসৰি ভাগ কৰা অর্থনৈতিক ধাৰণা, চিন্তা-চর্চা আৰু এইবিলাকৰ উৎসৰ বিষয়ে কৰা সমালোচনামূলক অধ্যয়ন। প্রফেচাৰ হে'নী (Haney) এ অর্থনৈতিক ভাৱধাৰাৰ ইতিহাসৰ সংজ্ঞা এনেদৰে দিছে, "অর্থনৈতিক ভাৱধাৰাৰ ইতিহাস বিষয়টো সংজ্ঞায়িত হ'ব পাৰে অর্থনৈতিক ধাৰণাৰ ক্রমবিকাশৰ সমালোচনা মূলক এটি বিবৰণ হিচাপে য়িযে বিষয়টোৰ উৎপত্তি, আন্তঃসম্পর্ক আৰু অভিব্যক্তি সম্পর্কে অন্বেষণ কৰে"।

- **অর্থনৈতিক ভাৱধাৰাৰ ইতিহাস আৰু অর্থনৈতিক ইতিহাসঃ** বিষয়বস্তুৰ দিশৰপৰা অর্থনৈতিক ভাৱধাৰাৰ ইতিহাস আৰু অর্থনৈতিক ইতিহাসৰ মাজত পার্থক্য আছে। অর্থনৈতিক ভাৱধাৰাৰ ইতিহাস অর্থনৈতিক ধাৰণাৰ আত্মনিষ্ঠ বর্ণনা, আনহাতে অর্থনৈতিক ইতিহাস হৈছে আর্থিক ব্যৱস্থাটোৰ বিভিন্ন বিভাগৰ এক বস্তুনিষ্ঠ অধ্যয়ন। অর্থনৈতিক ভাৱধাৰাৰ ইতিহাস তাত্ত্বিক আৰু ই অর্থনৈতিক ধাৰণাৰ বিকাশৰ সৈতে জড়িত। আনহাতে অর্থনৈতিক ইতিহাস তথ্য বা প্রকৃত ঘটনাৰ সৈতে জড়িত। কোনো এখন দেশৰ মানুহৰ বা সম্প্রদায়ৰ ইতিপূর্বে ঘটি যোৱা আর্থিক জীৱনটোৰ সৈতে অর্থনৈতিক ইতিহাস সম্পর্কিত। ই এখন সমাজৰ কৃষি, উদ্যোগ, উৎপাদন, ব্যৱসায়-বাণিজ্য আৰু অন্যান্য আর্থিক ঘটনাৱলী অধ্যয়ন কৰে। অর্থনৈতিক ইতিহাস আৰু অর্থনৈতিক ভাৱধাৰাৰ ইতিহাস দুটা পৃথক বিভাগ হলেও

এই বিভাগ দুটাৰ মাজত অতি ওচৰ সম্বন্ধ আছে, কিয়নো অর্থনৈতিক ধাৰণাক সমাজৰ পৰিৱেশে প্ৰভাৱিত কৰে। বাস্তৱিকতে, অর্থনৈতিক ধাৰণা আৰু সামাজিক পৰিৱেশ - এই দুয়োটাৰে দুয়োটাৰ ওপৰত ক্ৰিয়া-প্ৰতিক্ৰিয়া কৰাৰ প্ৰৱণতা থাকে। সেয়ে অর্থনীতিৰ এই দুয়োটা শাখাৰ মাজত নামমাত্ৰ পৰস্পৰ বিৰোধিতা থাকে।

- **অর্থনৈতিক ভাৱধাৰাৰ ইতিহাস আৰু অর্থবিজ্ঞানৰ ইতিহাস ঃ** অর্থবিজ্ঞানৰ ইতিহাস অর্থাৎ আর্থিক বিশ্লেষণৰ ইতিহাস অর্থনীতি বিজ্ঞানৰ বিকাশৰ সৈতে জড়িত। ১৭৭৬ চনত আদাম স্মিথৰ "ৰাষ্ট্ৰসমূহৰ সম্পদ" প্ৰকাশ পোৱাৰ পাছতহে এই শাখাটোৰ উত্থান হৈছিল। এইদৰে অর্থবিজ্ঞানৰ ইতিহাস সাম্প্ৰতিক; আনহাতে অর্থনৈতিক ভাৱধাৰাৰ ইতিহাস মানৰ ইতিহাসৰ দৰে প্ৰাচীন। অর্থনীতিৰ ইতিহাস হৈছে বিজ্ঞান হিচাপে অর্থনীতিৰ উন্নতিৰ এক শৃংখলিত খতিয়ান। ইয়াত নির্দিষ্ট নীতি-নিয়ম অনুসৰণ কৰা হয়। ই কাৰণ সম্বন্ধবিলাক অধ্যয়ন কৰে। অর্থবিজ্ঞানৰ ইতিহাসৰ প্ৰকৃতি বিশ্লেষণাত্মক আৰু বস্তুনিষ্ঠ। ই অগ্ৰগামীও। কিন্তু অর্থনৈতিক ভাৱধাৰাৰ ইতিহাস আত্মনিষ্ঠ আৰু বর্ণনাত্মক।



অগ্ৰগতি নিৰীক্ষণ

১ নং প্ৰশ্ন ঃ অর্থনৈতিক ভাৱধাৰাৰ ইতিহাস বুলিলে কি বুজা যায়? (২০টা শব্দৰ ভিতৰত লিখক)

.....

.....

২ নং প্ৰশ্ন ঃ অর্থনৈতিক ভাৱধাৰাৰ ইতিহাস আৰু অর্থনৈতিক ইতিহাসৰ মাজত পার্থক্য বিচাৰ কৰক (৪০ টা শব্দৰ ভিতৰত লিখক)

.....

.....

.....

.....

১.৪ অর্থনৈতিক ভাৱধাৰাৰ ইতিহাসৰ পৰিসৰ

অর্থনৈতিক ভাৱধাৰাৰ ইতিহাসৰ পৰিসৰ অতি বিস্তৃত। ই মানুহৰ আর্থিক জীৱনৰ সৈতে জড়িত সকলো ধাৰাণাক অন্তর্ভূক্ত কৰে। অতি প্ৰাচীনকালৰ পৰা বর্তমান সময়লৈকে বিভিন্ন লিখকৰ আর্থিক চিন্তা-চর্চাসমূহ ইয়াৰ পৰিধিৰ ভিতৰত পৰে। অর্থনৈতিক ধাৰণাসমূহ এক বিশেষ সময়ত এটা বিশেষ সম্প্ৰদায়ৰ মাজত বর্তি থকা পৰম্পৰা, সামাজিক অনুষ্ঠান আৰু অভ্যাসবোৰৰ দ্বাৰা নিৰূপিত হয়। উৎপাদন, বিতৰণ, মূল্য, ব্যৱসায়-বাণিজ্য, বৃদ্ধি আৰু বিকাশ ইত্যাদিৰ সৈতে জড়িত ধাৰণাসমূহ অর্থনৈতিক ভাৱধাৰাৰ ইতিহাসত বর্ণনা কৰা হয়। এটা বিশেষ সময়ৰ আর্থিক অৱস্থা অর্থনৈতিক ধাৰণাত অতি সুন্দৰকৈ প্ৰতিফলিত হয়। অর্থনৈতিক মতবাদক স্পষ্টকৈ

অনুধাৱন কৰিবলৈ আমি সমাজৰ অর্থনৈতিক ইতিহাস আৰু পৰিবর্ত্তিত গঠন উল্লেখ কৰিব লাগে। অর্থনীতিবিদসকলে তেওঁলোকৰ অর্থনৈতিক বিধি আৰু মতবাদসমূহত সমাজৰ সমসাময়িক আর্থিক অৱস্থাক প্রতিফলিত কৰে। তদুপৰি, এইটো দেখা যায় যে আধুনিক অর্থনৈতিক ধাৰণাসমূহ পূর্বৰ ধাৰণাসমূহৰ সংশোধিত আৰু পৰিবর্দ্ধিত ৰূপ।

অর্থনৈতিক ভাৱধাৰাৰ ইতিহাসয়ে অর্থনৈতিক ইতিহাসৰ বিভিন্ন সময়কাল যেনে গ্রীক যুগ, মধ্যযুগ, ৰোমান যুগ আৰু আধুনিক যুগ অন্তর্ভুক্ত কৰে। এই যুগকেইটাক পুনৰ কেইবাটাও ক্ষুদ্র ক্ষুদ্র যুগত ভাগ কৰি অধ্যয়ন কৰা হৈছে, যেনে - পৌৰাণিক অর্থনৈতিক ভাৱধাৰা, সংস্থাপিত অর্থনৈতিক ভাৱধাৰা, নব্য- সংস্থাপিত অর্থনৈতিক ভাৱধাৰা, অষ্ট্রিয়ান ভাৱধাৰা, কেইন্চীয়ান ভাৱধাৰা আদি। এই বিভিন্ন "স্কুল" বা ভাৱধাৰাবিলাকৰ আর্থিক চিন্তাচর্চাৰ খতিয়ানেই হৈছে অর্থনৈতিক ভাৱধাৰাৰ ইতিহাস।

আর্থিক সমস্যাবিলাক আলোচনা কৰোতে বিভিন্ন সময়ত অর্থনীতিবিদসকলে ব্যৱহাৰ কৰা বিভিন্ন বিশ্লেষণ পদ্ধতিসমূহো অর্থনৈতিক ভাৱধাৰাৰ ইতিহাসয়ে অন্তর্ভুক্ত কৰে। এই পদ্ধতিসমূহ হৈছে ঃ কালানুক্রমিক পদ্ধতি, ধাৰণাসংগত পদ্ধতি, নিগমনাত্মক (অনুমান ভিত্তিক) পদ্ধতি, আগমনাত্মক (ঘটনাভিত্তিক) পদ্ধতি, ঐতিহাসিক বিশ্লেষণ পদ্ধতি, নব্য-সংস্থাপিত পদ্ধতি, কল্যাণ পদ্ধতি, আনুষ্ঠানিক পদ্ধতি, কেইন্চীয়ান পদ্ধতি।

- **কালানুক্রমিক পদ্ধতি** ঃ এই পদ্ধতিত অর্থনৈতিক ধাৰাণাবোৰ সময়ৰ ক্রম অনুসৰি বিশ্লেষণ কৰা হয় যাৰ বাবে ইয়াত বিশ্লেষণৰ ধাৰাবাহিকতা নিশ্চিত হয়।
- **ধাৰণাসংগত পদ্ধতি** ঃ এই পদ্ধতিত অর্থনৈতিক ধাৰণাৰ বিকাশত গুৰুত্ব দিয়া হয়।
- **নিগমনাত্মক (অনুমানভিত্তিক) পদ্ধতি**ঃ ইয়াত এটা সার্বজনীন প্রস্তাৱৰ পৰা এটা বিশেষ সিদ্ধান্ত গ্রহণ কৰা হয়। ই এটা বিমূর্ত্ত পদ্ধতি। সংস্থাপিত অর্থনীতিবিদ সকলে এই পদ্ধতিৰ ব্যৱহাৰ কৰিছিল। অষ্ট্রীয়ান সকলেও এই পদ্ধতিৰ প্রয়োগ কৰিছিল।
- **আগমনাত্মক (ঘটনাভিত্তিক) পদ্ধতি** ঃ এই পদ্ধতিয়ে বিশেষ তথ্য আৰু উদাহৰণ ব্যৱহাৰ কৰি এটা তত্ত্বৰ বিকাশ কৰে অর্থাৎ ই নির্দিষ্ট পর্য্যবেক্ষণৰ পৰা বিস্তৃত এক শ্রেণীভূক্তকৰণলৈ গতি কৰে। আনুষ্ঠানিকতাবাদে এই পদ্ধতি অনুসৰণ কৰিছিল।
- **ঐতিহাসিক পদ্ধতি** ঃ অধ্যয়নৰ পদ্ধতি ইতিহাসৰ ওপৰত ভিত্তি কৰি হ'ব লাগে বুলি এই পদ্ধতিয়ে জোৰ দিছিল। ঐতিহাসিক ভাৱধাৰাই এই পদ্ধতি অনুসৰন কৰিছিল। এই পদ্ধতি আগনাত্মক পদ্ধতিৰ আন এক ৰূপ।
- **নব্য-সংস্থাপিত বিশ্লেষণ পদ্ধতি** ঃ নব্য-সংস্থাপিত বিশ্লেষণে সংস্থাপিত তত্ত্ববোৰক সংশোধন কৰি উন্নত কৰাত গুৰুত্ব দিছিল। ই নিগমনাত্মক আৰু আগমনাত্মক- এই দুয়োটা পদ্ধতিৰ সমন্বয়ৰ সপক্ষে আছিল।
- **কল্যাণ পদ্ধতিঃ** এই বিশ্লেষণে অর্থনীতিক সর্বাধিক সামাজিক কল্যাণৰ সৈতে জড়িত কৰি বিচাৰ কৰিছিল। পিগু, পেৰেট' আৰু অন্যান্যসকলে এই বিশ্লেষণ অনুসৰণ কৰিছিল। এই বিশ্লেষণে "কি হ'ব লাগে" এই বিষয়ত গুৰুত্ব দি বিষয়বিলাক বিচাৰ কৰিছিল আৰু সর্বাধিক

সামাজিক কল্যাণৰ বাবে উপযোগিতা, চাহিদা আৰু উপভোগক গুৰুত্ব দিছিল। ইয়াক নীতিমূলক (normative) বিশ্লেষণ বুলিও কোৱা হয়।

- **আনুষ্ঠানিক বিশ্লেষণঃ** এই বিশ্লেষণৰ মতে অনুষ্ঠানবিলাক যেনে অভ্যাস, পৰম্পৰা, প্ৰথা আদি মূল উপাদান যিবিলাকে মানুহৰ ব্যৱহাৰ পৰিচালনা কৰে। এই বিশ্লেষণৰ পক্ষ লোৱাসকলে সামূহিক আচৰণত গুৰুত্ব প্ৰদান কৰিছিল। আমেৰিকান অৰ্থনীতিবিদসকলে এই বিশ্লেষণক জনপ্ৰিয় কৰিছিল, তেওঁলোকৰ ভিতৰত ভেৱলেন প্ৰতিষ্ঠাপক আছিল যি এই বিশ্লেষণক নেতৃত্ব দিছিল।
- **কেইন্‌চীয়ান বিশ্লেষণঃ** ইয়াক সমষ্টিবাদী বা সামগ্ৰিক বিশ্লেষণ পদ্ধতি বুলিও জনা যায়। এই বিশ্লেষণৰ মূল কেন্দ্ৰবিন্দু হৈছে যে ই অৰ্থনীতিৰ সমস্যাসমূহক সামগ্ৰিকভাৱে বিচাৰ কৰিছিল। কেইন্‌চে সমগ্ৰ অৰ্থনীতিৰ আয়, উৎপাদন, নিয়োগ, সুদ আৰু অন্যান্যবিলাক অধ্যায়ন কৰিবলৈ সামগ্ৰিক বিশ্লেষণ পদ্ধতি ব্যৱহাৰ কৰিছিল ।

১.৫ অৰ্থনৈতিক ভাৱধাৰাৰ ইতিহাসৰ উৎপত্তি আৰু বিকাশ

অৰ্থনৈতিক ভাৱধাৰাৰ ইতিহাস এক অবিৰত প্ৰক্ৰিয়া বুলি সকলোৱে গ্ৰহণ কৰে। এটা বিশেষ সময়ৰ অৰ্থনৈতিক ধাৰণাবোৰ সেই সময়ৰ পটভূমিৰ দ্বাৰা নিৰূপিত হয়। সময় আৰু পটভূমি সলনি হোৱাৰ লগে লগে মানুহৰ আৰ্থিক চিন্তাও সলনি হয়। বিশ্লেষণৰ সুবিধাৰ্থে, অৰ্থনৈতিক ভাৱধাৰাক শ্ৰেণীভূক্ত কৰাটো অতি গুৰুত্বপূৰ্ণ আৰু জৰুৰী। অৰ্থনৈতিক চিন্তাচৰ্চ্চাৰ দুটা শ্ৰেণীবিভাজন আছে- এটা অৰ্থনৈতিক ভাৱধাৰাৰ "স্কুল" অনুসৰি আৰু আনটো "যুগ বা কাল" অনুসৰি যাক অৰ্থনৈতিক ভাৱধাৰাৰ আৰ্হিৰ (paradigm) ভিত্তিত গঠন কৰা হৈছে।

প্ৰথমে, আমি অৰ্থনৈতিক ভাৱধাৰাৰ ইতিহাসক ভাৱধাৰা বা 'স্কুল' অনুসৰি শ্ৰেণীৰ্ভূক্ত কৰিব পাৰো। গ্ৰীক ভাৱধাৰা অৰ্থনৈতিক ভাৱধাৰাৰ ইতিহাসৰ আৰম্ভণি। ই পৌৰাণিক যুগৰ এক অংশ। এই ভাৱধাৰাৰ উপৰিও পৌৰাণিক যুগত ৰোমান যুগ, মধ্যযুগ, সদাগৰীবাদ আৰু প্ৰকৃতিবাদ অন্তৰ্ভক্ত হয়। অৰ্থনৈতিক ভাৱধাৰাৰ এই যুগটো আনুমানিক খ্ৰীষ্টপূৰ্ব ৪২৭ ৰ পৰা ১৭৭৬ খ্ৰীষ্টাব্দলৈকে আছিল।

এৰিষ্ট'টল আৰু প্লেটো গ্ৰীক ভাৱধাৰাৰ মূল প্ৰতিনিধি আছিল। তেওঁলোকৰ মতে অৰ্থনীতি ঘৰুৱা পৰিচালনাৰ বিষয়। তেওঁলোকে শ্ৰম বিভাজনৰ গুৰুত্ব, সম্পত্তি, দাস প্ৰথা আৰু সাম্যবাদৰ সম্ভাৱনীয়তাৰ বিষয়ে আলোচনা কৰিছিল।

ৰোমান যুগৰ ভাৱধাৰাক সীস্যাৰ' (cicero), ভেৰ' (Varro) আৰু কেট' (Cato) এ প্ৰতিনিধিত্ব কৰিছিল। তেওঁলোকে বিনিময় প্ৰথা আৰু ক্ষুদ্ৰ কৃষি ব্যৱস্থাক সমৰ্থন কৰিছিল। মধ্যযুগত ছেইন্ট থমাছ একুৱাইনেছ, স্কুলমেন আৰু বেক্সটাৰ (Baxter) এ অৰ্থনৈতিক চিন্তাচৰ্চাৰ বিকাশ কৰিছিল। তেওঁলোকে অত্যাধিক সুদ লোৱাৰ অভ্যাসৰ বিৰুদ্ধে আছিল। অৰ্থনৈতিক পৰিঘটনা ব্যাখ্যা কৰিবলৈ তেওঁলোকে নৈতিক দৰ্শনক সমৰ্থন কৰিছিল।

১৫০০-১৭৫০ চনৰ সময়ছোৱাত সদাগৰীবাদ নামৰ আন এক অর্থনৈতিক ভাৱধাৰা ইউৰোপত গঢ়ি উঠিছিল যি ভাৱধাৰাত থমাছ মান, উইলিয়াম পেটী আৰু ডেভিড হিউম উল্লেখনীয় আছিল। সদাগৰী ব্যৱস্থাই বাণিজ্যিক পুঁজিবাদ, বাণিজ্যৰ সমতাক সমর্থন কৰিছিল আৰু মূল্যবান ধাতু যেনে সোণ, ৰূপ আৰু মুদ্রাৰ আহৰণত গুৰুত্ব দিছিল। ই ৰক্ষণাৱেক্ষণৰ এক পদ্ধতি হিচাপে বিকাশিত হৈছিল। সদাগৰীবাদৰ পাছত, ১৮ শতিকাৰ মাজভাগত ফ্রান্সত "প্রকৃতিবাদ" নামৰ আন এক ভাৱধাৰাৰ উত্থান হৈছিল। কুৱেছনে, টাৰগত আৰু মিৰাব'য়ে প্রকৃতিবাদী ভাৱধাৰাক নেতৃত্ব দিছিল। এই ভাৱধাৰাই প্রাকৃতিক নিয়মৰ অস্তিত্বক, যি নিয়মে বিশ্বব্রহ্মাণ্ডক পৰিচালনা কৰে, বিশ্বাস কৰিছিল; আৰু নিগুটি দ্রব্য আৰু এই দ্রব্যৰ সঞ্চালনত গুৰুত্ব দিছিল।

প্রকৃতিবাদৰ পাছত সংস্থাপিত অর্থনৈতিক ভাৱধাৰাৰ আর্বিভাৱ হ'ল, এই ভাৱধাৰা ১৮ শতিকাৰ শেষৰফালে আৰু ১৯ শতিকাৰ প্রথমৰফালে বিকশিত হৈছিল। আৰম্ভণিতে আদাম স্মিথ, ৰিকাড' আৰু মালথাছে সংস্থাপিত ভাৱধাৰাৰ বিকাশ সাধন কৰিছিল আৰু জে.বি.চে, ভন্ থানেন আৰু কেৰীৰ লিখনীলৈকে বর্তি আছিল। জে. এছ. মিলক সংস্থাপিত পৰম্পৰাৰ শেষ প্রতিনিধি বুলি গণ্য কৰা হয়। সংস্থাপিত অর্থনীতিৰমতে নামমাত্র চৰকাৰী প্রভাৱত বজাৰ ব্যৱস্থাই উৎকৃষ্টভাৱে কার্য কৰে। তেওঁলোকে সামগ্রিক সমষ্টিবাদী বিশ্লেষণ, মুক্ত বাণিজ্য আৰু নীতি-উন্মুখ বিশ্লেষণক গুৰুত্ব দিছিল।

সময় যোৱাৰ লগে লগে সংস্থাপিত ভাৱধাৰাৰ বিৰুদ্ধে অসন্তুষ্টিৰ সৃষ্টি হয়। ভিন্ন ভাৱধাৰাৰ অর্থনীতিবিদসকলে সংস্থাপিত পৰম্পৰাক সমালোচনা কৰিবলৈ আৰম্ভ কৰিলে। তেওঁলোকৰ ভিতৰত চিচমণ্ডী আৰু চাইমন, ৰাষ্ট্রীয়তাবাদী সমালোচক লিষ্ট আৰু মূলাৰ, সমাজবাদী সমালোচক অ'ৱেন, প্র'থন, ঐতিহাসিক সমালোচক ৰ'ছাৰ, স্কম'লাৰ উল্লেখনীয়। তেওঁলোকে সংস্থাপিত অর্থনীতিক বিভিন্ন দিশত প্রশ্ন কৰিছিল। উদাহৰণস্বৰূপে, চিচমণ্ডীয়ে বিতৰণৰ সঠিক পদ্ধতিৰ ওপৰত গুৰুত্ব দিছিল। ঐতিহাসিক ভাৱধাৰাই সংস্থাপিত ভাৱধাৰাৰ নি গমনাত্মক পদ্ধতিৰ বিপৰীতে ঐতিহাসিক পদ্ধতিক সমর্থন কৰিছিল। কেয়ার্নছে, ফাচিট আৰু জে.এচ. মিলে সমাজবাদী, ৰাষ্ট্রীয়তাবাদী আৰু অন্যান্যসকলৰ আক্রমণৰ বিৰুদ্ধে আছিল আৰু তেওঁলোকৰ লিখনীত সংস্থাপিত অর্থনীতিক পুনৰুদ্ধাৰৰ প্রচেষ্টা চলাইছিল। সামান্য সংশোধনৰে মিলে কেইবাটাও সংস্থাপিত ধাৰণাক পুনৰ লিখিছিল। তেখেতে নিজস্ব ধৰণে উৎপাদন আৰু বিতৰণ বিধি, স্থৰিৰ অৱস্থা আদি বিশ্লেষণ কৰিছিল। মিলৰ সংস্থাপিত অর্থনীতিৰ পুনঃবিৰৰণৰ পাছত অর্থনৈতিক ভাৱধাৰা পুনৰ নির্মাণ কৰিবৰ অর্থে বহুসংখ্যক ভাৱধাৰা যেনে অষ্ট্রীয়ান ভাৱধাৰা, গাণিতিক ভাৱধাৰা, মার্ক্সীয় ভাৱধাৰা, প্রান্তীয় ভাৱধাৰা আৰু নব্য-সংস্থাপিত ভাৱধাৰাৰ আর্বিভাৱ হৈছিল। মেনজাৰ, ৰাইজাৰ আৰু ব'ম-বাৱাৰেক নেতৃত্ব দিয়া অষ্ট্রীয়ান ভাৱধাৰাই আত্মনিষ্ঠতাক গুৰুত্ব দিছিল আৰু নিগমনাত্মক বিশ্লেষণ পদ্ধতিৰ প্রয়োগে কৰিছিল। এই ভাৱধাৰাৰ ১৯শতিকাৰ শেষৰফালে উত্থান হৈছিল।

গ'ছেন, ৰালৰাছ আৰু পেৰেট'ৰে গাণিতিক ভাৱধাৰাক প্রতিনিধিত্ব কৰিছিল। কল্যাণ অর্থনীতিলৈ বৰঙণিৰ জৰিয়তে পেৰেট'ৰে অর্থনৈতিক ভাৱধাৰাৰ বুৰঞ্জীত এক বিশিষ্ট স্থান

অধিকাৰ কৰিছিল। আকৌ, গ'ছেন, জেভনছ আৰু ৱালৰাছ প্ৰান্তীয় ভাৱধাৰালৈ আগবঢ়োৱা ৰৱঙণিৰ বাবে প্ৰখ্যাত আছিল। প্ৰান্তীয় ভাৱধাৰাই মূলতঃ প্ৰান্তীয় বিশ্লেষণৰ ওপৰত গুৰুত্ব দিছিল। এই ভাৱধাৰা ১৮৭০-১৯৩৬ চনলৈকে বিয়পি আছিল।

উইকছেল আৰু কেজেলে ছুইডিছ ভাৱধাৰাক প্ৰতিনিধিত্ব কৰিছিল। উইকছেলে মূলধন, বাণিজ্য চক্ৰ, সঞ্চয় আৰু সুদৰ তত্ত্বলৈ ৰৱঙণি আগবঢ়াইছিল। কেজেলে দৰ তত্ত্ব আৰু বিনিময় হাৰ নিৰ্দ্ধাৰণত ৰৱঙণি আগবঢ়াইছিল।

পুঁজিবাদী অৰ্থনীতি আৰু সমাজবাদী অৰ্থনৈতিক ভাৱধাৰাৰ বিশ্লেষণত নিজস্ব ধাৰণাৰ বাবে কার্ল মার্ক্স বিখ্যাত। সেয়েহে তেখেতে অকলেই এক বিশিষ্ট ভাৱধাৰাৰ গঠন কৰা বুলি কোৱা হয় আৰু এই ভাৱধাৰাক মার্ক্সীয় ভাৱধাৰা বুলি স্বীকৃতি দিয়া হৈছে।

ইয়াৰ পাছত আলফ্ৰেড মার্হেলে নেতৃত্ব দিয়া নব্য-সংস্থাপিত ভাৱধাৰাৰ উত্থান ঘটিছিল। তেখেতে সংস্থাপিত অৰ্থনীতি আৰু প্ৰান্তীয় বিশ্লেষণৰ মূল নীতিসমূহক সংযোগ কৰিছিল। এই ভাৱধাৰা ১৮৫০-১৮৭০ চনলৈকে বিয়পি আছিল।

সময়ৰ অগ্ৰগতিৰ লগে লগে নব্য-সংস্থাপিত ভাৱধাৰাৰ প্ৰতিও সমালোচনা আৰম্ভ হ'ল। পৰিণামস্বৰূপে, আমি আন কিছুমান ভাৱধাৰা যেনে, আনুষ্ঠানিকতাবাদ, কল্যাণ অৰ্থনীতি আৰু কেইন্‌চীয়ান ভাৱধাৰাৰ উত্থান দেখিবলৈপালো। ভেবলেন আনুষ্ঠানিকতাবাদৰ মূল প্ৰতিনিধি আছিল, যি এটা অৰ্থনীতি ব্যাখ্যা কৰোতে অনুষ্ঠানবোৰক অধ্যয়ন কৰাৰ গুৰুত্বৰ ওপৰত অগ্ৰাধিকাৰ দিছিল।

পিগু, পেৰেট' আৰু হ'বছন কল্যাণ ভাৱধাৰাৰ অৰ্থনীতিবিদ আছিল। তেখেতসকলে সামাজিক কল্যাণ সৰ্বোচ্চ কৰাৰ নীতি আৰু উপায়সমূহ আলোচনা কৰিছিল।

সৰ্বশেষত, জে.এম. কেইন্‌চে গঠন কৰা নতুন অৰ্থনৈতিক ভাৱধাৰা আহিল যাক কেইন্‌চীয়ান ভাৱধাৰা বুলি কোৱা হয়। তেখেতে সমষ্টিবাদী দৃষ্টিকোণৰপৰা অৰ্থনীতিৰ বিশ্লেষণ কৰিছিল।

অৰ্থনৈতিক ভাৱধাৰাৰ ইতিহাসৰ দ্বিতীয় শ্ৰেণীবিভাজন যুগ বা কাল অনুসৰি কৰা হৈছে। অৰ্থাৎ অৰ্থনৈতিক ভাৱধাৰাৰ ইতিহাসৰ সমগ্ৰ ধাৰণাক কিছুমান যুগত ভাগ কৰিব পাৰি। এই যুগ বিভাজন কিছুমান নিৰ্দিষ্ট আৰ্হিৰ ভিত্তিত কৰা হৈছিল। এই মাপকাঠি কুন (Kuhn) এ দিছিল। সেইমতে অৰ্থনৈতিক ভাৱধাৰাৰ ইতিহাসত প্ৰধানকৈ পাঁচটা কাল বা যুগ আছে। সেইকেইটা এনেধৰণৰ-

- সংস্থাপিত যুগ (১৭৭৬-১৮৫০)
- নব্য-সংস্থাপিত যুগ (১৮৫০-১৮৭০)
- মার্ক্সীয় যুগ (১৮৪৩-১৮৮৫)
- প্ৰান্তীয় বিপ্লৱ (১৮৭০-১৯৩৬)
- কেইন্‌চীয়ান যুগ (১৯৩৬-১৯৪৬)

ওপৰোক্ত যুগকেইটা অর্থনৈতিক ইতিহাসৰ আৰ্হি অনুসৰিহে শ্রেণীভূক্ত কৰা হৈছে। সেয়েহে, ই ঐতিহাসিক যুগৰ, যাক সময় অনুসৰি কৰা হয়, সৈতে একে নহয়।

১.৬ অর্থনৈতিক ভাৱধাৰাৰ ইতিহাসৰ প্রয়োজনীয়তা আৰু গুৰুত্ব

আপোনালোকৰ মনত এটা প্রশ্ন উদয় হ'ব পাৰে যে আমি অর্থনৈতিক ভাৱধাৰাৰ ইতিহাস কিয় অধ্যয়ন কৰিব লাগে। এই প্রশ্নৰ উত্তৰত দুটা মত আছে। অর্থনীতিবিদৰ এটা গোটৰ মতে অর্থনৈতিক ভাৱধাৰাৰ ইতিহাস অধ্যয়নৰ আৱশ্যকতা নাই। তেখেতসকলে এই মত পোষণ কৰিছিল যে অর্থনৈতিক ভাৱধাৰাৰ ইতিহাস হৈছে "ভুল-ভ্রান্তিৰ ইতিহাস"। সেয়েহে এই বিষয়ত গুৰুত্ব প্রদান কৰাৰ প্রয়োজনীয়তা নাই। নিঃসন্দেহে এইটো শুদ্ধ মত নহয়। অৱশ্যে, অর্থনীতিবিদৰ আনটো গোটে বিশ্বাস কৰে যে যিকোনো ব্যক্তিয়ে যদি কোনো অর্থনৈতিক তত্ত্বৰ বিষয়ে জ্ঞান অর্জন কৰিব বিচাৰে, তেওঁ ইয়াৰ ইতিহাসও কম পৰিমাণে জনা উচিত।

অর্থনৈতিক ভাৱধাৰাৰ ইতিহাস অধ্যয়নৰ উপযুক্ততাৰ সপক্ষে বহুতো কাৰণ আছে। আমি এই কাৰণবিলাক আৰু অর্থনৈতিক ভাৱধাৰাৰ ইতিহাস অধ্যয়নৰ গুৰুত্ব তলত দিয়া ধৰণে সংক্ষেপে বর্ণনা কৰিব পাৰো-

- অর্থনৈতিক ভাৱধাৰাৰ ইতিহাস অধ্যয়ন কৰি ইতিমধ্যে গ্রহণ কৰা তাত্ত্বিক অর্থনৈতিক ধাৰণাবোৰৰ আধাৰৰ বিষয়ে পুনৰ চিন্তার্চচা কৰিব পাৰো।
- এটা সময়ৰ অর্থনৈতিক চিন্তা চর্চা আগৰ চিন্তাৰ ভিত্তিত গঢ় লয় অর্থাৎ, অর্থনৈতিক ভাৱধাৰাৰ বিৱর্ত্তনত এক ধাৰাবাহিকতা থাকে। বর্তমানৰ সমস্যাক অতীত ধাৰণা অনুসৰি ব্যাখ্যা কৰাত ই আমাক সহায় কৰে।
- অর্থনৈতিক ভাৱধাৰাৰ অধ্যয়নৰ দ্বাৰা অর্থনীতিৰ উৎপত্তি আৰু বিকাশৰ বিষয়ে বুজিব পাৰি। অর্থনীতিৰ প্রকৃতি, পৰিসৰ আৰু অন্য বিজ্ঞানৰ সৈতে ইয়াৰ সম্পর্ক কেনে তাকো জনাত ভাৱধাৰাৰ অধ্যয়নে সহায় কৰে। অর্থনীতি এক গতিশীল বিজ্ঞান। এই গতিশীলতা লাভ কৰাত অর্থনীতিৰ পৰিসৰ আৰু প্রকৃতিয়ে কেনেকৈ সহায় কৰে, সেই কথা জানিবলৈ অর্থনৈতিক ভাৱধাৰাৰ ইতিহাস অধ্যয়ন কৰিব লাগে।
- অর্থনৈতিক ভাৱধাৰাৰ ইতিহাসৰ অধ্যয়নৰ দ্বাৰা এইটো আভাস পোৱা যায় যে অর্থনৈতিক ধাৰণাবোৰ আপেক্ষিক। সময়, স্থান আৰু সামাজিক পৰিবেশে অর্থনৈতিক ধাৰণা গঢ় লোৱাত প্রভাৱিত কৰে। অর্থনৈতিক অভ্যাসবোৰে অর্থনৈতিক ধাৰণা সৃষ্টি হোৱাত সহায় কৰে।
- অর্থনৈতিক ধাৰণাৰ উদ্ভাৱনকাৰীসকলৰ সফলতা আৰু বিফলতাসমূহ বুজিবলৈ আমি কৰা প্রচেষ্টাবোৰত অর্থনৈতিক ভাৱধাৰাৰ ইতিহাস অধ্যয়নে সহায় কৰে। ইয়াৰ উপৰিও, বিভিন্ন তত্ত্বৰ গুণ আৰু দোষসমূহ আমি ভাৱধাৰাৰ অধ্যয়নৰ পৰা জানিব পাৰো।
- অর্থনৈতিক ভাৱধাৰাৰ ইতিহাস অধ্যয়নৰ দ্বাৰা আমি বিভিন্ন তত্ত্ব আৰু তত্ত্ব উদ্ভাৱনকাৰীসকলৰ মাজত সমালোচনামূলক অধ্যয়ন আৰু তুলনা কৰিব পাৰো। ই তত্ত্ব তথা অর্থনীতিবিদসকলৰ নিৰপেক্ষ, যুক্তিসংগত আৰু শুদ্ধ বিচাৰ হোৱাতো নিশ্চিত কৰে।

- আগৰ লিখকসকলে তেওঁলোকৰ অর্থনৈতিক ধাৰণাবোৰ গঢ় দিওঁতে কৰা ভুল-ভ্রান্তিবোৰ পুনৰ হোৱাতো নূন্যতম কৰি সঠিক তত্ত্ব উদ্ভাৱন কৰিবৰ বাবে অতীতৰ বিস্তৃত জ্ঞানৰ অতি প্ৰয়োজন যিটো ভাৱধাৰাৰ অধ্যয়নে আমাক দিয়ে।
- অর্থনৈতিক ভাৱধাৰাৰ ইতিহাস অধ্যয়নে আমাৰ জ্ঞানৰ পৰিধি বহল কৰে, আমাৰ বিশ্লেষণ ক্ষমতা কিমান বা সমস্যাবিলাক বিশ্লেষণ কৰোতে আমি কিমান গভীৰলৈ যাব পাৰো তাক জনাত ই আমাক সহায় কৰে।
- অর্থনৈতিক ভাৱধাৰাৰ ইতিহাস অধ্যয়নৰ পৰা প্ৰাপ্ত ধাৰণাই আমাৰ সময়ৰ একেধৰণৰ সমস্যাবোৰ সমাধান কৰাত আমাক সহায় কৰে।
- বিভিন্ন তত্ত্বৰ কালানুক্ৰমিক বিকাশৰ বিষয়ে ই আমাক জানিবলৈ দিয়ে। তদুপৰি, আমি বিভিন্ন তত্ত্বৰ উৎপত্তি আৰু তত্ত্ববিলাক উদ্ভাৱন হোৱা আঁৰৰ পটভূমি জানিব পাৰো।
- অর্থনৈতিক ভাৱধাৰাৰ ইতিহাস - এই বিষয়টোৰ বিকাশৰ বিভিন্ন স্তৰবিলাক ভাৱধাৰাৰ ইতিহাস অধ্যয়নে প্ৰকাশ কৰে আৰু বিভিন্ন ধৰণৰ তত্ত্ব সৃষ্টিৰ মৌলিক কাৰণবোৰো আমি জানিব পাৰো।



অগ্ৰগতি নিৰীক্ষণ

৩ নং প্ৰশ্ন ঃ কালানুক্ৰমিক পদ্ধতি কি? (২০ টা শব্দৰ ভিতৰত লিখক)

.....

.....

৪ নং প্ৰশ্ন ঃ নিগমনাত্মক আৰু আগমনাত্মক পদ্ধতিৰ মাজৰ পার্থক্য বিচাৰ কৰক। (৪০ টা শব্দৰ ভিতৰত লিখক)

.....

.....

.....

.....



১.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- অর্থনৈতিক ভাৱধাৰাৰ ইতিহাসয়ে অতীতৰপৰা বর্ত্তমানলৈকে উদ্ভৱ হোৱা বিভিন্ন অর্থনৈতিক তত্ত্ব আৰু বিভিন্ন চিন্তাবিদে আগবঢ়োৱা মতসমূহৰ বিষয়ে আলোচনা কৰে। অর্থনৈতিক ভাৱধাৰাৰ ইতিহাসক বিভিন্ন সময়ত আৰু বিভিন্ন পৰিৱেশত গঢ়ি উঠা অর্থনৈতিক তত্ত্ব, মতাদর্শ আৰু বিধিসমূহৰ এক সংকলন বুলি ক'ব পাৰি।
- মানুহে তেওঁলোকৰ দৈনন্দিন অস্তিত্বৰ বাবে আর্থিক সমস্যাসমূহৰ বিষয়ে চিন্তা-চর্চা কৰিছিল।

এইফালৰ পৰা অর্থনৈতিক ভাৱধাৰাৰ ইতিহাসক মানৱৰ ইতিহাসৰ সমান প্ৰাচীন বুলি গণ্য কৰিব পাৰি।

- অর্থনৈতিক ভাৱধাৰাৰ ইতিহাস, অর্থনীতিৰ ইতিহাস আৰু অর্থনৈতিক ইতিহাসৰ মাজত পার্থক্য আছে। তিনিওটা শাখাৰে বিষয়বস্তু পৃথক। তৎস্বত্ত্বেও, তিনিওটা শাখাৰ মাজত অতি ওচৰ সম্বন্ধ আছে।
- অর্থনৈতিক ভাৱধাৰাৰ ইতিহাসয়ে মানুহৰ আর্থিক জীৱনৰ সৈতে জড়িত সকলো ধাৰণাক অন্তর্ভূক্ত কৰে।
- অর্থনৈতিক ভাৱধাৰাৰ ইতিহাসয়ে অর্থনৈতিক ইতিহাসৰ বিভিন্ন সময়কাল যেনে গ্ৰীক যুগ, মধ্যযুগ, ৰোমান যুগ আৰু আধুনিক যুগ অন্তর্ভূক্ত কৰে।
- আর্থিক সমস্যাবিলাক আলোচনা কৰোতে বিভিন্ন সময়ত অর্থনীতিবিদসকলে ব্যৱহাৰ কৰা বিভিন্ন বিশ্লেষণ পদ্ধতিসমূহো অর্থনৈতিক ভাৱধাৰাৰ ইতিহাসয়ে অন্তর্ভূক্ত কৰে।
- অর্থনৈতিক ভাৱধাৰাৰ অধ্যয়নৰ দ্বাৰা অর্থনীতিৰ উৎপত্তি আৰু বিকাশৰ বিষয়ে বুজিব পাৰি।

১.৮ অধিক জানিবলৈ

1) Hajela, T.N. (1999). History of Economic Thought. Delhi: Konark Publishers Pvt. Ltd.

2) Jhingan, M.L.,Girija, M. Manimekalai.& A. Sasikala. L. (2010). History of Economic Thought. Delhi: Vrinda Publications (P) Ltd.

১.৯ অগ্ৰগতিৰ খতিয়ান

১নং প্ৰশ্নৰ উত্তৰ ঃঅর্থনৈতিক ভাৱধাৰাৰ ইতিহাস বিভিন্ন সময়ত আৰু বিভিন্ন পৰিৱেশত গঢ়ি উঠা অর্থনৈতিক তত্ত্ব, মতাদর্শ আৰু বিধিসমূহৰ এক সংকলন।

২নং প্ৰশ্নৰ উত্তৰ ঃঅর্থনৈতিক ভাৱধাৰাৰ ইতিহাস অর্থনৈতিক ধাৰণাৰ আত্মনিষ্ঠ বর্ণনা, আনহাতে অর্থনৈতিক ইতিহাস হৈছে আর্থিক ব্যৱস্থাটোৰ বিভিন্ন বিভাগৰ এক বস্তুনিষ্ঠ অধ্যয়ন। অর্থনৈতিক ভাৱধাৰাৰ ইতিহাস তাত্ত্বিক আৰু ই অর্থনৈতিক ধাৰণাৰ বিকাশৰ সৈতে জড়িত। আনহাতে অর্থনৈতিক ইতিহাস তথ্য বা প্ৰকৃত ঘটনাৰ সৈতে জড়িত।

৩নং প্ৰশ্নৰ উত্তৰ ঃ অর্থনৈতিক ধাৰণাসমূহক সময়ৰ ক্ৰম অনুসৰি বিশ্লেষণ কৰা পদ্ধতিয়েইহৈছে কালানুক্ৰমিক পদ্ধতি । এই পদ্ধতিত বিশ্লেষণৰ ধাৰাবাহিকতা নিশ্চিত হয়।

৪নং প্ৰশ্নৰ উত্তৰ ঃনিগমনাত্মক বা অনুমান ভিত্তিক পদ্ধতিত এটা সার্বজনীন প্ৰস্তাৱৰ পৰা এটা বিশেষ সিদ্ধান্ত গ্ৰহণ কৰা হয়। ই এটা বিমূর্ত্ত পদ্ধতি। সংস্থাপিত অর্থনীতিবিদ আৰু অষ্ট্ৰীয়ান ভাৱধাৰাই এই পদ্ধতিৰ প্ৰয়োগ কৰিছিল। আনহাতে, আগমনাত্মক বা ঘটনাভিত্তিক পদ্ধতিয়ে বিশেষ তথ্য আৰু উদাহৰণ ব্যৱহাৰ কৰি এটা তত্ত্বৰ বিকাশ কৰে অর্থাৎ ই নির্দিষ্ট

পর্য্যবেক্ষণৰ পৰা বিস্তৃত এক শ্রেণীভূক্তকৰণলৈ গতি কৰে। আনুষ্ঠানিকতাবাদে এই পদ্ধতি অনুসৰণ কৰিছিল।

১.১০ আৰ্হি প্রশ্ন

চুটি প্রশ্ন (১৫০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

১ নং প্রশ্ন ঃ অর্থনৈতিক ভাৱধাৰাৰ ইতিহাস বুলিলে কি বুজা যায়?

২ নং প্রশ্ন ঃ পৌৰাণিক অর্থনৈতিক ভাৱধাৰত অন্তভূর্ক্ত "স্কুল"বোৰৰ নাম লিখক।

৩ নং প্রশ্ন ঃ অর্থনৈতিক ভাৱধাৰাৰ ইতিহাস আৰু অর্থনীতিৰ ইতিহাসৰ মাজত পার্থক্য বিচাৰ কৰক।

৪ নং প্রশ্ন ঃ অর্থনৈতিক ভাৱধাৰাৰ ইতিহাসৰ প্রসংগত "স্কুল" বুলিলে কি বুজা যায়?

ৰচনাধর্মী প্রশ্ন (৩০০-৫০০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

১ নং প্রশ্ন ঃ অর্থনৈতিক ভাৱধাৰাৰ ইতিহাসৰ পৰিসৰ ব্যাখ্যা কৰক ।

২ নং প্রশ্ন ঃ অর্থনৈতিক ভাৱধাৰাৰ ইতিহাস অধ্যয়নৰ প্রয়োজনীয়তাৰ যিকোনো চাৰিটা কাৰণ উল্লেখ কৰক ।

৩ নং প্রশ্ন ঃ অর্থনৈতিক ভাৱধাৰাৰ ইতিহাস অধ্যয়নৰ পদ্ধতিবোৰ কি কি? ব্যাখ্যা কৰক।

*** ***** ***

অধ্যায় ২ ঃ প্রাচীন ভাৰতীয় অর্থনৈতিক ভাৱধাৰা

অধ্যায় গাঁথনি

২.১ উদ্দেশ্য
২.২ পৰিচয়
২.৩ কৌটিল্য
২.৪ কৌটিল্যৰ অর্থশাস্ত্ৰৰ অর্থনৈতিক ধাৰণাসমূহ
২.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
২.৬ অধিক জানিবলৈ
২.৭ অগ্রগতিৰ খতিয়ান
২.৮ আৰ্হি প্রশ্ন

২.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- কৌটিল্যৰ অর্থশাস্ত্ৰৰ বৈশিষ্ট্যসমূহৰ বিষয়ে জানিব পাৰিব
- প্রাচীন ভাৰতত প্রচলিত ৰাজনৈতিক আৰু অর্থনৈতিক চিন্তাধাৰাৰ যি খতিয়ান অর্থশাস্ত্ৰই বর্ণনা কৰিছিল তাক বুজিব পাৰিব
- কৌটিল্যৰ অর্থনীতি, সম্পদ আৰু ৰাজস্ব অর্থনীতিৰ দৃষ্টিভংগীসমূহ বিশ্লেষণ কৰিব পাৰিব।

২.২ পৰিচয়

কৌটিল্যৰ দর্শন স্যাম, দাম, দন্দ্ব, ভেদ (ধর্ম, বিশ্বাস, প্রলোভন, শাস্তি আৰু বিভাজন) নীতিৰ ওপৰত প্রতিষ্ঠিত। এই নীতিসমূহৰ সহায়ত নানা প্রকাৰৰ পৃথক পৃথক অনুক্রমিতা সম্বন্ধীয় উপায়সমূহৰ জৰিয়তে চূড়ান্ত লক্ষ্যত উপনীত হোৱা যায়। অর্থশাস্ত্ৰই ৰাজনৈতিক প্রশাসন আৰু অর্থনৈতিক প্রশাসনৰ সৈতে সমতা স্থাপন কৰে। ইয়াত ৰাজনৈতিক প্রশাসন হৈছে উপায়সমূহ (Means) আৰু অর্থনৈতিক প্রশাসন হৈছে চূড়ান্ত লক্ষ্য (End)। ইয়াত চূড়ান্ত লক্ষ্যই উপায়সমূহৰ ন্যায্যতা প্রদান কৰে আৰু ইয়াক কৌটিল্য আৰু মেকেভেলিয়ান দর্শনৰ মূল ভেটি বুলি কোৱা হয়। কৌটিল্যৰ মতে, ৰাজনৈতিক ক্ষমতা আৰু বৈষয়িক সম্পদসমূহেই হৈছে উপায়সমূহ আৰু চূড়ান্ত লক্ষ্যসমূহ হ'ল অর্থনৈতিক প্রশাসন। ৰাজনৈতিক অথবা অর্থনৈতিক সু-প্রশাসন নির্ভৰ কৰে আর্থসামাজিক আৰু ৰাজনৈতিক অৱস্থাসমূহ, উপায়সমূহ আৰু চূড়ান্ত লক্ষ্যৰ ন্যায্যতা প্রদানে। এই অধ্যায়ত অর্থনৈতিক ভাবধাৰাৰ ইতিহাসত কৌটিল্যৰ বিভিন্ন অৰিহণাসমূহৰ বিষয়ে আমি আলোচনা কৰিম।

২.৩ কৌটিল্য

কৌটিল্য (চাণক্য) আছিল খ্ৰীষ্টপূৰ্ব চতুৰ্থ শতিকাৰ চন্দ্ৰগুপ্ত মৌৰ্যৰ প্ৰধানমন্ত্ৰী। তেওঁৰ অৱদান 'অৰ্থশাস্ত্ৰই' সেই সময়ৰ প্ৰাচীন ভাৰতত প্ৰচলিত ৰাজনৈতিক আৰু অৰ্থনৈতিক চিন্তাধাৰাৰ আভাস দিয়ে। অৰ্থশাস্ত্ৰ হ'ল আইন তত্ত্ব, ৰাজনীতি আৰু অৰ্থনীতি বিজ্ঞানৰ সমন্বয়। শুক্ৰই কৈছে, অৰ্থবিজ্ঞান এনে এক বিষয়, যি আইন আৰু জীৱন নিৰ্বাহ পদ্ধতি অনুসৰি ৰজাই সম্পন্ন কৰা কাৰ্য্য আৰু প্ৰশাসন ব্যৱস্থাৰ বৰ্ণনা দিয়ে। কৌটিল্যই সুদ ছটা ভাগত ভাগ কৰিছে ঃ যৌগিক সূদ (Compound interest), সাময়িক সুদ (Periodic interest), বন্দবস্তিৰ সুদ (Stipulated interest), দৈনিক সুদ আৰু বন্ধকী কোনো বস্তুৰ ব্যৱহাৰৰ বাবে সুদ। সম্ভৱত শতকৰাৰ এটা অংশ সুদ হিচাপে লোৱা ধাৰণাটো ভাৰবৰ্ষতে আৰম্ভণি হৈছিল। সেইয়ে এক কথাত কৌটিল্যৰ সুদৰ ব্যৱস্থাটো খুউব বেছি জটিল আৰু ইয়াৰ উপৰিও আধুনিক। অৰ্থশাস্ত্ৰত প্ৰকৃত অৰ্থনৈতিক, সামাজিক আৰু ৰাজনৈতিক কাৰকসমূহৰ ওপৰত ভিত্তি কৰি এটা নিৰ্দিষ্ট মজুৰি নীতি নিৰ্দ্ধাৰণ কৰিব পাৰি তাৰো চেষ্টা কৰিছিল। নব্য প্ৰস্তুত নীতিসমূহ যুক্তি সংগত আৰু ৰাষ্ট্ৰৰ প্ৰয়োজনীয়তাৰ লগত সংগতিপূৰ্ণ হ'ব লাগিব।

২.৪ কৌটিল্যৰ অৰ্থশাস্ত্ৰৰ অৰ্থনৈতিক ধাৰণাসমূহ

কৌটিল্যৰ অৰ্থশাস্ত্ৰত অন্তৰ্ভুক্ত ধৰ্ম, কাম আৰু অৰ্থ মোক্ষৰ পৰা পৃথক।

আধুনিক পৰিভাষাত প্ৰাচীন কালত অৰ্থশাস্ত্ৰ হৈছে— আইন, ৰাজনীতি আৰু অৰ্থনীতিৰ সমন্বয়। উৎপাদন আৰু বিতৰণ উভয়কে অৰ্থশাস্ত্ৰত ব্যৱহাৰ কৰা হয়। অৰ্থশাস্ত্ৰৰ অৰ্থনৈতিক ধাৰণাসমূহ তলত বহলাই আলোচনা কৰা হ'ল-

- **সম্পদৰ প্ৰতি মনোভাব ঃ** এজন ব্যক্তিক সমুচিতকৈ জীৱনটো পৰিচালনা কৰিবৰ বাবে সম্পদৰ প্ৰয়োজন হয়। এখন দেশৰ বাবে সম্পদৰ প্ৰয়োজন সামাজিক গাঁথনি পৰিচালনা কৰিবলৈ, প্ৰতিজন ব্যক্তিয়ে সু-স্বাস্থ্য, সু-সভ্য জীৱন যাপন কৰিবলৈ আহিলা আৰু সুবিধা প্ৰদান কৰিবলৈ। প্ৰাচীন ভাৰতত সম্পদৰ চাৰিটা গুণ ভাৰতীয় অৰ্থনীতিবিদ কৌটিল্যই বিবেচনা কৰিছিল। সেই কেইটা হ'ল— বিষয়নিষ্ঠতা, ভোগযোগ্যতা, যথোপযুক্ততা আৰু হস্তান্তৰযোগ্যতা। ইয়াত বৈষয়িক সম্পদৰ আহৰণৰ মনোভাব ব্যক্তি এজনৰ জীৱনৰ উদ্দেশ্য হ'ব লাগে কিন্তু শেষ বা চূড়ান্ত লক্ষ্য হ'ব নালাগে।
- **উপভোগ ঃ** প্ৰাচীন ভাৰতৰ আদৰ্শ ভোগকাৰ্য্য জীৱনৰ চাৰিটা লক্ষ্যৰ দ্বাৰা পৰিচালিত। সেয়া হ'ল ধৰ্ম, কাম, অৰ্থ আৰু মোক্ষ। সেইটো সময়ত পৰিয়াল এটাক ভোগ কাৰ্যৰ বাবে অৰ্থনীতিৰ এটা অংশ বুলি গণ্য কৰা হৈছিল। মানৱ কাৰ্যসমূহ পৰিচালিত হয় মানসিক, অৰ্থনৈতিক আৰু নৈতিক আদৰ্শৰ দ্বাৰা। শ্ৰমৰ গুৰুত্বক মৰ্যদাসহকাৰে স্বীকাৰ কৰা হৈছিল। নিয়োগকাৰীয়ে উপযুক্তভাৱে শ্ৰমিক নিয়োগ নকৰিলে বা শ্ৰমিকে নিয়োগকৰ্তাক প্ৰয়োজনীয় শ্ৰমদান নকৰিলে জৰিমণা আৰোপ কৰাৰ ব্যৱস্থা আছিল। কৌটিল্যৰ মতে, পতিতাৰ বা

মাকৰ বাহিৰে যেতিয়া সামৰ্থ্য থকা এজন ব্যক্তিয়ে ল'ৰা ছোৱালীক, মাতৃক, পিতৃক, সৰু ভায়েকক আৰু বিধবা ছোৱালীক পৰিচালনা কৰিব নোৱাৰিলে শাস্ত্ৰি প্ৰদানৰ নামত ১২ পানাচ (Panas) জৰিমণা বিহিব লাগে। প্ৰাচীন লেখকসকলৰ মতে কষ্টোপাৰ্জিত সম্পদ মানৱ জীৱনৰ কাৰণে যথোপযুক্ত।

- **উৎপাদন ঃ** প্ৰাচীন চিন্তাবিদসকলে উৎপাদনৰ চাৰিটা উপাদান চিনাক্ত কৰিছিল। সেইবোৰ হ'ল— ভূমি, শ্ৰম, মূলধন আৰু সংগঠন। ভূমিক সকলো সম্পদৰ উৎস হিচাপে বিবেচনা কৰা হৈছিল। শ্ৰমৰ গুৰুত্বও স্পষ্ট ৰূপত প্ৰকাশ কৰা হৈছিল। কৌটিল্যৰ মতে নিয়োগকাৰীয়ে উপযুক্তভাৱে শ্ৰমিক নিয়োগ নকৰিলে বা শ্ৰমিকে নিয়োগ কৰ্তাক প্ৰয়োজনীয় শ্ৰমদান নকৰিলে ১২ পানাচ (panas) জৰিমণা বিহিব লাগে। যি গৰাকী শ্ৰমিকে নিজৰ কাম সূচাৰুৰূপে পালন কৰিব নোৱাৰে এইজন শ্ৰমিক অনুৎপাদনশীল বুলি গণ্য কৰা হৈছিল। সেই সময়ত সুদৰ হাৰ অধিক হোৱাটোৱে মূলধনৰ নাটনিক বুজাইছিল। সংগঠনৰ ক্ষেত্ৰত বৃহস্পতিৰ মত হ'ল যে, উৎপাদন কাৰ্য্য পৰিদৰ্শন কৰাৰ গুৰুত্ব শ্ৰমিকসকলৰ ওপৰত যথেষ্ট বেছি।
- **কৃষি ঃ** প্ৰাচীন ভাৰতীয় অৰ্থনীতিত কৃষি আৰু পশুপালনত অধিক গুৰুত্ব আৰোপ কৰা হৈছিল। সেইবোৰ আছিল জনসাধাৰণৰ জীৱিকাৰ প্ৰধান উপায়। কৃষকসকল কৃষি আৰু পশুপালনত যথেষ্ট অভিজ্ঞ আৰু পাৰদৰ্শী আছিল। কৃষি, জীৱিকাৰ প্ৰধান উপায় হোৱা হেতুকে চৰকাৰেও কৃষি উন্নয়নৰ বাবে যথেষ্ট ব্যৱস্থা গ্ৰহণ কৰিছিল আৰু কৃষকৰ দক্ষতা অটুট ৰখাৰ বাবে বিভিন্ন কাৰ্য্যসূচী গ্ৰহণ কৰিছিল, সেইবোৰ হ'ল-
  - কৃষিৰ বাবে উপযোগী কৰি তোলা ভূমিক কৰদাতাসকলৰ জীৱন ধাৰণৰ বাবে দিয়াৰ ব্যৱস্থা কৰা।
  - যিসকলে কৃষি কৰ্মৰ বাবে যা-যোগাৰ কৰিছিল তেওঁলোকৰ পৰা কৃষিৰ উপযোগী কৰি নোলোৱা ভূমি লৈ লোৱা নহৈছিল।
  - যিসকলে নিজে কৃষি কাৰ্য্য সম্পন্ন নকৰি কৃষি ভূমি আনলৈ হস্তান্তৰ কৰিছিল, তেনে ভূমি বাজেয়াপ্ত কৰা হৈছিল।
  - যিসকল কৃষকে সহজে আৰোপিত শুল্ক পৰিশোধ কৰিছিল তেওঁলোকক শস্য, ধন আৰু মুদ্ৰাৰ যোগান ধৰা হৈছিল।
  - কৃষিবিজ্ঞানীসকলক ৰজাঘৰীয়া ভূমিত নিয়োগ কৰা হৈছিল আৰু কৃষিবিজ্ঞানীসকলৰ গছ-গছনি ৰোৱা আদি বৈজ্ঞানিক কৃষিকাৰ্যত জড়িত জ্ঞান থকাটো অপৰিহাৰ্য আছিল।
- **বাণিজ্য ঃ** জনসাধাৰণৰ উমৈহতীয়া স্বাৰ্থ আগত ৰাখি বজাৰ প্ৰক্ৰিয়াৰ দক্ষ পৰিচালনাৰ বাবে বিভিন্ন বাণিজ্যিক নিয়ন্ত্ৰণৰ ব্যৱস্থা কৰা হৈছিল। সেইবোৰ হ'ল—
  - শোষণকাৰী ব্যৱসায়ীসকলক সাৱধান কৰি দিয়া হৈছিল। যিসকল ব্যৱসায়ীয়ে উদ্যোগজাত দ্ৰব্যৰ বিক্ৰী হ্ৰাস কৰিবলৈ ষড়যন্ত্ৰ কৰে, তেওঁলোকে জৰিমণা ভৰিব লাগিছিল।

- ভোক্তাৰ স্বাৰ্থ ৰক্ষা কৰিবলৈ দ্ৰব্যৰ ভেজাল কৰণ ৰোধ কৰা হৈছিল। দ্ৰব্যৰ ওপৰত এক বিশেষ মাৰ্কা লগোৱা হৈছিল। অনুপযুক্ত দ্ৰব্য এক নিৰ্দিষ্ট সময়ৰ ভিতৰত ঘূৰাই দিব পৰা ব্যৱস্থা আছিল।
- মধ্যস্থতাকাৰীয়ে আহৰণ কৰা বৰঙণি আৰু ব্যৱসায়ীয়ে আহৰণ কৰা লাভ নিৰ্দিষ্ট কৰি দিয়া হৈছিল। কৌটিল্যই কৈছিল যে কৰ অধীক্ষকজনে ঘৰুৱা দ্ৰব্য-সামগ্ৰীৰ ওপৰত পাঁচ শতাংশ আৰু বিদেশী পণ্যৰ ওপৰত দহ শতাংশ স্থিৰ দৰৰ ওপৰত দৰ নিৰ্ধাৰণ কৰিব লাগে।

- **বিতৰণ ঃ** প্ৰাচীন ভাৰতত বিতৰণৰ ধাৰণাটো সম্পদ আৰু সম্পত্তিৰ বিতৰণত থকা অসমতা দূৰ কৰি ব্যক্তিগত আৰু ৰাজহুৱা সংঘাতপূৰ্ণ মালিকীস্বত্ব নসাৎ কৰি সমবিকাশ সাধন কৰা আৰু ন্যায়সংগত বাবে মজুৰি, খাজনা, সুদ আৰু মুনাফাৰ নিৰ্দ্ধাৰণ নিশ্চিত কৰা। তেতিয়াৰ দিনত ভূমিক সকলো সম্পদৰে উৎস হিচাপে বিবেচনা কৰা হৈছিল। যাৰ কাৰণে ৰজায়েও কেতিয়াবা নিজৰ প্ৰাণ বিসৰ্জন দিবলগা হৈছিল। শ্ৰমক অতি সুন্দৰকৈ গুৰুত্ব আৰোপ কৰা হৈছিল আৰু যিজন শ্ৰমিকে নিজৰ উদ্দেশ্যত সফল হ'ব পৰা নাছিল এইজন শ্ৰমিকক অনুৎপাদনশীল বুলি কোৱা হৈছিল। তেতিয়াৰ দিনত সম্পদ আৰু সম্পত্তিৰ অসমতা দূৰ কৰিবলৈ তলত দিয়া ধৰণে খাজনা, সুদ আৰু মজুৰি নিৰ্দ্ধাৰণ কৰা হৈছিল—
  - **খাজনা ঃ** প্ৰাচীন অৰ্থনৈতিক লেখকসকলে দুটা চৰ্তৰ ওপৰত খাজনাৰ ন্যায্যতা দাবী কৰিছিল। সেই দুটা হ'ল- কৃষিযোগ্য উৰ্বৰ ভূমিৰ অপ্ৰাচুৰ্যতা আৰু উৎপাদনশীলতা।
  - **সুদ ঃ** বন্ধকী হিচাপে ৰখা সম্পত্তিৰ ওপৰত সুদৰ অনুমোদন জনোৱা নহৈছিল। কৌটিল্যই সুদৰ এটা নিয়ম বান্ধি দিয়াৰ পক্ষে আছিল আৰু সাধাৰণতে নিয়ম অনুসৰি ১৫ শতাংশ হ'ল ন্যায়সংগত সুদৰ হাৰ।
  - **মজুৰি ঃ**প্ৰাচীন চিন্তাবিদসলে শ্ৰমৰ মৰ্যদাক স্বীকৃতি দিছিল। তেওঁলোকে শ্ৰমৰ যথোপযুক্ত যোগানৰ বাবে বিভিন্ন উদগণিমূলক ব্যৱস্থাৰো অনুমোদন কৰিছিল।

  তেতিয়াৰ দিনত বিতৰণৰ দুটা নীতি তলত দিয়া ধৰণৰ আছিল—
    - প্ৰত্যেকজন শ্ৰমিকে উৎপাদকতাৰ নীতিমতে মজুৰি (পুৰস্কাৰ) পাব লাগিব।
    - মজুৰি বা পুৰস্কাৰ শ্ৰমিকজনৰ ব্যক্তিগত আৰু মানৱীয় প্ৰয়োজনৰ প্ৰতি লক্ষ্য ৰাখিব।
- **ব্যক্তিগত সম্পত্তি ঃ** স্থাৱৰ আৰু অস্থাৱৰ দুয়োধৰণৰ ধৰণৰ সম্পত্তিৰ মালিকীস্বত্বৰ ব্যৱস্থা আছিল। ভূমিৰ ওপৰত থকা অধিকাৰ হস্তান্তৰযোগ্য আৰু বিক্ৰীযোগ্য ও স্থায়ী প্ৰকৃতিৰ আছিল কিন্তু এনে অধিকাৰ ভূমিৰ দ্বাৰা নিৰ্দ্ধাৰিত বিধিৰ অধীন।
- **ৰাজস্ব অৰ্থনীতি ঃ** সকলোবোৰ ৰাজ্যক প্ৰশাসনিক ব্যয়, প্ৰতিৰক্ষা ব্যয় ইত্যাদিৰ বাবে যথেষ্ট পৰিমাণৰ ৰাজহৰ প্ৰয়োজন হৈছিল। প্ৰাচীন কালত ৰাজহৰ প্ৰধান উৎসসমূহ হ'ল— ভূমি কৰ, সীমা শুল্ক আৰু আবকাৰী শুল্ক, লৱণ কৰ, একচেটিয়া অধিকাৰ আৰু সম্পত্তি কৰ, জৰিমণা, চৰকাৰৰ অধীনৰ কল কাৰখানাৰ মুনাফা, মাদক দ্ৰব্য বিক্ৰী, ৰাজকীয় জুৱা খেলৰ পৰা হোৱা আয়, বন্দৰৰ মাচুল আৰু নগৰত বিক্ৰী কৰিবলৈ অনা মালৰ মাচুল।

আজিৰ যুগত কৰ বুলিলে এখন দেশৰ জনসাধাৰণে চৰকাৰক পৰিশোধ কৰা বাধ্যতামূলক ৰৰঙনি। অন্যহাতে প্ৰাচীন কালত উপযুক্ত কাৰণত আৰু উপযুক্ত সময়ত খৰছ কৰিবৰ কাৰণে সংগ্ৰহ কৰা ৰৰঙনিকে কৰ বুলি গণ্য কৰা হৈছিল। জনসাধাৰণৰ প্ৰতি থকা কৰ্তব্য পালনৰ বাবে ৰজাক পৰিশোধ কৰা ৰৰঙনিয়েই হ'ল কৰ। কৰ আৰোপ কৰা সময়ত কৰ্তৃপক্ষই দুটা নীতি অনুসৰণ কৰিছিল।

- কৰ বহুৰত এবাৰে আৰোপ কৰিব লাগে।
- কৰ দাতাৰ সামৰ্থ্য অনুযায়ী কৰ আৰোপ কৰিব লাগে। কৌটিল্যই কৰৰ তিনি প্ৰকাৰৰ আয়ৰ উপাৰ্জনৰ কথা উল্লেখ কৰিছে-
  - দেশত উৎপাদন হোৱা দ্ৰব্যৰ ওপৰত আৰোপিত কৰ;
  - মূলধনী দ্ৰব্যৰ ওপৰত আৰোপিত কৰ;
  - আমদানি আৰু ৰপ্তানিকৃত দ্ৰব্যৰ ওপৰত আৰোপিত কৰ।

- **অর্থনীতি ঃ** কৌটিল্যৰ সময়ছোৱাত কৃষি কার্য্যই অর্থনীতি এখন বহন কৰিছিল। বিভিন্ন ধৰণৰ শস্য যেনে— ঘেহু, ধান আৰু যব খেতি কৰা হৈছিল। সেই সময়ত কেন্দ্ৰীয়কৃত ৰাজ্যসমূহ গাঁওবাসীৰ উৎপাদনৰ উদ্ধৃতিৰ সহায়ত ঠন ধৰি উঠিছিল। সেই সময়ছোৱাত বিশেষকৈ ৰজাক বালি আৰু পুৰোহিতক দানা উপহাৰ প্ৰদানৰ জৰিয়তে অর্থনৈতিক বিনিময় হৈছিল। পশু আৰু সোণ মুদ্ৰাৰ একক হিচাপে ব্যৱহাৰ কৰা হৈছিল। অন্যহাতে কিছুমান বন্দনাত সোণৰ কথা উল্লেখ থাকিলেও পইচাৰ ব্যৱহাৰৰ কোনো উল্লেখ পোৱা নাযায়। কাঠমিস্ত্ৰী, মৃতশিল্প, চামৰাৰ কাম, গহনা, জ্যোতিষ শাস্ত্ৰ আৰু কাপোৰ বোৱা ইত্যাদি নতুন বৃত্তিসমূহ আৰম্ভ হৈছিল।



অগ্ৰগতি নিৰীক্ষণ

১ নং প্ৰশ্ন ঃ কৌটিল্যৰ ভোগৰ ওপৰত দিয়া ধাৰণাটো সংক্ষিপ্তভাৱে ব্যাখ্যা কৰক। (৫০ টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

.....

.....

.....

.....

.....

২ নং প্ৰশ্ন ঃ কৌটিল্যৰ শ্ৰম আৰু ভূমিৰ ওপৰত দিয়া ধাৰণাখিনিৰ ওপৰত আলোকপাত কৰক। (২০ টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

.....

.....

৩ নং প্ৰশ্ন ঃ কৌটিল্যৰ দৃষ্টিত বিতৰণৰ মূল সমস্যাটো উল্লেখ কৰক। (৩০ টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

.....

.....

.....

৪ নং প্ৰশ্ন ঃ প্ৰাচীন ভাৰতৰ ৰাজস্ব অৰ্থনীতিৰ ওপৰত চমুকৈ লিখক। (৫০ টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

.....

.....

.....

.....

.....

৫ নং প্ৰশ্ন ঃ কৌটিল্যই বৰ্ণনা কৰা সম্পদৰ ধাৰণাটো ব্যাখ্যা কৰক। (৭০ টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

.....

.....

.....

.....

.....



২.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- গ্ৰাম্য উন্নয়ন, কৃষি আৰু খাদী উদ্যোগত অৰ্থশাস্ত্ৰই নিৰূপণ কৰা গুৰুত্বৰ সম্পূৰ্ণ বিপৰীতে ভাৰতবৰ্ষৰ সাম্প্ৰতিক সামাজিক অৱস্থাত এই ক্ষেত্ৰসমূহ সম্পূৰ্ণ উপেক্ষিত।
- আজিৰ ভাৰতবৰ্ষই অৰ্থনৈতিক প্ৰশাসনৰ ক্ষেত্ৰত কৌটিল্যৰ অৰ্থশাস্ত্ৰৰ পৰা শিক্ষা লাভ কৰিব পাৰি।
- যিসমূহ ৰাজহুৱা উদ্যোগে লোকচান ভৰিব লগা হৈছিল তাৰ বিষয়াসমূহক কঠোৰ জৰিমণা বিহাৰ আৰু যিসমূহে মুনাফা আৰ্জিছিল তাৰে বিষয়াসমূহক পুৰস্কৃত কৰাৰ পৰামৰ্শ কৌটিল্যই আগবঢ়াইছিল। এখন দেশৰ প্ৰশাসন পৰিচালনাত কৌটিল্যৰ আঁচনি মৰ্মে মুনাফা আছিল বাধ্যতামূলক।
- কৌটিল্যৰ ৰাজ্যত য'ত ৰজাক প্ৰজাসকলে প্ৰতিদিনে কমেও এক ডেৰ ঘণ্টা লগ পোৱাৰ ব্যৱস্থা আছিল। অৰ্থশাস্ত্ৰত লিপিবদ্ধ মূল নীতি আৰু ব্যৱস্থাসমূহ বিশেষকৈ বাজেট, হিচাপ আৰু হিচাপ পৰিদৰ্শনৰ বিষয়সমূহ আজিৰ যুগৰ ভাৰতবৰ্ষতো প্ৰযোজ্য।

- কৌটিল্যৰ ৰাজ্যত যিমানে উচ্চপদস্থ বিষয়া নহওক কিয় দুর্নীতিপৰায়ণ বিষয়াসমূহক ৰজাই কঠোৰভাৱে শাস্তি প্রদান কৰিব পাৰিছিল।
- কৌটিল্যই তেওঁৰ অতি গুৰুত্বপূর্ণ উপদেশত প্রমাণিত কৰিছিল যে— প্রশাসন, ৰাষ্ট্র, ৰাজনীতি আৰু উন্নয়ন মানৰ কল্যাণৰ লগত জড়িত হ'ব লাগিব।
- উল্লেখনীয়ভাৱে সাম্প্রতিক কালত আব্রাহাম লিংকনে কৈছিল গণতন্ত্র হৈছে — "জনসাধাৰণৰ বাবে, জনসাধাৰণৰ দ্বাৰা আৰু জনসাধাৰণৰ চৰকাৰ।" অর্থশাস্ত্রত প্রতিধ্বনিত হৈ ৰোৱা সেই বিষয়সমূহ আজিও প্রযোজ্য আৰু উন্নয়ন সাধনৰ বাবে এই নীতিসমূহ বাহাল থাকিব লাগিব।

২.৬ অধিক জানিবলৈ

1) Rangarajan, L.N. (1987). *The Arthashastra (Introduction).* New Delhi: Penguin Books.
2) Sen, R.K. and Basu, R.L. (2006). *Economics in Arthashastra.* New Delhi: Deep & Deep Publications.
3) Thomas, T.(2012). *Arthashastra: The Science of Wealth.* Penguin.

২.৭ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ বৈদিক যুগত আদর্শ ভোগকার্য্যৰ আৰম্ভণিয়েই হৈছে জীৱনৰ চাৰিটা লক্ষ্য যেনে — ধর্ম, কাম, অর্থ আৰু মোক্ষ। মানৰ আচৰণ অন্যান্যৰ লগতে ভোগবাদ, বস্তুনিষ্ঠতা আৰু ধর্মীয় আদর্শৰ দ্বাৰা প্রভাৱিত হয় আৰু এজন ব্যক্তি পৰিয়াল আৰু সম্প্রদায়ৰ অধীন। ভোগৰ ক্ষেত্রত, এটা পৰিয়ালক অর্থনৈতিক গোট হিচাপে বিবেচনা কৰা হয়। কৌটিল্যৰ মতে আর্থিক ভাৱে সক্ষম ব্যক্তিয়ে যদি সন্তান, পিতৃ-মাতৃ, পত্নী আৰু অবিবাহিত আৰু বিধবা ভনীয়েকক পৰিচর্য্যা নকৰে, তেওঁ শাস্তি পোৱা উচিত।

২ নং প্রশ্নৰ উত্তৰ ঃ ভূমিক সকলো সম্পদৰ উৎস হিচাপে বিবেচনা কৰা হৈছিল যাৰ বাবে ৰজাইও কেতিয়াবা নিজৰ প্রাণ বিসর্জন দিবলগা হৈছিল। শ্রমক অতি সুন্দৰকৈ গুৰুত্ব আৰোপ কৰা হৈছিল আৰু যিজন শ্রমিকে নিজৰ উদ্দেশ্যত সফল হ'ব পৰা নাছিল এইজন শ্রমিকক অনুৎপাদনশীল বুলি কোৱা হৈছিল।

৩ নং প্রশ্নৰ উত্তৰ ঃ কৌটিল্যৰ দৃষ্টিত বিতৰণৰ ধাৰণাটো সম্পদ আৰু সম্পত্তিৰ বিতৰণত থকা অসমতা দূৰ কৰি ব্যক্তিগত আৰু সংঘাতপূর্ণ মালিকীস্বত্ব নসাৎ কৰি সমবিকাশ সাধন কৰা আৰু ন্যায়সংগতভাৱে মজুৰি, খাজনা, সুদ আৰু মুনাফাৰ নির্দ্ধাৰণ নিশ্চিত কৰা।

৪ নং প্রশ্নৰ উত্তৰ ঃ প্রাচীন কালত ৰাজহৰ প্রধান উৎসসমূহ হ'ল— ভূমি কৰ, সীমা শুল্ক আৰু আবকাৰী শুল্ক, লৱণ কৰ, একচেটিয়া অধিকাৰ আৰু সম্পত্তি কৰ, জৰিমণা, চৰকাৰৰ অধীনৰ কল কাৰখানাৰ মুনাফা, মাদক দ্রব্য বিক্রী, ৰাজকীয় জুৱা খেলৰ পৰা হোৱা আয়, বন্দৰৰ

মাচুল আৰু নগৰত বিক্ৰী কৰিবলৈ অনা মালৰ মাচুল। প্ৰাচীন ভাৰতবৰ্ষত অৰ্থনীতিবিদসকলে উপযুক্ত কাৰণত আৰু উপযুক্ত সময়ত খৰচ কৰিবৰ কাৰণে সংগ্ৰহ কৰা ধনিকে কৰ বুলি গণ্য কৰিছিল। জনসাধাৰণৰ প্ৰতি থকা কৰ্তব্য পালনৰ বাবে ৰজাক পৰিশোধ কৰা ধনিয়েই হ'ল কৰ।

কৌটিল্যই কৰৰ তিনি প্ৰকাৰৰ আয়ৰ উপাৰ্জনৰ কথা উল্লেখ কৰিছে—

- দেশত উৎপাদন হোৱা দ্ৰব্যৰ ওপৰত আৰোপিত কৰ;
- মুলধনী দ্ৰব্যৰ ওপৰত আৰোপিত কৰ;
- আমদানি আৰু ৰপ্তানিকৃত দ্ৰব্যৰ ওপৰত আৰোপিত কৰ।

৫ নং প্ৰশ্নৰ উত্তৰ ঃ বৈদিক যুগত চাৰিটা গুণ যেনে— বিষয়নিষ্ঠতা, ভোগযোগ্যতা, যথোপযুক্ততা আৰু হস্তান্তৰযোগ্যতা অন্তনিৰ্হিত হৈ থকা যিকোনো বস্তুকে সম্পদ বুলি বিবেচনা কৰা হৈছিল। কৌটিল্যই সম্পদ শব্দটো বহুল অৰ্থত ব্যৱহাৰ কৰিছিল আৰু মুদ্ৰা, সম্পত্তি, মূল্যবান ধাতু আনকি অৰণ্যও ইয়াৰ অন্তভুৰ্ক্ত। অৰ্থশাস্ত্ৰৰ মতে সম্পদ চূড়ান্ত নহয় বৰঞ্চ সি জীৱনৰ পুৰুষাৰ্থ সাধনৰ এক অন্যতম উপায়। তেওঁ প্ৰকাশ কৰিছিল যে সম্পদ এপদ দুপদকৈ আহৰণ কৰিব লাগে যাৰ বাবে সঞ্চয় নিতান্তই প্ৰয়োজনীয়। সম্পদ ব্যক্তি আৰু ৰাষ্ট্ৰৰ উভয়ৰ বাবে আৱশ্যক। কৌটিল্যই প্ৰকাশ কৰিছিল যে সম্পদ এজন ব্যক্তিৰ কাৰণে উপকাৰী যদিহে ইয়াক উপযুক্তভাৱে ব্যৱহাৰিত হয় এগৰাকী সু-স্ত্ৰী, এজন পুত্ৰ, এজন বন্ধু প্ৰতিপালন কৰা অথবা দাতব্য অনুষ্ঠানত দান দিয়াত। এখন দেশৰ সামাজিক গাঁথনি পৰিচালনা কৰা আৰু দেশখনৰ অনুষ্ঠান-প্ৰতিষ্ঠানসমূহ পৰিচালনাত সম্পদ ব্যৱহাৰিত হয়। আত্ম প্ৰকাশ, আত্মসন্তুষ্টি আৰু আত্ম উপলব্ধিৰ সুবিধাৰে সমাজৰ প্ৰত্যেকজন ব্যক্তিৰ স্বাচন্দ্যকৈ জীৱনটো পৰিচালনা কৰিবৰ বাবে সম্পদে সুযোগ আৰু মাধ্যম প্ৰদান কৰে আৰু এজন ব্যক্তিক অৱশেষত মুক্তি প্ৰাপ্তিত সহায় কৰে।

২.৮ আৰ্হি প্ৰশ্ন

চুটি প্ৰশ্ন (১৫০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

১ নং প্ৰশ্ন ঃ কৌটিল্যৰ অৰ্থশাস্ত্ৰৰ ওপৰত এটা টোকা লিখক।

২ নং প্ৰশ্ন ঃ অৰ্থশাস্ত্ৰই কিহৰ মাজত সমতা স্থাপন কৰে?

৩ নং প্ৰশ্ন ঃ বাণিজ্যৰ ওপৰত কৌটিল্যৰ ধাৰণাসমূহ চমুকৈ ব্যাখ্যা কৰক।

ৰচনাধৰ্মী প্ৰশ্ন (৩০০-৫০০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

১ নং প্ৰশ্ন ঃ কৌটিল্যৰ অৰ্থশাস্ত্ৰৰ বৈশিষ্ট্যসমূহ আলোচনা কৰক।

২ নং প্ৰশ্ন ঃ অৰ্থনীতি, সম্পদ আৰু ৰাজস্ব অৰ্থনীতিৰ ওপৰত কৌটিল্যৰ দৃষ্টি ব্যাখ্যা কৰক।

৩ নং প্ৰশ্ন ঃ কৌটিল্যৰ মতে সম্পদ কাৰ বাবে প্ৰয়োজনীয় আৰু কি কি কাৰণত?

*** ***** ***

অধ্যায় গাঁথনি

৩.১ উদ্দেশ্য

৩.২ পৰিচয়

৩.৩ দাদাভাই নৌৰজী

৩.৩.১ জীৱন পৰিচয়

৩.৩.২ সম্পদ নির্গত তত্ত্ব

৩.৩.৩ সমালোচনা

৩.৩.৪ দীর্ঘকালীন প্রাসংগিকতা

৩.৪ মহাদেৱ গোবিন্দ ৰাণাডে

৩.৪.১ জীৱন পৰিচয়

৩.৪.২ দৰিদ্রতা আৰু ঔদ্যোগীকৰণ

৩.৪.৩ কৃষি নীতি

৩.৪.৪ ৰেলখণ্ডত বিনিয়োগ

৩.৪.৫ অর্থবিজ্ঞানৰ বিশ্লেষণ পদ্ধতি

৩.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৩.৬ অধিক জানিবলৈ

৩.৭ অগ্রগতিৰ খতিয়ান

৩.৮ আৰ্হি প্রশ্ন

৩.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি -

- ভাৰতবর্ষৰ দুজন মহান জাতীয়তাবাদী নেতাৰ ভাৰতীয় অর্থনৈতিক ভাৱধাৰাৰ ইতিহাসলৈ অৱদান সম্পর্কে জানিব পাৰিব
- সম্পদ নির্গত তত্ত্বৰ অন্তঃনিহিত বিষয় সম্পর্কে ধাৰণা লাভ কৰিব পাৰিব
- সম্পদ প্রবাহৰ বিপক্ষে মতামত আৰু দীর্ঘকালীন পটভূমিত এই তত্ত্বৰ প্রাসংগিকতা সম্পর্কে জানিব পাৰিব
- ৰাণাডে দৰিদ্রতা, ঔদ্যোগীকৰণ, ৰেলখণ্ডত বিনিয়োগ আৰু অর্থনৈতিক বিশ্লেষণ পদ্ধতি সম্পর্কে আগবঢ়োৱা ধাৰণাসমূহ বুজিব পাৰিব।

৩.২ পৰিচয়

সমগ্র ব্রিটিছ শাসনৰ কালছোৱাত ভাৰবর্ষ অতি শোচনীয় দৰিদ্র অৱস্থালৈ পর্যবসিত

হৈছিল। এই সময়ছোৱাত ভাৰতবৰ্ষ এক স্থবিৰ অৰ্থনীতিৰ জলন্ত উদাহৰণ আছিল। চিন্তাশীল ভাৰতীয় নেতাসকলে যেনে দাদাভাই নৌৰজী, আৰ. চি দত্ত, মহাদেৱ গোৰিন্দ ৰাণাডে, গোপালকৃষ্ণ গোখলে আদিয়ে ভাৰতৰ দৰিদ্রতাক অধ্যয়ন কৰিছিল আৰু তেওঁলোক এই অধ্যয়নৰ গভীৰতালৈ সোমায় যোৱাত একো আচৰিত হ'বলগীয়া নাছিল। এই সমস্যাৰ সম্পৰ্কত তেওঁলোকে কিছু পৰামৰ্শও আগবঢ়াইছিল। এই অধ্যায়টিত আমি দাদাভাই নৌৰজী আৰু ৰাণাডেৰ ভাৰতীয় অৰ্থনৈতিক চিন্তাধাৰালৈ অৱদান সম্পৰ্কে আলোচনা কৰিম।

৩.৩ দাদাভাই নৌৰজী (১৮২৫-১৯১৭)

৩.৩.১ জীৱন পৰিচয়

দাদাভাই নৌৰজী 'ভাৰতৰ গ্ৰেণ্ড ওল্ড মেন' (The Grand old Man of India) হিচাপে জনপ্রিয় আছিল। তেওঁ বহুক্ষেত্রত প্রথম হিচাপে পৰিগণিত হৈছিল- ব্রিটিছ সংসদৰ এছীয় সাংসদ, বোম্বেৰ এলফিনষ্টোন কলেজৰ ভাৰতীয় অধ্যাপক, ৰয়েল কমিচনৰ ভাৰতীয় সদস্য আৰু সর্বোপৰি প্রথম ভাৰতীয় যিয়ে জনমূৰি আয় গণনা কৰিছিল। ১৮৮৬ চনত নৌৰজীয়ে ভাৰতীয় জাতীয় কংগ্রেছৰ সভাপতিৰ আসন শুৱনি কৰিছিল। তদুপৰি তেওঁ এ, ও, হিউম (A.O Hume) আৰু ডি, ই, ৰাছা (D.E Wacha)ৰ লগত ভাৰতীয় জাতীয় কংগ্রেছৰ প্রতিষ্ঠাতা হিচাপে পৰিগণিত হৈছিল।

৩.৩.২ সম্পদ নির্গত তত্ত্ব

ভাৰতীয় জাতীয়তাবাদী চিন্তাবিদসকলে ভাৰতবৰ্ষৰ দৰিদ্রতাৰ কাৰণসমূহ বিশ্লেষণ কৰিবৰ বাবে সম্পদ নির্গত / প্রবাহ তত্ত্বৰ ধাৰণাটো অৱতাৰণা কৰিছিল। এই প্রৱাহে ইংলেণ্ডলৈ স্থানান্তৰিত ৰপ্তানিৰ ৰাহিক বুজাইছে। এই তত্ত্বটি দাদাভাই নৌৰজীয়ে তেওঁৰ গ্রন্থ 'Poverty and Un-British Rule in India' শীর্ষক গ্রন্থখনিত সন্নিৰিষ্ট কৰিছিল। এই তত্ত্বৰ জৰিয়তে নৌৰজীয়ে ভাৰতস্থ ব্রিটিছ চৰকাৰৰ শোষণমূলক নীতিয়ে ইয়াৰ দৰিদ্রতাৰ প্রধান অন্তৰায় বুলি দাবী কৰিছিল।

সম্পদ প্রৱাহৰ কাৰণ ঃ নৌৰজীয়ে ভাৰতৰ পৰা ইংলেণ্ডলৈ সম্পদ প্রৱাহৰ ক্ষেত্রত নিম্ন উল্লেখিত পথসমূহৰ কথা উল্লেখ কৰিছে -

- ভাৰতত কৰা সঞ্চয়ৰ পৰা এটা বৃহৎ অংশ ইউৰোপীয় বিষয়া কর্মচাৰীসকলে নিজৰ পৰিয়ালক পোহ-পাল দিবলৈ আৰু সন্তানৰ শিক্ষা-দীক্ষাৰ ক্ষেত্রত সহায় হ'বলৈ ইংলেণ্ডলৈ প্রেৰণ কৰিছিল।
- ভাৰতবৰ্ষৰ বিভিন্ন উদ্যোগত কর্মৰত ইউৰোপীয় বিষয়া-কর্মচাৰীসকলে সঞ্চয়ৰ এটা অংশ নিজ দেশলৈ প্রেৰণ কৰিছিল। কিয়নো তেওঁলোকে মুনাফাৰ এটা অংশ

ভাৰততকৈ নিজ দেশতহে বিনিয়োগ কৰিবলৈ আগ্ৰহী আছিল।

- ব্ৰিটিছ কৰ্মচাৰীসকলৰ ব্ৰিটেইনত উৎপাদিত সামগ্ৰীৰ ক্ৰয় আৰু উপভোগৰ বাবে।
- ব্ৰিটেইনত চৰকাৰী ঋণৰ ওপৰত সুদ পৰিশোধ কৰিবৰ বাবে (ৰেলখণ্ড আৰু অন্যান্য উৎপাদনশীল কাৰ্য্যৰ ঋণৰ ওপৰত পৰিশোধ ব্যয়ক বাদ দি)

এই কাৰকসমূহৰ উপৰিও ভাৰতৰ পৰা ইংলেণ্ডলৈ সম্পদ প্ৰৱাহৰ বাবে জগৰীয়া আছিল 'গৃহ ব্যয়'ৰ প্ৰতিশ্ৰুতি। এনে গৃহ ব্যয়ে সামৰি লৈছিল ইংলেণ্ডত ৰেলখণ্ড আৰু জলসিঞ্চনত চৰকাৰী ঋণৰ ওপৰত তুলনামূলকভাৱে বৰ্দ্ধিত বছৰেকীয়া সুদ আৰু ৰাজহুৱা খণ্ডত নিয়োজিত ইউৰোপীয়সকলৰ বেতনক। গৃহ ব্যয়ে ভাৰতত কৰ্মৰত ইংৰাজ কৰ্মচাৰীসকলৰ কাৰ্য্যালয় ব্যয়কো সামৰি লৈছিল। লগতে ভাৰতবৰ্ষৰ বাবে কাম কৰি ইংলেণ্ডত অৱসৰ গ্ৰহণ কৰা ইংৰাজ সকলোকে এনে ব্যয়ে সামৰি লৈছিল। ভেৰা অষ্ট্ৰে নামে লণ্ডন স্কুল অৱ ইকনমিচৰ লগত জড়িত এজন ব্ৰিটিছ অৰ্থনীতিবিদে এই গৃহ ব্যয় বছৰি ৩৫ নিযুত পাউণ্ড হিচাপে ধাৰ্য কৰিছিল।

নৌৰজীয়ে তেওঁৰ প্ৰৱাহ তত্ত্বটো কিছুমান পৰিসংখ্যামূলক তথ্যৰ সহায়ত উপস্থাপন কৰিছিল। ১৮৩৫ আৰু ১৮৭২ চনৰ ভিতৰৰ সময়ছোৱাত তেওঁ আমদানি আৰু ৰপ্তানিৰ তথ্যসমূহ নিৰীক্ষণ কৰি আঙুলিয়াই দেখুৱাইছিল যে ৰপ্তানিৰ মূল্য আমদানিৰ মূল্যতকৈ ৫০০ নিযুত পাউণ্ড বৃদ্ধি পাইছিল। এই প্ৰৱাহ আৰু অধিক বৃদ্ধি পালোহেঁতেন যদি এই মূল্যৰ লগত সুদৰ পৰিমাণো যোগ কৰা হ'লহেঁতেন।

৩.৩.৩ সমালোচনা

সম্পদ নিৰ্গত / প্ৰৱাহ তত্ত্বটো কিছুসংখ্যক ব্ৰিটিছ লেখকে নিম্ন উল্লেখিত পটভূমিত সমালোচনা কৰিছে-

- ৰেলখণ্ড আৰু জলসিঞ্চনৰ লগত জড়িত কৰ্ম আৰু মজুতকৰণৰ ওপৰত হোৱা ব্যয়ক প্ৰৱাহ হিচাপে ধৰা নহয়।
- সমালোচকসকলে যুক্তি দৰ্শাইছে যে - "ঋণৰ সহায়ত দ্ৰব্য বস্তু অথবা স্থায়ী সম্পত্তি যিমান পৰ্যায়লৈকে আহৰণ কৰা হয়, এনে ব্যয়ক প্ৰৱাহ হিচাপে অভিহিত কৰিব পৰা নাযায়"।
- মৰিছনৰ মতে, বৃটিছৰ মূলধন ব্যয়ৰে প্ৰতিষ্ঠা কৰা ৰেল ব্যৱস্থা, জলসিঞ্চন, চাহখেতি আৰু মৰাপাট উদ্যোগ নিশ্চয়কৈ এনে অৰ্থত উৎপাদনশীল যে এইবোৰ বিদেশী মূলধনে জাতীয় আয়ৰ বৃদ্ধি সম্ভৱপৰ কৰি তুলিছে।
- জনচেৰেক বিদেশী লিখকেও মন্তব্য কৰিছে যে - "ইংৰাজৰ সেৱা আগবঢ়োৱা অথবা ইংৰাজৰ মূলধন ব্যয় কৰাৰ বাহিৰে ইংলেণ্ডে বিনিময়ত ভাৰতৰ পৰা একো পোৱা নাই"।
- পুণাৰ ফাৰগুচন কলেজৰ অৰ্থনীতিৰ অধ্যাপক, এজন জাতীয়তাবাদী নেতা

গোপালকৃষ্ণ গোখলেইও শোষণ তত্ত্বটো সমালোচনা কৰিছে। তেওঁৰ মতে এইটো সঠিক নহয়, যিটো চিন্তা নকৰাকৈয়ে গৃহ ব্যয়ক ভাৰতৰ পৰা সম্পদ নিৰ্গত হোৱা এটা উপায়ৰূপে বিবেচনা কৰাটো নিন্দনীয়। ৰেলখণ্ড, চাহ উদ্যোগ, নীল উদ্যোগত মূলধন ব্যয় ইত্যাদি কিছুমান উন্নয়নশীল কৰ্মত এইখিনি পৰিশোধ কৰা হৈছে।

- বি.চি. চেটার্জী নামৰ এজন ভাৰতীয় লিখকে মন্তব্য কৰিছে যে ভাৰতৰ পৰা বৃটেইনলৈ সম্পদৰ প্ৰৱাহে ভাৰতত দৰিদ্ৰতা বৃদ্ধি নকৰে। তেওঁ যুক্তি দৰ্শাইছে যে ভাৰতত সম্পদ, বিশেষকৈ বেংগলত বৃটিছৰ সুপ্ৰশাসনৰ বাবে বৃদ্ধি হৈছে।

এইবোৰ সমালোচনাৰ সত্বেও ভাৰতীয় জাতীয়বাদী নেতাসকলে মন্তব্য কৰে যে সম্পদ প্ৰৱাহ ক্ষতিকাৰক, প্ৰধানকৈ ই উৎপাদনমুখী মূলধনৰ বিলুপ্তিৰ কাৰণ হৈ পৰে। নৌৰজীৰ বিশ্লেষণত মুখ্যভাৱে ইয়াৰ ওপৰত গুৰুত্ব প্ৰদান কৰা হৈছে আৰু ইয়ে তেওঁৰ সম্পদ নিৰ্গত তত্ত্বৰ সাৰভাগ গঠন কৰিছে।

৩.৩.৪ দীৰ্ঘকালীন প্ৰাসংগিকতা

নৌৰজীয়ে আগবঢ়োৱা তেওঁৰ সম্পদ নিৰ্গত তত্ত্বটো সমালোচনাৰ পৰা মুক্ত নহয়। কিন্তু ইয়াৰ দীৰ্ঘকালীন প্ৰাসংগিকতা উলাই কৰিব নোৱাৰি। ভাৰতৰ পৰা ইংলেণ্ডলৈ প্ৰৱাহিত বৃহৎ পৰিমাণৰ সম্পদ আৰু মূলধনে ইংলেণ্ডৰ জনসাধাৰণৰ জীৱন ধাৰণৰ মানদণ্ড উন্নত কৰি তুলিছে। ১৭৫০ চনৰ পাছত এই প্ৰৱাহে ইংলেণ্ডৰ কৃষি আৰু উদ্যোগখণ্ডত বিনিয়োগ বৃদ্ধিত সহায় কৰিছিল। এনেদৰেই ইংৰাজৰ অৰ্থনৈতিক উন্নয়নৰ ভেঁটি গঢ় লৈ উঠিছিল।

ইয়াৰ বিপৰীতে ভাৰতীয় অৰ্থনীতিৰ ওপৰত ভাৰতৰ পৰা সম্পদ নিৰ্গত হোৱাৰ প্ৰভাৱে ইয়াৰ জনসাধাৰণক বিপদগ্ৰস্থ কৰিছিল। ওঠৰ আৰু উনৈছ শতিকাত ভাৰতৰ অৰ্থনীতি স্থবিৰ হৈ পৰাৰ ইয়ে প্ৰধান কাৰণ আছিল। দাদাভাই নৌৰজীয়ে যুক্তি দৰ্শাইছিল যে ভাৰতৰ পৰা হোৱা সম্পদ প্ৰবাহে ভাৰতৰ দৰিদ্ৰতাৰ মুখ্যতম আনকি একমাত্ৰ কাৰণ। অন্যান্য জাতীয়তাবাদী নেতা সকলেও মত পোষণ কৰে যে ভাৰতৰ পৰা হোৱা সম্পদ প্ৰবাহে ভাৰতৰ নিয়োগ ক্ষেত্ৰ আৰু আয়ৰ সমতাত ক্ষতিকাৰক প্ৰভাৱ পেলায়।

জে, ভি, যোশী (G.V.Joshi) ৰ মতে সম্পদৰ শোষণ তথা প্ৰৱাহে দেশখনত ঔদ্যোগীক মন্থৰতাৰ সৃষ্টি কৰে। তেওঁ কৈছে যে "কোনো এটা জাতিয়েই এনে শোষণত সুস্থিৰে পোন হৈ থাকিব নোৱাৰে আৰু এই পৰ্যন্ত ই নিজৰ ঔদ্যোগীক ক্ষেত্ৰখনক খামোচ মাৰি ধৰি আছে"।

আৰ, চি, দত্ত (R.C.Dutta) ই ভাৰতৰ পৰা হোৱা সম্পদ প্ৰবাহ আৰু কৃষকৰ দৰিদ্ৰতাৰ মাজত এটা অনানুষ্ঠানিক যোগসূত্ৰ স্থাপন কৰিছিল। তেওঁ আঙুলিয়াই দেখুৱাইছিল যে শোষণটো হৈছিল প্ৰধানকৈ ভূমি ৰাজহৰ ৰূপত।

ভাৰতীয় জাতীয়তাবাদী নেতাসকলে ধাৰণা কৰে যে ভাৰতীয় অৰ্থনীতিত ভাৰতৰ পৰা হোৱা এনে সম্পদ প্ৰবাহৰ এক সুদুৰপ্ৰসাৰী প্ৰাযঙ্গিকতা আছে। তেওঁলোকে প্ৰধানকৈ আয় আৰু সম্পত্তিৰ ওপৰত, নিয়োগ ক্ষেত্ৰত, মূলধনৰ ওপৰত, উদ্যোগীক উন্নয়নত, বেহা-বেপাৰ সম্পৰ্কত আৰু ভাৰতৰ জনসাধাৰণৰ দৰিদ্ৰতাৰ ক্ষেত্ৰত ইয়াৰ দীৰ্ঘকালীন প্ৰভাৱ লক্ষ্য কৰিছিল।



অগ্ৰগতি নিৰীক্ষণ

১ নং প্ৰশ্ন ঃ সম্পদ নিৰ্গত তত্ব বুলিলে কি বুজা যায় ? (৪০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

.....

.....

.....

.....

২ নং প্ৰশ্ন ঃ তত্বৰ গোখ্‌লেৰ সমালোচনাৰ প্ৰধান বিষয়সমূহ কি আছিল উল্লেখ কৰক। (৪০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

.....

.....

.....

.....

৩.৪ মহাদেৱ গোৱিন্দ ৰাণাডে (১৮৫২-১৯০১)

৩.৪.১ জীৱন পৰিচয়

১৮৪২ চনৰ ১৮ জানুৱাৰীৰ দিনা নাছিকত মহাদেৱ গোৱিন্দ ৰাণাডেই জন্ম গ্ৰহণ কৰে। ১৮৬৫ চনত তেওঁ বম্বে বিশ্ববিদ্যালয়ত অৰ্থনীতিৰ প্ৰবক্তা হিচাপে কৰ্ম জীৱন আৰম্ভ কৰে। পাছত তেওঁ কেইবছৰমান ওকালতিৰ লগত জড়িত হৈ পৰে। ইয়াৰ পাছত তেওঁ ন্যায়ালয়ৰ কৰ্মত যোগদান কৰি ১৮৯৩ চনত বম্বে উচ্চ ন্যায়ালয়ত এজন ন্যায়াধীশ ৰূপে নিযুক্তি লাভ কৰে। সেই পদত তেওঁ ১৯০১ চনলৈকে মৃত্যু পৰ্যন্ত বাহাল থাকে।

ৰাণাডে আছিল এজন মহান ভাৰতীয় পণ্ডিত, জাতীয়তাবাদী আৰু সমাজ সংস্কাৰক। এজন অৰ্থনীতিবিদ হিচাপে তেওঁ আছিল ভাৰতীয় ৰাজনৈতিক অৰ্থনীতিৰ মূল হোতা। ১৮৯৯ চনত ৰাণাডেয়ে তেওঁৰ মহৎ কৰ্মৰ চানেকী "Essays on Indian Economies" প্ৰকাশ কৰে আৰু ইয়াৰ জৰিয়তে তেওঁ 'ভাৰতীয় অৰ্থনীতিৰ পিতৃ' (The Father of Indian Economics) ৰূপে অভিহিত হয়।

৩.৪.২ দৰিদ্ৰতা আৰু ঔদ্যোগীকৰণ

দৰিদ্ৰতা সম্পৰ্কত ৰাণাডেৰ এক বহল আৰু প্ৰগতিশীল দৃষ্টিভংগী আছিল। তেওঁৰ অৰ্থনৈতিক ভাব ধাৰাসমূহ অৰ্থনৈতিক জাতীয়তাবাদ ৰূপে জনপ্ৰিয়তা লাভ কৰিছিল। জাতীয়তাবাদৰ ধাৰণাৰ ওপৰত ভিত্তি কৰি তেওঁ মন্তব্য আগবঢ়াইছিল যে কেৱল অৰ্থনৈতিক কাৰকেই নহয় ভাৰতৰ দৰিদ্ৰতাৰ কাৰণ সামাজিক ধৰ্মীয় আৰু ৰাজনৈতিক কাৰণো দায়ী। ভাৰতৰ দৰিদ্ৰতা সম্পৰ্কত তেওঁ কেইটামান কাৰণ দেখুৱাইছে, সেইকেইটা হ'ল -

- কৃষিৰ ওপৰত অত্যাধিক নিৰ্ভৰশীলতা,
- শিল্প উদ্যোগৰ ক্ষেত্ৰত অনগ্ৰসৰতা,
- অসংগঠিত আৰু অপৰ্য্যাপ্ত বেংক আৰু ঋণ ব্যৱস্থা,
- ত্ৰুটিপূৰ্ণ ভূমিনীতি।

ৰাণাডেই ভাৰতীয় উদ্যোগৰ বাবে এক ৰক্ষণশীলনীতিৰ পোষকতা কৰিছিল। এইদৰে তেওঁ মুক্ত বাণিজ্য বা মুক্ত বজাৰ অৰ্থনীতিৰ বিৰোধিতা কৰিছিল। তেওঁৰ মতে ভাৰতৰ অৰ্থনৈতিক উন্নয়ন সম্ভৱ হ'ব কেৱল ঔদ্যোগীকৰণ আৰু দেশৰ সক্ৰিয় অংশগ্ৰহণৰ জৰিয়তে। সেয়ে তেওঁ ভাৰতবৰ্ষৰ ঔদ্যোগীক উন্নয়নৰ কাৰণে চৰকাৰে এটা যোগাত্মক নীতি গ্ৰহণ কৰাটো বিচাৰিছিল। নগৰীকৰণ আৰু ঔদ্যোগীকৰণৰ দ্বাৰা কৃষিত জনসংখ্যাৰ হেচাঁ যে কমাব পাৰি সেই সম্পৰ্কতো আনকি তেওঁ যুক্তি দৰ্শাইছিল। নগৰীকৰণে কৃষিৰ উৎপাদনশীলতা অধিক বৃদ্ধিহে কৰে। ভাৰতৰ ঔদ্যোগীক উন্নয়নৰ অৰ্থে তেওঁ নিম্ন উল্লেখিত ব্যৱস্থাৱলী সমূহক পৰামৰ্শৰূপে আগবঢ়াইছিল।

- নগৰীকৰণত উৎসাহ জনাব লাগে,
- দেশে বিস্তৃত কৃষিৰ বাবে প্ৰয়োজনীয় ব্যৱস্থা ল'ব লাগে,
- প্ৰাকৃতিক সুবিধাৰ ওপৰত ভিত্তি কৰি শ্ৰমৰ ৰাষ্ট্ৰীয় বিভাজন পদ্ধতিক অনুৎসাহিত কৰা উচিত,
- যোগাযোগৰ ব্যৱস্থাসমূহ উন্নত হোৱা উচিত।

৩.৪.৩ কৃষি নীতি

ৰাণাডেৰ লিখনীসমূহত ভাৰতৰ কৃষিৰ লগত জড়িত সমস্যাৱলীয়ে গুৰুত্বপূৰ্ণ স্থান দখল কৰিছে। তেওঁ কৃষক, ভূ -স্বামী আৰু ঔপনিৱেশিক দেশৰ মাজৰ সম্পৰ্কৰ ওপৰত অধিক গুৰুত্ব দিছে। তেওঁ কৃষকৰ স্বাধীনতা আৰু বিনিয়োগকাৰী ভূ-স্বামী সকলৰ খোলা মনৰ সপক্ষে মত পোষণ কৰিছিল। তেওঁ ভূমিনীতি পৰিৱৰ্তনৰ অৰ্থে পৰামৰ্শ আগবঢ়াইছিল যিয়ে প্ৰকৃত কৃষক সকলক উপকৃত কৰিব পাৰিব। তেওঁৰ মতে কৃষক সকলৰ কৰ হিচাপে নগদ ধনৰ পৰিৱৰ্তে উৎপাদিত দ্ৰব্য বস্তু পৰিশোধ কৰিবৰ বাবে

অনুমতি দিব লাগে যিটো তেওঁলোকৰ বাবে অধিক সুবিধাজনক। ৰাণাডেই জমিদাৰী আৰু ৰায়তী প্ৰভাৱান্বিত অঞ্চল সমুহত প্ৰচলিত সামন্তবাদী ব্যৱস্থাৰ বিৰোধিতা কৰি তাৰ পৰিবৰ্তে মূলধন সমৃদ্ধ কৃষক সমাজ এখন পুনৰগঠনৰ মত পোষণ কৰিছিল। তেওঁৰ সময়ত চৰকাৰী আয়ৰ আটাইতকৈ দৰকাৰী বিষয়টো আছিল ৰাজহ। কিন্তু ত্ৰুটিযুক্ত ব্যৱস্থাৱলীৰ বাবে চৰকাৰ আৰু কৃষকৰ মাজত এটা বৃহৎ ব্যৱধান আহি পৰিছিল। এই সুবিধাটো গ্ৰহণ কৰি ভূমিপতিসকলে নিৰক্ষৰ কৃষকসকলক শোষণ কৰিবলৈ ধৰিলে। ৰাণাডেই ২০-৩০ বছৰৰ ভিতৰত এটা নিম্নতম সময়ৰ বাবে এটা স্থায়ী ৰায়তী ভূমি বন্দৱস্থ সপক্ষে যুক্তি দৰ্শাইছিল। তেওঁ কৃষি ঋণ পদ্ধতিৰ পুনৰ সংগঠন আৰু কৃষিক্ষেত্ৰত বিত্তীয় সাহায্য আগবঢ়োৱা পুঁজিপতি সকলৰ একোখন সমিতি গঠন কৰাৰ বাবে পৰামৰ্শ আগবঢ়াইছিল।

৩.৪.৪ ৰেলখণ্ডত বিনিয়োগ

যদিও ৰাণাডে ঔপনিবেশিক অৰ্থনীতিৰ এজন ঘোৰ সমালোচক আছিল তথাপি তেওঁ বৃটিছক তেওঁলোকৰ ভাৰতবৰ্ষত কৰা উন্নয়নমূলক কামকাজৰ বাবে প্ৰসংশাও কৰিছিল। ভাৰতবৰ্ষত ৰেলপথ সম্প্ৰসাৰণৰ অৰ্থে বিশেষ উদ্যোগ লোৱাৰ বাবে তেওঁ বৃটিছ চৰকাৰৰ প্ৰসংশা কৰিছিল। যি কি নহওক তেওঁ মন্তব্য কৰিছিল যে চৰকাৰৰ নীতিয়ে ভাৰতীয়ৰ চাহিদাক গুৰুত্ব দিব লাগে। পৰিবহনৰ আন্তঃগাঠনি সবল কৰাতকৈ আধুনিক শিল্প উদ্যোগ উন্নয়নৰ দিশটোতহে মনোনিবেশ কৰা উচিত। ৰাণাডেৰ ভাষাত "যোগাযোগৰ সা-সুবিধাবোৰ নিসন্দেহে আকাংক্ষিত সুবিধা, কিন্তু উন্নত পণ্য উৎপাদন আৰু উদ্যোগৰ বিকাশ সাধন কাৰ্য্য অধিক আনন্দদায়ক। এখন ৰেলগাড়ীয়ে দেশখনৰ এমূৰৰ পৰা আনটো মূৰলৈকে গতি কৰিব পাৰে কিন্তু দেশখনৰ নামত কোনো স্থায়ী সাঁচ বহুৱাব নোৱাৰে"।

৩.৪.৫ অৰ্থবিজ্ঞান বিশ্লেষণ পদ্ধতি

ৰাণাডেই বিভিন্ন দিশৰ পৰা সংস্থাপিত অৰ্থনীতিৰ ধ্যান-ধাৰণা বোৰক বিৰোধিতা কৰিছিল। তেওঁ আছিল বিজ্ঞান মনস্কতাৰ মানুহ। তেওঁ সংস্থাপিত লিখকসকলে গ্ৰহণ কৰা নিগমন (deductive) পদ্ধতিক নাকচ কৰিছিল। বিভিন্ন ইউৰোপীয় জাতিৰ মাজত প্ৰচলিত অৰ্থনৈতিক অৱস্থা সমূহৰ এটা তুলনামূলক অধ্যয়ন কৰি তেওঁ এটা সিদ্ধান্তত উপনীত হৈছিল যে আগমন (inductive) অথবা ঐতিহাসিক পদ্ধতিয়েই উত্তম। আপেক্ষিকতাবাদৰ সূত্ৰৰ ওপৰত তেওঁৰ বিশ্বাস আছিল। তেওঁৰ মতে আপেক্ষিকতাবাদৰ সূত্ৰই যদি সাধাৰণভাৱে ৰাজনীতি আৰু সমাজবিজ্ঞানৰ যোগসূত্ৰ ভালদৰে ধৰি ৰাখিব পাৰে একেদৰেই সমভাৱে সকলো শিশু শিক্ষা সম্পৰ্কীয় বিষয়কে ধৰি বিজ্ঞান বিষয়কো

ধাৰণ কৰিব লাগিব। এইদৰে তেওঁ মন্তব্য আগবঢ়াইছিল যে বিভিন্ন সময়ত বিভিন্ন স্থানত অৰ্থনৈতিক পৰিৱেশ সুকীয়া সুকীয়া হয়। বিশ্বৰ সকলো জাতিৰ কাৰণে কোনো বিশ্বজনীন নীতি বা আইন প্ৰযোজ্য নহয়। তেওঁ ইয়াকো উল্লেখ কৰিছিল যে নিগমন পদ্ধতিতকৈ ঐতিহাসিক পদ্ধতিকহে গ্ৰহণ কৰিব লাগে যিয়ে অতীতৰ সকলো বিষয় সামৰি লয় আৰু ভৱিষ্যতৰো আগজাননী দিয়ে। লগতে সামৰি লয় আপেক্ষিকতা কিন্তু বিমূৰ্ত্ত নহয় আৰু অৰ্থনীতি বিজ্ঞানৰ বৈশিষ্ট্য আৰু সিদ্ধান্তও নিৰ্ণয় কৰিব পাৰে।



অগ্ৰগতি নিৰীক্ষণ

৩ নং প্ৰশ্ন ঃ এম. জি. ৰাণাডেৰ এটি চমু পৰিচয় দিয়ক? (৩০ টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

.....

.....

.....

৪ নং প্ৰশ্ন ঃ ৰাণাডেৰ দৃষ্টিত ভাৰতৰ দৰিদ্ৰতাৰ কাৰণসমূহ কি কি? (৫০ টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

.....

.....

.....

.....

.....



৩.৫ অধ্যায়টোৰ পৰা আমি কি শিকিলোঁ

- ১৮৪৫-১৯১৭ চনৰ ভিতৰত দাদাভাই নৌৰজী এজন মহান জাতীয়তাবাদী ব্যক্তিৰূপে পৰিগণিত হৈছিল। তেওঁ 'ভাৰতৰ গ্ৰেণ্ড ওল্ড মেন' (The Grand old Man of India) ৰূপে জনাজাত আছিল।
- তেওঁৰেই প্ৰথম ভাৰতীয় যি ভাৰতৰ ৰাষ্ট্ৰীয় আয়ৰ এটা হিচাপ মূল্যায়ন কৰা চেষ্টা কৰিছিল।
- নৌৰজী তেওঁৰ প্ৰৱাহ তত্ত্বৰ বাবে এজন অৰ্থনীতিবিদ হিচাপে প্ৰখ্যাত। তেওঁ ব্ৰিটিছ শাসন কালত ভাৰতৰ দৰিদ্ৰতাক এক বৈশিষ্টৰূপে গ্ৰহণ কৰিছিল।
- নৌৰজীৰ মতে সম্পদৰ প্ৰৱাহ বিভিন্ন পথেৰে সংঘটিত হয়। যেনে -
  - ব্ৰিটিছ বিষয়াসকলে তেওঁলোকৰ পৰিয়ালৰ বাবে আৰু নিজৰ সন্তানৰ শিক্ষা-দীক্ষাৰ বাবে বেতনৰ পৰিমান বৃদ্ধি কৰিছিল,
  - এই ধন বেতন অথবা অৱসৰকালীন ভাট্টাৰ ৰূপত গ্ৰহণ কৰিছিল,

- প্ৰেৰিত ধনৰাশি বৃটিছৰ দ্বাৰা উৎপাদিত দ্ৰব্য-সামগ্ৰী ক্ৰয় আৰু উপভোগৰ বাবে খৰছ কৰিছিল,
- চৰকাৰে বৃটেইনত উৎপাদিত সামগ্ৰীৰ মজুত ক্ৰয়ৰ বাবে ব্যৱহাৰ কৰিছিল,
- বৃটেইনত ৰাজহুৱা ঋণৰ ওপৰত সুদ গ্ৰহণ বাহাল ৰাখিছিল।

- এম. জি. ৰাণাডে (১৮৪২-১৯০১) আছিল এজন মহান ভাৰতীয় পণ্ডিত আৰু জাতীয়তাবাদী নেতা। তেওঁ আছিল ভাৰতীয় ৰাজনৈতিক অৰ্থনীতিৰ এজন মেধাবী ভাষ্যকাৰ।
- তেওঁৰেই প্ৰথম ভাৰতীয় যি ৰাজনৈতিক অৰ্থনীতিৰ ওপৰত শৃংখলাবদ্ধভাৱে লিখনী প্ৰকাশ কৰিছিল। সঠিকভাৱেই তেওঁক 'ভাৰতীয় অৰ্থনীতিৰ পিতৃ' ৰূপে অভিহিত কৰা হয়।
- অৰ্থনীতিৰ বিশ্লেষণাত্মক পদ্ধতিৰ ক্ষেত্ৰত ৰাণাডে আছিল ঐতিহাসিক পদ্ধতিৰ এজন শ্ৰেষ্ঠ নায়ক। "অদৃশ্য শক্তি"ৰো তেওঁ আছিল সমৰ্থক।

৩.৬ অধিক জানিবলৈ

1) Bhatia, H.L. (2007). *History of Economic Thought.* New Delhi: Vikash Publishing House.
2) Lokanathan, V. (2010). *A History of Economic Thought.* New Delhi : S Chand & Company Ltd.
3) Paul, R.R. (2008). *History of Economic Thought*. Ludhiana : Kalyani Publishers.

৩.৭ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ সম্পদ নিৰ্গত বা প্ৰবাহ তত্ত্ব এজন ভাৰতীয় জাতীয়তাবাদী দাৰ্শনিকে উদ্ভাৱন কৰিছিল আৰু ভাৰতবৰ্ষৰ দ্ৰৰিদ্ৰতাৰ কাৰণসমূহ তেওঁ বিশ্লেষণ কৰিছিল। প্ৰৱাহে বুজাইছে 'আমদানিতকৈ ৰপ্তানিত অনাৱশ্যকীয় ৰাহি দেখুওৱা যিটো ইংলেণ্ডলৈ হস্তান্তৰিত হয়। প্ৰৱাহ সংজ্ঞাটো নৌৰজীয়ে জনপ্ৰিয় কৰিছিল তেওঁৰ 'Poverty and Un-British rule in India" নামৰ গ্ৰন্থখনিত।

২ নং প্ৰশ্নৰ উত্তৰ ঃ পুণেৰ ফাৰগুচন কলেজৰ অৰ্থনীতিৰ অধ্যাপক তথা এজন জাতীয়তাবাদী নেতা গোপাল কৃষ্ণ গোখলেই 'সম্পদ নিৰ্গত তত্ত্ব'টো সমালোচনা কৰিছিল। তেওঁৰ মতে ঘৰুৱা ব্যয় সমূহ ভাৰতীয় সম্পদৰ প্ৰবাহ ৰূপে গণ্য কৰা উচিত নহয়। এই ব্যয় সমূহ আগৰ পৰা ৰেলখণ্ড, চাহ শিল্প, নীল উদ্যোগ আদি কিছুমান উন্নয়নমূলক কাম কাজৰ বাবে কৰা হয়।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ এম. জি. ৰাণাডে (১৮৪২-১৯০১) আছিল এজন জাতীয়তাবাদী চিন্তাবিদ। তেওঁ ১৮৬৪ চনত বম্বে বিশ্ববিদ্যালয়ৰ অৰ্থনীতি বিভাগত এজন প্ৰবক্তা হিচাপে কৰ্ম জীৱনৰ

পাতনি মেলে। পাছলৈ তেওঁ ন্যায়িক কৰ্মৰ লগত জড়িত হৈ শেষত বম্বে উচ্চ ন্যায়লয়ৰ ন্যায়াধীশ ৰূপে নিযুক্ত হয়।

৪ নং প্ৰশ্নৰ উত্তৰ ঃ এজন অৰ্থনীতিবিদ হিচাপে ৰাণাডেৰ মতে নিম্ন উল্লেখিত কাৰণ সমূহ ভাৰতৰ দৰিদ্ৰতাৰ বাবে দায়ী -

- কৃষিৰ ওপৰত অত্যাধিক নিৰ্ভৰশীলতা,
- শিল্প উদ্যোগত অনগ্ৰসৰতা,
- পৰ্য্যাপ্ত বেংক ব্যৱস্থা আৰু ঋণৰ অভাৱ,
- ত্ৰুটীপূৰ্ণ ভূমি নীতি।

৩.৮ আৰ্হি প্ৰশ্ন

চুটি প্ৰশ্ন (১৫০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

১ নং প্ৰশ্ন ঃ সম্পদ নিৰ্গত বা প্ৰবাহ তত্ত্বৰ দীৰ্ঘম্যাদী প্ৰাসংগিকতা সম্পৰ্কে চমু বিশ্লেষণ আগবঢ়াওক।

২ নং প্ৰশ্ন ঃ ভাৰতৰ পৰা ইংলেণ্ডলৈ অৰ্থনৈতিক প্ৰবাহ ঘটাৰ বাবে দায়ী কৰাকসমূহ কি?

৩ নং প্ৰশ্ন ঃ অৰ্থবিজ্ঞানত বিশ্লেষণ পদ্ধতি সম্পৰ্কত ৰাণাডেৰ দৃষ্টিভংগী চমুকৈ ব্যাখ্যা কৰক।

ৰচনাধৰ্মী প্ৰশ্ন (৩০০-৫০০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

১ নং প্ৰশ্ন ঃ ভাৰতীয় অৰ্থনৈতিক ভাৱধাৰাৰ ইতিহাসত নৌৰজীৰ অৱদান সম্পৰ্কে সমালোচনাত্মক আলোচনা আগবঢ়াওক।

২ নং প্ৰশ্ন ঃ ভাৰতীয় ৰাজনৈতিক অৰ্থনীতিত ৰাণাডেৰ অৱদান বিতংভাৱে প্ৰকাশ কৰক।

৩ নং প্ৰশ্ন ঃ ভাৰতীয় জাতীয়তাবাদী চিন্তানায়ক সকলৰ অৰ্থনৈতিক ভাবধাৰাৰ লক্ষণীয় দিশ সমূহ ব্যাখ্যা কৰক-নৌৰজী আৰু ৰাণাডেৰ বিশেষ প্ৰসঙ্গৰে।

*** ***** ***

অধ্যায় ৪ ঃ গান্ধীবাদী অর্থনীতি

অধ্যায় গাঁথনি

৪.১ উদ্দেশ্য
৪.২ পৰিচয়
৪.৩ উপভোগৰ আচৰণ
৪.৪ গ্রাম্য অর্থনীতি
৪.৫ স্বদেশী
৪.৬ প্রযুক্তি
৪.৭ ঔদ্যোগিকীকৰণ আৰু উৎপাদনৰ মাত্রা
৪.৮ ন্যাসৰক্ষীবাদ
৪.৯ সর্বোদয়
৪.১০ অহিংসা
৪.১১ বিকেন্দ্রীকৰণ
৪.১২ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৪.১৩ অধিক জানিবলৈ
৪.১৪ অগ্রগতিৰ খতিয়ান
৪.১৫ আৰ্হি প্রশ্ন

৪.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- ভাৰতীয় অর্থনৈতিক ভাৱধাৰাৰ ইতিহাসত এম. কে. গান্ধীয়ে আগবঢ়াই থৈ যোৱা অৱদানৰ বিষয়ে জানিব পাৰিব
- গান্ধীৰ অর্থনৈতিক দর্শনৰ কেন্দ্রীয় বিষয় বস্তুটো অনুধাৱন কৰিব পাৰিব
- উপভোক্তাবাদ, গ্রাম্য অর্থনীতি, স্বদেশী, প্রযুক্তি, ঔদ্যোগিকীকৰণ, ন্যাসৰক্ষীবাদৰ নীতি, সর্বোদয়, অহিংস অর্থনীতি আৰু বিকেন্দ্রীকৰণ সন্দর্ভত গান্ধীৰ অর্থনৈতিক ধাৰণা কেনে আছিল সেয়া জানিব পাৰিব।

৪.২ পৰিচয়

মোহনদাস কৰমচান্দ গান্ধী (১৮৬৯-১৯৪৮) আছিল এগৰাকী বহুমুখী প্রতিভাসম্পন্ন বিৰল ব্যক্তিত্ব। ভাৰতৰ বাসিন্দাই তেওঁক 'জাতিৰ পিতা' ৰূপে স্মৰণ কৰি আহিছে। পোৰবন্দৰৰ এটা আঢ্যৱন্ত পৰিয়ালত গান্ধীয়ে জন্মলাভ কৰিছিল। এগৰাকী উকীল হিচাপে তেওঁ দক্ষিণ

আফ্রিকাত স্থায়ীভাৱে বাস কৰিছিল। তাত থকা সময়ছোৱাত তেওঁ জাতিগত অসমতাৰ বিৰুদ্ধে যুঁজিছিল আৰু 'সত্যাগ্রহ' অথবা অহিংস প্রতিৰোধেৰে ৰাজনৈতিক আন্দোলন আগবঢ়াই নিয়াৰ উদ্দেশ্যৰে এক নতুন পদ্ধতি বিকশিত কৰি তুলিছিল। ১৯১৪ চনৰ জুলাই মাহত গান্ধীয়ে চিৰদিনলৈ দক্ষিণ আফ্রিকা এৰি ভাৰতলৈ গুছি আহিছিল। ইয়াৰ কেইবছৰমানৰ ভিতৰতে তেওঁ ভাৰতীয় জাতীয়তাবাদী আন্দোলনৰ নেতাহৈ পৰিছিল আৰু ১৯৪৭ চনত দেশ স্বাধীন হোৱা মূহুর্তলৈকে দেশক নেতৃত্ব দিছিল।

গান্ধী বৃত্তিজীৱী অর্থনীতিবিদ নাছিল। কিন্তু তেওঁ ভাৰতত বৃটিছ শাসনৰ আর্থ-সামাজিক পৰিণাম সম্পর্কে গভীৰভাৱে সচেতন আছিল। তেওঁৰ অর্থনৈতিক নীতি আৰু তত্ত্ববোৰৰ আধাৰ হ'ল ন্যায়নিষ্ঠতা। এইখিনিতে উল্লেখ কৰি থোৱা ভাল হ'ব যে টলস্তয়ৰ 'The Kingdom of God is within You' আৰু ৰাস্কিনৰ 'Unto this Last' হ'ল গান্ধীক গভীৰভাৱে প্রভাৱিত কৰা দুখন গ্রন্থ। টলস্তয়ৰ দর্শন পঢ়িয়েই গান্ধীৰ মনত *সমতাবাদ, সৰলতা* আৰু *আত্মসংযমবাদৰ* দৰে ধাৰণাবোৰৰ উদয় হৈছিল।

৪.৩ উপভোগৰ আচৰণ

গান্ধীয়ে ভাবিছিল যে দ্রব্য উপভোগৰ বাবেই সামগ্রী বিপুল পৰিমাণে উৎপাদন কৰিবলগীয়া হয়, বৃহৎ বৃহৎ যন্ত্র-পাতি ব্যৱহাৰ কৰিবলগীয়া হয় আৰু বিপুল মাত্রাত কেঁচামাল সংগ্রহ কৰিবলগীয়া হয়। সেয়েহে তেওঁ 'উপভোক্তাবাদ'ৰ বিৰোধিতা কৰিছিল আৰু 'অভাৰ নিয়ন্ত্রণ' আৰু 'ইচ্ছা সীমাৱদ্ধকৰণ'ৰ পৰামর্শ দিছিল। তেওঁ এই মত পোষণ কৰিছিল যে জনগণে উৎপাদন কৰা উচিত কিন্তু সামগ্রী বৃহৎ মাত্রাত উৎপাদন কৰা অনুচিত। দ্রুতগতিত উদং হৈ পৰা প্রাকৃতিক সম্পদ, জৈৱ-বৈচিত্র্য আৰু পাৰিপার্শ্ব প্রণালীৰ প্রতি সৃষ্টি হোৱা ভাবুকি নাইকিয়া কৰিবলৈ গান্ধীয়ে আহ্বান জনোৱা 'লোক নিয়ন্ত্রণ'ৰ প্রাসংগিকতা আছে। গান্ধীৰ মতে উপভোক্তাবাদ সৃষ্টি হোৱাৰ আঁৰৰ কাৰণবোৰ হ'ল—

- প্রয়োজন আৰু ইচ্ছাৰ সংখ্যাধিক্যতা। মানুহৰ প্রয়োজন সদায় বাঢ়ি গৈ থাকে,
- লোভ আৰু লালসা,
- মানুহৰ প্রকৃতিক বশ কৰাৰ মানসিকতা,
- পণ্যদ্রব্যৰ গৰাকী হোৱাৰ বাসনা।

গান্ধীৰ দৃষ্টিভংগী অনুসৰি প্রয়োজনতকৈ অধিক পণাদ্রব্য আহৰণ হ'ল এক ধৰণৰ চৌর্যকার্য। গান্ধীৰ মতে উপভোক্তাবাদে কিছুমান সামাজিক সমস্যাৰ সৃষ্টি কৰে। সমস্যাবোৰ হ'ল—

- বিপুল পৰিমাণৰ উৎপাদন আৰু মাত্রাধিক উৎপাদন,
- বিপুল পৰিমাণৰ কেঁচামাল সংগ্রহ,
- প্রয়োজনাধিক শক্তিৰ ব্যৱহাৰ আৰু বৃহদায়তনৰ সামগ্রী উৎপাদন,

- সামগ্রী মজুত ৰাখিবলৈ বিশাল গুদাম ঘৰৰ নির্মাণ আৰু বৃহৎ মাত্রাত বর্জিত দ্রব্যৰ পদার্থৰ সৃষ্টি,
- পাৰিপার্শ্বিকতাৰ অৱনতি,

ওপৰত উল্লেখ কৰা সমস্যাবোৰ সমাধান কৰিবলৈ গান্ধীয়ে আগবঢ়োৱা পৰামর্শসমূহ হ'ল—

- এটা প্রকৃত স্তৰলৈ ব্যক্তিগত ইচ্ছাবোৰ স্বেচ্ছাইভাৱে হ্রাস কৰা,
- লোভ-লালসা পৰিহাৰ কৰা,
- ইচ্ছাবোৰ নিয়ন্ত্রণ কৰি সহস্রজনক খুৱাবৰ বাবে স্বেচ্ছাই অনশনত থকা।

ওপৰৰ আলোচনাৰ অন্তত ক'ব পাৰি যে গান্ধীৰ মতে মানুহৰ চৰম লক্ষ্য সম্পদ আহৰণ আৰু জীৱনৰ বিলাসিতা উপভোগ কৰাটো নহয়। মানুহৰ চৰম লক্ষ্য হ'ল জীৱনৰ সর্বোচ্চ প্রমূল্যৰ গৰাকী হোৱা আৰু একোটা সৰল তথা সম্পূর্ণ জীৱন যাপন কৰা। মানুহৰ জীৱনৰ আদর্শবাক্য 'সৰল জীৱন, উচ্চ চিন্তন' হোৱা উচিত।

৪.৪ গ্রাম্য অর্থনীতি

গান্ধীয়ে কৈছিল, "গাঁও নিঃচিহ্ন হ'লে ভাৰতো নিঃচিহ্ন হৈ পৰিব। তেতিয়া আৰু ভাৰত ভাৰত হৈ নাথাকে। এই বিশ্বত দেশখনৰ সকলো অভিযান অসাৰ হৈ পৰিব। গাওঁবোৰত চলা শোষণৰ ওৰ পৰিলেহে গাওঁবোৰক পুনৰুজ্জীৱিত কৰি তুলিব পৰা যাব। প্রতিযোগিতা আৰু বিপণনৰ সমস্যা দুটাই মূৰদাঙি উঠিব বাবে বিশাল পৰিসৰত ঔদ্যোগিকীকৰণ ঘটালে ই নিশ্চিতভাৱে গাওঁবোৰক সক্রিয় অথবা নিষ্ক্রিয় ৰূপতশোষণ কৰিব। সেয়েহে, আমি গাওঁবোৰক স্ব-নির্ভৰশীল, প্রধানকৈ ব্যৱহাৰ যোগ্য সামগ্রী উৎপাদনৰ ক্ষেত্রত পৰিণিত কৰি তোলাত মনোযোগ দিব লাগিব।" অর্থাৎ, গান্ধীয়ে দেশৰ গাওঁবোৰক স্ব-নির্ভৰশীল গোটত পৰিণত কৰাত আগ্রহী আছিল। তেওঁৰ আঁচনিবোৰত গ্রাম্য অর্থনীতিয়ে কেন্দ্রীয় স্থান দখল কৰিছিল। এনে পৃষ্ঠভূমিত মানৱীয় মর্যাদা আৰু প্রমূল্যৰ মৌলিক চর্তবোৰ সুৰক্ষিত ৰাখিব পৰা যায়। ইয়াত হিংসা আৰু শোষণৰ উপস্থিতি নাথাকে। গান্ধীয়ে যন্ত্র-পাতিৰ বহুল প্রয়োগৰ বিৰোধিতা কৰিছিল। কাৰণ, তেওঁৰ মতে এই ব্যৱস্থাই গাওঁ অঞ্চলত বৃহৎ মাত্রাত নিবনুৱা সমস্যাৰ সৃষ্টি কৰিব। তেওঁৰ মতে, ".....যিবোৰ বস্তু গাওঁবোৰতো সমানে উৎপাদন কৰিব পাৰি তেনে কোনো ধৰণৰ সামগ্রী- চহৰবোৰত উৎপাদন কৰাৰ অনুমতি দিব নালাগে। নগৰ-চহৰবোৰৰ বাবে উপযুক্ত কৰণীয় হ'ল গ্রাম্য সামগ্রীৰ মজুত ভঁৰাল উদং কৰা।"

৪.৫ স্বদেশী

গান্ধীৰ জীৱন দর্শনৰমৌলিক উপাদানবোৰ হ'ল সত্যাগ্রহ অথবা অহিংসা আৰু স্বদেশী। স্বদেশীৰ সংজ্ঞা দাঙি ধৰি তেওঁ কৈছিল যে ই হ'ল মানৱ সত্ত্বাৰ মৌলিক প্রকৃতিত অন্তর্নিহিত হৈ থকা 'আইনবোৰ আইন।' গান্ধীৰ বাবে স্বদেশী হ'ল এক সার্বজনীন আইন। অর্থনৈতিক দিশেৰে

বিষয়টোৰ আলোচনা আগবঢ়াই গান্ধীয়ে এই বিশ্বাস ব্যক্তি কৰিছিল যে জনসাধাৰণৰ মাজত ব্যাপক হাৰত বিয়পি থকা দৰিদ্রতাৰ মূল কাৰণ হ'ল মানুহ অর্থনৈতিক তথা ঔদ্যোগিক জীৱনত স্বদেশী বোধৰ পথৰ পৰা বিধ্বংসীভাৱে বিচ্যুত হৈ পৰাটো ।গান্ধীৰ মতে যিসকলে স্বদেশীবোধেৰে পৰিচালিত তেওঁলোকে কেৱল নিজৰ তাৎক্ষণিক চুবুৰীয়াই প্রস্তুত কৰা সামগ্রী ব্যৱহাৰ কৰা উচিত, এনে স্থানীয় উদ্যোগবোৰক কার্যদক্ষ কৰি তুলিবলৈ এইবোৰলৈ নিজৰ সেৱা আগবঢ়োৱা উচিত আৰু এনে উদ্যোগবোৰৰ দুর্বল দিশবোৰ শক্তিশালী কৰি তোলা উচিত। ভাৰতৰ স্বাধীনতা সংগ্রামৰ কালছোৱাত গান্ধীয়ে এই কথা উপলব্ধি কৰিছিলযে খিলঞ্জীয়া ঔদ্যোগবোৰক উদ্গনি যোগাই আৰু পুনৰুজ্জীৱিত কৰি তুলি ভাৰতৰ অর্থনৈতিক মুক্তি ঘটাব পৰা যাব। সমাজত ব্যৱহাৰিক প্রয়োগৰ দিশেৰে স্বদেশী নীতিটোৰ পোষকতা কৰিব পৰা সবাতোকৈ প্রয়োজনীয় তথা গুৰুত্বপূর্ণ উপাদান হিচাপে গান্ধীয়ে 'খাদী'ৰ কথা কৈছিল. তেওঁৰ মতে 'খাদী' হ'ল গ্রাম্য সৌৰশক্তি ব্যৱস্থাৰ সূর্য। খাদীক সমর্থন কৰিবলৈ দেশত বহুতো উদ্যোগ গঢ় লৈ উঠিছিল। গান্ধীয়ে সার্বজনীন প্রেম আৰু সেৱাৰ মনোভাৱেৰে স্বদেশী বোধৰ ধাৰণাটো প্রচাৰ তথা প্রসাৰৰ পোষকতা কৰিছিল।

৪.৬ প্রযুক্তি

গান্ধীয়ে যন্ত্র আৰু প্রযুক্তি সম্পর্কে কৰা কিছুমান মন্তব্যৰ আধাৰত সমালোচকসকলে তেওঁক এগৰাকী মধ্যযুগীয় সিদ্ধযোগী আখ্যা দিছিল। গান্ধীয়ে যন্ত্র-পাতিক 'মহাপাপ' বুলি অভিহিত কৰিছিল। বিভিন্ন লেখনীত তেওঁ ৰে'লৰেক এক চয়তান বুলি কৈছিল। সেয়েহে কেতিয়াবা কোৱা হয় যে গান্ধী বিজ্ঞান আৰু প্রযুক্তিৰ বিকাশৰ বিৰোধী আছিল। কিন্তু কথাটো সত্য নহয়। গান্ধী সাধাৰণ অর্থত যন্ত্র-পাতি ব্যৱহাৰৰ বিৰোধী নাছিল। তেওঁৰ মতে, "ঘূৰি থকা চকা এটাও যন্ত্র, দাঁত পৰিষ্কাৰ কৰা খৰিকা এডালো যন্ত্র, মই কেৱল শ্রমিকৰ সংখ্যা কমোৱা যন্ত্র-পাতি ব্যৱহাৰৰ ধামখুমীয়াৰহে বিৰোধী। মানুহে শ্রমিক কমোৱাৰ চেষ্টা কৰাৰ ফলত হাজাৰ হাজাৰ লোক কর্মহীন হৈছে আৰু মানুহক অনাহাৰে মৰিবলৈ ৰাজপথলৈ দলিয়াই দিয়া হৈছে.....।"

গান্ধীয়ে কেৱল ধ্বংসকাৰী যন্ত্র-পাতিৰহে বিৰোধিতা কৰিছিল। **ব্যক্তিগত** শ্রম লাঘৰ কাৰ আৰু কুটীৰ উদ্যোগৰ সৈতে জড়িত লাখ লাখ লোকৰ কামৰ বোজা পাতল কৰা যন্ত্র-পাতি তথা সা-সঁজুলিক গান্ধীয়ে আদৰণি জনাইছিল। যেনে, তেওঁ মানুহক চিংগাৰ চিলাই মেছিন ব্যৱহাৰ কৰিবলৈ অনুপ্রাণিত কৰিছিল। তেওঁ আনকি গাৰেঁ-ভূঞে সহজে সাজিব তথা মেৰামতি কৰিব পৰা আৰু পৰম্পৰাগত 'চর্খা'তকৈ চাৰিগুণ অধিক সূতা কাটিব পৰা 'চর্খা' উদ্ভাৱন কৰোঁতাগৰাকীক নগদ ধনৰ টোপোলাৰে পুৰস্কৃত কৰাৰ কথাৰ ঘোষণা কৰিছিল। তেওঁ কেৱল যন্ত্র-পাতিৰ সংখ্যা যধেমধে বঢ়োৱা কথাটোৰহে বিৰোধিতা কৰিছিল। গান্ধীৰ মতে মানুহৰ কথা বিবেচনা কৰাটো আমাৰ বাবে সবাতোকৈ গুৰুত্বপূর্ণ কাম। বিজ্ঞান আৰু প্রযুক্তিৰ চিন্তা গৌণ হোৱা উচিত। অর্থাৎ, গান্ধী যন্ত্র-পাতিৰ বহুল ব্যৱহাৰৰ ফলত সৃষ্টি হ'ব পৰা নিবনুৱা সমস্যাৰ ভয়াবহতা সম্পর্কে সচেতন আছিল। ভাৰত এখন শ্রমিক উদবৃত্ত দেশ হোৱাৰ বাবে তেওঁ শ্রমিকৰ সংখ্যাধিক্যতা থকা উৎপাদন পদ্ধতি প্রয়োগত জোৰ দিছিল।

৪.৭ ঔদ্যোগিকীৰণ আৰু উৎপাদনৰ মাত্রা

গান্ধী আধুনিক ঔদ্যোগিক ব্যৱস্থাৰ সম্পূর্ণ বিৰোধী আছিল। তেওঁ ভাৰতৰ যুৱাসমাজক গাঁৱলৈ উভতি যাবলৈ আহ্বান জনাইছিল। গাওঁবোৰ ৰে'লৰে আৰু আধুনিকতাৰ প্রদূষণেৰে প্রদূষিত হোৱা নাছিল আৰু গাওঁবোৰে তেতিয়াও প্রাচীন ভাৰতীয় সত্যতাৰ প্রমূল্যবোৰ সংৰক্ষণ কৰি ৰাখিছিল। তেওঁ শাৰীৰিক পৰিশ্রম আৰু নিজ হাতেৰে কৰা শ্রমৰ শক্তিত জোৰ দিছিল. তেওঁ অন্নৰ বাবে শ্রম কৰাৰ নিয়মত বিশ্বাস কৰিছিল। অর্থাৎ, গান্ধীৰ মতে প্রত্যেকেই কপালৰ ঘাম মাটিতপেলাই দুবেলা দুমুঠি যোগাৰ কৰিব লাগে।

গান্ধী সকলো ক্ষেত্রতে যান্ত্রিকীকৰণ ঘটোৱা ধাৰণাটোৰ বিৰোধী আছিল। তেওঁৰ মতে যন্ত্র ব্যৱহাৰ কৰি উৎপাদন কৰা মানচেষ্টাৰ বস্ত্র পিন্ধি ভাৰতীয়সকলে কেৱল নিজৰ ধন অবাবত খৰছ কৰি আছে। তেওঁলোকে তাৰ পৰিৱর্তে ভাৰততে মানচেষ্টাৰ এখন গঢ়ি তুলি নিজৰ ধন নিজ দেশতে ৰাখিব পাৰে। তেওঁ লগতে এই বুলিও কৈছিল যে যদি যঁতৰত সূতা কাটি বস্ত্র উৎপাদন কৰা হয়, তেন্তে ই দেশৰ দুখীয়া-নিচলা শ্রেণীটোৰ ক্রমবর্দ্ধিত দৰিদ্রতাৰ সমস্যাটোও সমাধান কৰিব পাৰে।

গান্ধীৰ মতে, "বৃহৎ পৰিমাণৰ উৎপাদন হ'ল লাভালাভ কেন্দ্রিক আৰু সেয়েহে ই সমাজৰ বাবে অশুভ।" তেওঁ ভাবিছিল যে বৃহৎ পৰিমাণৰ উৎপাদনে সম্পদ আৰু ক্ষমতা মাত্র এমুঠিমান লোকৰ হাতত কেন্দ্রীভূত কৰিব। তেওঁ কিছুমান মৌলিক আৰু প্রধান উদ্যোগক ৰাষ্ট্রীয়কৃত কৰাৰ পৰামর্শ দিছিল যাতে বৃহৎ পৰিমাণৰ উৎপাদন নিয়ন্ত্রণ কৰিব পৰা যায়। গান্ধীৰ ভাষাত, "....উৎপাদন প্রক্রিয়াটো এনে হোৱা উচিত যিটোৱে উৎপাদনক বিনিময়ৰ বাবে নহয় কেৱল ব্যৱহাৰৰ বাবেহে উৎপাদন নিশ্চিত কৰিব।"



অগ্রগতি নিৰীক্ষণ

১ নং প্রশ্ন ঃ গান্ধীবাদী অর্থনৈতিক চিন্তাৰ ভেটি গঢ়া মৌলিক নীতিবোৰ উল্লেখ কৰক। (২০ টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

.....

.....

২ নং প্রশ্ন ঃ উপভোক্তাবাদৰ পৰিণাম সম্পর্কে চমুকৈ লিখক। (প্রায় ৪০ টা শব্দৰ উত্তৰ দিয়ক)

.....

.....

.....

.....

৩ নং প্রশ্ন ঃ গান্ধীয়ে কেনেধৰণৰ যন্ত্ৰ-পাতিক আদৰণি জনাইছিল? (৪০ টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

.....

.....

.....

.....

৪.৮ ন্যাসৰক্ষীবাদ

ন্যাসৰক্ষীবাদ (Trusteeship) ৰ গান্ধীবাদী আৰ্হিটো হ'ল ঔদ্যোগিক তথা ব্যৱসায়িক অনুষ্ঠান-প্ৰতিষ্ঠানৰ মালিকীস্বত্ব আৰু ব্যৱস্থাপনাৰ সৈতে জড়িত এটা উদ্ভাৱনীমূলক আৰ্হি। গান্ধীয়ে ভাগৱদ্‌গীতাৰ দৰ্শনৰ পৰা মূলতঃ ইয়াৰ অনুপ্ৰেৰণা আহৰণ কৰিছিল। ই হ'ল ভাৰতীয় চিন্তা আৰু প্ৰমূল্যৰ ভেটিত গঢ় লৈ উঠা এটা তত্ত্ব। ন্যাসৰক্ষীবাদ তত্ত্ব অনুসৰি উদ্যোগৰ গৰাকী আৰু ব্যৱস্থাপকসকলে নিজৰ ধন- সম্পত্তিক ঈশ্বৰ তথা সমাজৰ সম্পত্তি বুলি বিবেচনা কৰিব লাগিব। এনে ধন-সম্পত্তি তেওঁলোকে ব্যক্তিগত বুলি ভাবিব নোৱাৰিব। তেওঁলোকে এই ধন- সম্পত্তিৰোৰ কেৱল ন্যাসৰক্ষীৰ দৰে তদাৰক আৰু নিয়ন্ত্ৰণ কৰিব লাগিব। এনে সম্পত্তিৰ পৰা আহৰিত ধনৰাশিৰ পৰা তেওঁলোকে নিজৰ প্ৰয়োজন পূৰাব পৰা যুক্তিসংগত পৰিমাণৰ ধনহে পাৰিশ্ৰমিক হিচাপে খৰছ কৰিব পাৰিব। অৰ্থাৎ, কোনো ব্যক্তিয়ে যদি নিজৰ সম্পত্তিৰ আনুপাতিক অংশতকৈ অধিক সম্পত্তিৰ গৰাকী হয়, তেন্তে তেওঁ সমাজৰ হৈ সেই পৰিমাণৰ সম্পত্তিখিনিৰ ন্যাসৰক্ষীৰ ভূমিকা পালন কৰে।

ন্যাসৰক্ষীবাদ তত্ত্বটোৰ মূল কথাবোৰ তলত দিয়া ধৰণৰ—

- ন্যাসৰক্ষীবাদে সমাজৰ প্ৰচলিত পুঁজিবাদী ব্যৱস্থাটোৰ ৰূপান্তৰ ঘটোৱা এক উপায় হিচাপে কাম কৰে আৰু সমাজক এক সমতাবাদী ৰূপ প্ৰদান কৰে। ইয়াত পুঁজিবাদৰ কোনো স্থান নাই। ই সমাজত বৰ্তমান মালিকীস্বত্বধাৰী শ্ৰেণীটোক আত্ম-সংশোধনৰ সুবিধা দিয়ে। মানৰ প্ৰকৃতি কেতিয়াও পাপমোচনৰ উৰ্দ্ধত নহয়- এই বিশ্বাসটোৱেই হ'ল ন্যাসৰক্ষীবাদৰ ভেটি।
- ই সম্পত্তিৰ ব্যক্তিগত মালিকীস্বত্বৰ অধিকাৰক স্বীকৃতি নিদিয়ে। সমাজৰ কল্যাণৰ বাবে সমাজে অনুমতি দিয়া পৰ্যায়লৈকেহে ই ব্যক্তিগত মালিকীস্বত্বৰ অধিকাৰ মানি লয়।
- এই তত্ত্বই মালিকীস্বত্ত্বৰ বিধায়িনী নিয়ন্ত্ৰক নিৰ্দেশনা আৰু সম্পত্তিৰ ব্যৱহাৰক বাদ নিদিয়ে।
- অৰ্থাৎ, ৰাষ্ট্ৰ নিয়ন্ত্ৰিত ন্যাসৰক্ষীবাদৰ অধীনত কোনো ব্যক্তিয়ে নিজৰ সম্পত্তি স্বাৰ্থপৰ সন্তুষ্টি লাভৰ বাবে অবাধে ব্যৱহাৰ কৰিব অথবা কেৱল নিজৰ কৰি ৰাখিব নোৱাৰে অথবা সমাজৰ স্বাৰ্থক আওকাণ কৰিব নোৱাৰে।
- তত্ত্বটোত এটা যথোপযুক্ত ধৰণৰ জীৱন নিৰ্বাহৰ ন্যূনতম মজুৰি নিৰূপণৰ প্ৰস্তাৱ দিয়া হৈছে। ইয়াত একেদৰে সৰ্বাধিক উপাৰ্জনৰ সীমা বান্ধি দিয়াৰ কথাও কোৱা হৈছে। সমাজৰ সকলো

সদস্যৰ ক্ষেত্ৰতে এই নিয়ম প্ৰযোজ্য হ'ব। ন্যূনতম আৰু সৰ্বাধিক পৰিমাণৰ উপাৰ্জনৰ মাজত থকা পাৰ্থক্য যুক্তিসংগত আৰু নিৰপেক্ষ হ'ব লাগিব। উপাৰ্জনৰ নিৰ্ধাৰিত পৰিমাণত সময়ে সময়ে তাৰতম্য ঘটাব লাগিব যাতে এসময়ত পাৰ্থক্যৰ বিমোচন ঘটোৱাৰ প্ৰৱণতা গঢ় লৈ উঠে।

- "গান্ধীবাদী অর্থনৈতিক ব্যৱস্থাৰ অধীনত উৎপাদনৰ বৈশিষ্ট্য ব্যক্তিগত ইচ্ছা অথবা লোভৰ দ্বাৰা নহয় সামাজিক প্ৰয়োজনীয়তাৰ দ্বাৰাহে নিৰ্দ্ধাৰিত হ'ব।"

৪.৯ সৰ্ৱোদয়

অহিংস সমাজবাদৰ লক্ষ্যত উপনীত হ'বলৈ গান্ধীয়ে সৰ্ৱোদয় পৰিকল্পনা উপস্থাপন কৰিছিল। 'সৰ্ৱোদয়' হ'ল এটা সংস্কৃত শব্দ। ইয়াৰ অর্থ হ'ল 'সকলোৰে উত্থান' নাইবা 'সকলোৰে অগ্ৰগতি'। সৰ্ৱোদয় পৰিকল্পনাই এনে এক আধাৰ আগবঢ়ায় য'ত সমাজবাদৰ আদর্শ প্ৰতিষ্ঠাৰ বাবে তৎপৰ ৰাষ্ট্ৰ এখনৰ অর্থনৈতিক সংগঠনটো গঢ়ি তুলিব পৰা যায়। সৰ্ৱোদয় পৰিকল্পনাৰ উদ্দেশ্য হ'ল অহিংসা, সত্য, প্ৰেম আৰু সহযোগিতাৰ নীতিৰ ভেটিত সৰ্ৱোদয় সামাজিক ব্যৱস্থা প্ৰতিষ্ঠা কৰা। সৰ্ৱোদয় আঁচনিত তলৰ কার্যসূচীবোৰ সামৰি লোৱা হয়-

- কৃষক আৰু শ্ৰমিক শ্ৰেণীলৈ সম্পূৰ্ণ মনোযোগ প্ৰদান,
- কৃষকসকলক নিজা সমিতি আৰু শ্ৰমিকসকলক নিজ শ্ৰমিক সংঘ গঠনৰ সুবিধা প্ৰদান,
- কাৰিকৰী অথবা সাধাৰণ দুয়ো ধৰণৰ কর্মজীৱীকে শিক্ষা গ্ৰহণৰ সুযোগ প্ৰদান,
- গ্ৰাম্য উদ্যোগ, জনস্বাস্থ্য আৱর্জনা নিষ্কাশন আৰু ব্যক্তিগত স্বচ্ছতাৰ মান উন্নত কৰাৰ দিশত বিশেষ মনোযোগ প্ৰদান,
- অর্থনৈতিক সমতা তথা সাম্প্ৰদায়িক সম্প্ৰীতি স্থাপন।

অন্য অর্থত, সৰ্ৱোদয় পৰিকল্পনাৰ প্ৰধান লক্ষ্য হ'ল গাওঁবোৰক এখন সম্পূৰ্ণ গণৰাজ্যৰূপে বিকশিত কৰি তোলা।

৪.১০ অহিংসা

গান্ধী অহিংসাৰ সমর্থক আছিল। সেয়েহে তেওঁৰ অর্থনীতিক অহিংস অর্থনীতি বুলিও ক'ব পাৰি। এই নীতি অনুসৰি অহিংস পদ্ধতিৰে সামাজিক পৰিৱর্তন সাধন কৰিব লাগে। জীৱিকা অর্জনৰ প্ৰয়োজনীয়তা আৰু উপায় দুয়োটাই জীৱনৰ অবিচ্ছেদ্য অংশ। কিন্তু কেৱল ভাল উপায়েৰেহে ভাল ফলাফল লাভ কৰিব পাৰি। মার্ক্সে বিশ্বাস কৰিছিল যে ঘৃণা আৰু যুদ্ধৰ দ্বাৰা নহয়, শান্তিপূৰ্ণ আৰু অহিংসা উপায় গ্ৰহণৰ দ্বাৰাহে এখন আদর্শ সমাজ গঢ়িব পৰা যায়। অহিংসা অর্থনীতিৰ মৌলিক বৈশিষ্ট্যবোৰ হ'ল-

- পুঁজিবাদী শোষণৰ অনুপস্থিতি,
- উৎপাদন গোটবোৰৰ বিকেন্দ্ৰীকৰণ,

- সুলভ প্রতিৰক্ষা সংস্থা,
- উপার্জনত অসমতাৰ মাত্রা কমি যোৱা আৰু
- সম্প্রদায়বোৰৰ আত্মনির্ভৰশীলতা।

৪.১১ বিকেন্দ্রীকৰণ

গান্ধীয়ে বিকেন্দ্রীকৃত অর্থনীতিৰ সমর্থন কৰিছিল. তেওঁ বিশ্বাস কৰিছিল যে এনে অর্থনীতিত শ্রমিকৰ শোষণ শূণ্য হ'ব। ভাৰতীয় অর্থনীতিৰ পটভূমিত তেওঁৰ বিশ্বাস শক্তিশালী আছিল। গান্ধীয়ে উৎপাদনৰ গোটবোৰ জনসাধাৰণৰ ঘৰলৈ, বিশেষকৈ গাওঁবোৰলৈ নিয়াৰ পোষকতা কৰিছিল। এই কার্যই কর্মসংস্থাপনৰ সুবিধা বৃদ্ধি কৰিব পাৰে। গান্ধীৰ মতে কুটীৰ উদ্যোগত সামগ্রী উৎপাদন কম খৰছী হ'ব বুলি অনুমান কৰাৰ বহুতো কাৰণ আছে। এনে দুটামান কাৰণ হ'ল-

- পৃথক কল-কাৰখানা ভৱন নির্মাণৰ নামত কোনো খৰছ কৰাৰ প্রয়োজন নাই,
- সা-সজুঁলিৰ প্রয়োজনো নিচেই কম,
- উৎপাদিত সামগ্রী মজুত ৰখা স্থানৰ সমস্যা নাই,
- পৰিবহন ব্যয় নামমাত্র হ'ব,
- মাত্রাধিক উৎপাদনৰ সমস্যা সৃষ্টি নহয়,
- এনে ব্যৱস্থাত কোনো অপচয় অথবা প্রতিযোগিতা নাথাকে।



অগ্রগতি নিৰীক্ষণ

৪ নং প্রশ্ন ঃ ঔদ্যোগিকীকৰণ সন্দর্ভত গান্ধীৰ দৃষ্টিভংগী চমুকৈ উল্লেখ কৰক। (৪০ টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

.....

.....

.....

.....

৫ নং প্রশ্ন ঃ সর্বোদয় পৰিকল্পনা কি?। (৪০ টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

.....

.....

.....

.....



৪.১২ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- মোহনদাস কৰমচান্দ গান্ধী আছিল এগৰাকী উকীল আৰু ঔপনিৱেশ বিৰোধী জাতীয়তাবাদী। তেওঁ সফলতাৰে বৃটিছ শাসনৰ বিৰুদ্ধে চলা ভাৰতীয় জাতীয় আন্দোলনটোৰ গুৰি ধৰিছিল।
- গান্ধীবাদী অর্থনৈতিক চিন্তা চাৰিটা মৌলিক নীতিৰ ভেটিত প্রতিষ্ঠিত- সত্য, অহিংসা, শ্রমৰ মর্যাদা আৰু সৰলতা।
- গান্ধীয়ে দৃঢ়ভাৰে গ্রাম্য গণৰাজ্য, বিকেন্দ্রীকৰণ, সর্বোদয় আৰু ন্যাসৰক্ষীবাদত বিশ্বাস কৰিছিল।



৪.১৩ অধিক জানিবলৈ

1) Bhatia, H.L. (2007). *History of Economic Thought.* New Delhi : Vikash Publishing House.
2) Kumarappa, J.C. (2010). *Gandhian Economic Thought.* New Delhi : SSS Prakashan.
3) Loknathan, V. (2010). *A History of Economic Thought.* New Delhi : S Chand & Company Ltd.
4) Paul R.R. (2008). *History of Economic Thought.* Ludhiana : Kalyani Publishers.



৪.১৪ অগ্রগতিৰ খতিয়ান

১নং প্রশ্ন উত্তৰ ঃ গান্ধীবাদী অর্থনৈতিক চিন্তা চাৰিটা মৌলিক নীতিৰ ভেটিত প্রতিষ্ঠিত- সত্য, অহিংসা, শ্রমৰ মর্যাদা আৰু সৰলতা।

২নং প্রশ্ন উত্তৰ ঃ গান্ধীৰ মতে উপভোক্তাবাদে কিছুমান সামাজিক সমস্যাৰ সৃষ্টি কৰে। সমস্যাবোৰ হ'ল—

- বিপুল পৰিমাণৰ উৎপাদন আৰু মাত্রাধিক উৎপাদন,
- বিপুল পৰিমাণৰ কেঁচামাল সংগ্রহ,
- প্রয়োজনাধিক শক্তিৰ ব্যৱহাৰ আৰু বৃহদায়তনৰ সামগ্রী উৎপাদন,
- সামগ্রী মজুত ৰাখিবলৈ বিশাল গুদাম ঘৰৰ নির্মাণ আৰু বৃহৎ মাত্রাত বর্জিত পদার্থৰ সৃষ্টি,
- পাৰিপার্শ্বিকতাৰ অৱনতি।

৩নং প্রশ্ন উত্তৰ ঃ ব্যক্তিগত শ্রম লাঘৱ কৰা আৰু কুটীৰ উদ্যোগৰ সৈতে জড়িত লাখ লাখ লোকৰ কামৰ বোজা পাতল কৰা যন্ত্র-পাতি তথা সা-সঁজুলিক গান্ধীয়ে আদৰণি জনাইছিল। যেনে, তেওঁ মানুহক চিংগাৰ চিলাই মেছিন ব্যৱহাৰ কৰিবলৈ অনুপ্রাণিত কৰিছিল। তেওঁ

আনকি গাৰেঁ-ভূঞেঃ সহজে সাজিব তথা মেৰামতি কৰিব পৰা আৰু পৰম্পৰাগত 'চৰ্খা'তকৈ চাৰিগুণ অধিক সূতা কাটিব পৰা 'চৰ্খা' উদ্ভাৱন কৰোঁতা গৰাকীক নগদ ধনৰ টোপোলাৰে পুৰস্কৃত কৰাৰ কথাৰ ঘোষণা কৰিছিল।

৪নং প্রশ্ন উত্তৰ ঃ গান্ধীৰ মতে, "বৃহৎ পৰিমাণৰ উৎপাদন হ'ল লাভালাভ কেন্দ্রিক আৰু সেয়েহে ই সমাজৰ বাবে অশুভ।" তেওঁ ভাবিছিল যে বৃহৎ পৰিমাণৰ উৎপাদনে সম্পদ আৰু ক্ষমতা মাত্র এমুঠিমান লোকৰ হাতত কেন্দ্রীভূত কৰিব। তেওঁ কিছুমান মৌলিক আৰু প্রধান উদ্যোগক ৰাষ্ট্রীয়কৃত কৰাৰ পৰামর্শ দিছিল যাতে বৃহৎ পৰিমাণৰ উৎপাদন নিয়ন্ত্রণ কৰিব পৰা যায়।

৫নং প্রশ্ন উত্তৰ ঃ অহিংস সমাজবাদৰ লক্ষ্যত উপনীত হ'বলৈ গান্ধীয়ে সর্বোদয় পৰিকল্পনা উপস্থাপন কৰিছিল যিটো মাক্সীয় সমাজবাদৰ বিকল্প আছিল।

সর্বোদয় পৰিকল্পনাৰ উদ্দেশ্য হ'ল অহিংসা, সত্য, প্রেম আৰু সহযোগিতাৰ নীতিৰ ভেটিত সর্বোদয় সামাজিক ব্যৱস্থা প্রতিষ্ঠান কৰা। সর্বোদয় আঁচনিত তলৰ কার্যসূচীবোৰ সামৰি লোৱা হয়-

- কৃষক আৰু শ্রমিক শ্রেণীলৈ সম্পূর্ণ মনোযোগ প্রদান,
- কৃষকসকলক নিজা সমিতি আৰু শ্রমিকসকলক নিজ শ্রমিক সংঘ গঠনৰ সুবিধা প্রদান,
- কাৰিকৰী অথবা সাধাৰণ দুয়ো ধৰণৰ কর্মজীৱীকে শিক্ষা গ্রহণৰ সুযোগ প্রদান,
- অর্থনৈতিক সমতা তথা সাম্প্রদায়িক সম্প্রীতি স্থাপন।



৪.১৫ আৰ্হি প্রশ্ন

চুটি প্রশ্ন (১৫০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

১নং প্রশ্ন ঃ গ্রাম্য অর্থনীতি সম্পর্কে গান্ধীৰ দৃষ্টিভংগী কেনেধৰণৰ আছিল চমুকৈ বিশ্লেষণ কৰক।

২নং প্রশ্ন ঃ গান্ধী প্রযুক্তি বিৰোধী আছিল নেকি? আপোনাৰ উত্তৰৰ সপক্ষে কাৰণ দর্শাওক।

৩নং প্রশ্ন ঃ এম. কে. গান্ধীয়ে আগবঢ়োৱা অহিংসা অর্থনীতিৰ মৌলিক বৈশিষ্ট্যবোৰ উল্লেখ কৰক।

ৰচনাধর্মী প্রশ্ন (৩০০-৫০০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

১নং প্রশ্ন ঃ ভাৰতীয় অর্থনৈতিক চিন্তাৰ জগতখনলৈ গান্ধীৰ অৱদান আলোচনা কৰক।

২নং প্রশ্ন ঃ গান্ধীয়ে পোষকতা কৰা ন্যাসৰক্ষীবাদ তত্ত্বটোৰ এটা মূল্যায়ন দাঙি ধৰক।

৩নং প্রশ্ন ঃ গান্ধীবাদী অর্থনৈতিক চিন্তাৰ আধাৰত সর্বোদয়ৰ নীতি আৰু বিকেন্দ্রীকৰণ সম্পর্কে আলোচনা কৰক।

*** ***** ***

অধ্যায় গাঁথনি

৫.১ উদ্দেশ্য
৫.২ পৰিচয়
৫.৩ সদাগৰী ব্যৱস্থাৰ অৱলোকন
৫.৪ সদাগৰী ব্যৱস্থাৰ উত্থানৰ কাৰণসমূহ
৫.৫ সদাগৰী ব্যৱস্থাৰ মূল নীতিসমূহ
৫.৬ সদাগৰী ব্যৱস্থাৰ পতন
৫.৭ অধ্যায়টোৰ পৰা আমি কি শিকিলোঁ
৫.৮অধিক জানিবলৈ
৫.৯ অগ্রগতিৰ খতিয়ান
৫.১০ আৰ্হি প্রশ্ন

৫.১ উদ্দেশ্য

এই অধ্যায়টো অধ্যয়ন কৰি আপুনি—

- সদাগৰী ব্যৱস্থাৰ উত্থানৰ কাৰণসমূহ জানিব পাৰিব
- সদাগৰী ব্যৱস্থাৰ পৃষ্ঠপোষকসকলে আগবঢ়োৱা বিভিন্ন ধাৰণাসমূহ ব্যাখ্যা কৰিব পাৰিব
- সদাগৰী ব্যৱস্থাৰ পতনৰ কাৰক হিচাপে চিহ্নিত হোৱা দুৰ্বলতাসমূহৰ বিষয়ে জানিব পাৰিব।

৫.২ পৰিচয়

সদাগৰী ব্যৱস্থা বা বাণিজ্যিক পুঁজিবাদ, সদাগৰ বা বণিকসকলৰ অর্থনৈতিক দর্শন। এই মতবাদ গোড়া মধ্যযুগীয় ব্যৱস্থাৰ বিৰুদ্ধে এক প্রতিবাদ আছিল আৰু সভ্যতাৰ উন্নতি আৰু বিশ্বৰ ভৱিষ্যত বিকাশৰ বাবে এই ব্যৱস্থাই ব্যৱহাৰিক অর্থনৈতিক শিক্ষা দিছিল। বিভিন্ন অর্থনৈতিক, ৰাজনৈতিক, সাংস্কৃতিক আৰু ধর্মীয় কাৰণত সদাগৰী ব্যৱস্থাৰ উত্থান হৈছিল। সদাগৰী ব্যৱস্থাৰ পৃষ্ঠপোষকসকলে বিভিন্ন ক্ষেত্রত যেনে ৰাষ্ট্রৰ একত্রীকৰণ, ৰাষ্ট্রৰ হস্তক্ষেপ, মৌদ্রিক পদ্ধতি, বাণিজ্যৰ সমতা, বিকাশ আৰু নিয়োগ আদিত তেওঁলোকৰ মত পোষণ কৰিছিল। এই মতসমূহক একেলগে সদাগৰী ব্যৱস্থাৰ বৰঙণি বা মূল নীতি বুলি গণ্য কৰা হয়। বিভিন্ন দুর্বলতাৰ বাবে এই ব্যৱস্থাৰ পতন হ'বলৈ আৰম্ভ কৰিছিল। কিছুমান ইউৰোপীয় উপনিৱেশৰ স্বাধীনতা আৰু বেলেগ দেশসমূহৰ লগত হোৱা প্রতিযোগিতা হ'ল সদাগৰী ব্যৱস্থাৰ পতন হোৱাৰ উল্লেখযোগ্য কাৰণসমূহৰ ভিতৰত অন্যতম। এই অধ্যায়টোত আমি অর্থনৈতিক ভাৱধাৰাৰ ইতিহাসলৈ সদাগৰী ব্যৱস্থাৰ বৰঙণি আৰু এই ব্যৱস্থাৰ উত্থান আৰু পতনৰ বিষয়ে জানিব পাৰিম।

৫.৩ সদাগৰী ব্যৱস্থাৰ অৱলোকন

সদাগৰী ব্যৱস্থা, যাক বাণিজ্যিক পুঁজিবাদ বুলিও জনা যায়, ইউৰোপীয় দেশসমূহত ১৬ আৰু ১৮ শতিকাৰ মাজভাগত উৎপত্তি হৈছিল। ই সদাগৰ আৰু ৰাজনীতিবিদসকলৰ অর্থনৈতিক দর্শন। এই মতবাদে এখন শক্তিশালী ৰাষ্ট্ৰ আৰু অর্থনৈতিক কার্য্যৰ ব্যাপক নিয়মৰ ওপৰত বিশ্বাস কৰিছিল। সোণ-ৰূপ বা ধনৰত্নক ৰাষ্ট্ৰৰ সম্পদৰ ছাবি-কাঠি বুলি ভবা হৈছিল, আৰু সেয়েহে বৈদেশিক বাণিজ্যক নিয়ন্ত্ৰণ কৰা হৈছিল যাতে বাণিজ্যৰ উপনিৱেশসমূহক নিজা দেশত সীমিত কৰি ৰপ্তানিত ৰেহাইৰ দ্বাৰা ৰপ্তানি ৰাহি পাব পাৰি।

উইলিয়াম পেটী, থমাছ মান, জেমছ ষ্টুৱার্ট মিল, ৰিচার্ড কেন্টিলন, ডেভিদ হিউম, জন ল'ক আদি লিখকসকলে সদাগৰী ব্যৱস্থাৰ আকাৰ আৰু মূলনীতিসমূহক গঢ় দিছিল। এই লিখকসকলে এক পদ্ধতিগত আৰু নিশ্চিত চিন্তাধাৰা প্ৰকাশ কৰা নাছিল। তেওঁলোকৰ কোনো সর্বগ্ৰহণযোগ্য ধাৰণাও নাছিল। এই বিভিন্নতা স্বত্বেও সেই সময়ৰ নির্দিষ্ট মৌলিক সমস্যাসমূহত তেওঁলোকে একমত পোষণ কৰিছিল। এই প্ৰৱণতাক দিয়া বিভিন্ন নাম যেনে- সদাগৰী ব্যৱস্থা বা বণিকবাদ, ধাতুবাদ (Bullionism), কেমৰালিজ্‌ম (Cameralism) আদিয়ে ইয়াৰ তিনিটা স্থিতি যেনে- বেপাৰ, ধনৰত্ন আৰু ক্ষমতাক দিয়া এক আপেক্ষিক গুৰুত্বক সূচায়।

৫.৪ সদাগৰী ব্যৱস্থাৰ উত্থানৰ কাৰণসমূহ

ইউৰোপত সদাগৰী মতবাদৰ উত্থানত তলত দিয়া কাৰণসমূহে মুখ্য ভূমিকা লৈছিল-

- **ৰাজনৈতিক কাৰণঃ** সামন্ত বা জমিদাৰী প্ৰথাৰ বিলোপ সাধন সদাগৰী ব্যৱস্থাৰ উত্থানৰ এটা উল্লেখযোগ্য কাৰণ আছিল। সামন্ত প্ৰথাৰ বিলুপ্তি হোৱাত কৃষিক্ষেত্ৰৰ পতন হ'ল আৰু ই লঘূ উদ্যোগৰ উত্থান ঘটালে। লঘূ উদ্যোগৰ উত্থানক চহৰ আৰু ইয়াৰ বণিক শ্ৰেণীয়ে উষ্ম আদৰণি জনালে। তেওঁলোকে লঘূ উদ্যোগৰ ৰাহি উৎপন্ন দ্ৰব্যবিলাক ৰপ্তানি কৰিব বিচাৰিছিল। বণিক শ্ৰেণী আৰু ৰাষ্ট্ৰ প্ৰত্যেকে প্ৰত্যেকৰ ওচৰত নির্ভৰশীল হ'ল। ৰাষ্ট্ৰই সোণ আৰু ৰূপৰ মাধ্যমত অধিক পৰিমাণে ধনৰত্ন সঞ্চয় কৰিব বিচাৰিছিল। অতীতৰ দুর্বল ৰাজনৈতিক সংগঠনবোৰৰ ঠাই শক্তিশালী ৰাষ্ট্ৰই অধিকাৰ কৰিলে। ৰাজনৈতিক একতা আৰু ৰাষ্ট্ৰৰ একত্ৰীকৰণৰ প্ৰয়োজনীয়তাই ইউৰোপত সদাগৰী ব্যৱস্থাৰ জন্ম দিয়াত উদগনি জনালে । এক আর্দশমূলক সদাগৰী শাসনৰ (সর্বময় ৰাজতন্ত্ৰ) আৰম্ভ হ'ল যাক ৰাজনৈতিক একতাৰ বাবে প্ৰয়োজনীয় বুলি গ্ৰহণ কৰা হৈছিল।
- **ধর্মীয় কাৰণঃ** সদাগৰী ব্যৱস্থাৰ উত্থানত ধর্মীয় কাৰণো গুৰুত্বপূর্ণ আছিল। প্ৰায় ১৬ শতিকাৰ আৰম্ভণিতে, ইউৰোপৰ জনসাধাৰণৰ মাজত ধর্মীয় আৰু বৌদ্ধিক জাগৰণ প্ৰবল আছিল। সংস্কাৰ আন্দোলন আৰু প্ৰটেষ্টান্টবাদে ব্যক্তিবাদ আৰু ব্যক্তিগত স্বাধীনতাৰ ধাৰণা বিয়পাই দিছিল। এই ধাৰণাবিলাকে সম্পত্তি আৰু বন্দৰস্তিৰ অধিকাৰৰ বিকাশত সহায় কৰিলে যিটো বিনিময় অর্থনীতিৰ বিকাশ আৰু বাণিজ্যৰ বৃদ্ধিৰ বাবে প্ৰয়োজনীয় পূর্বস্বত্ব আছিল।

- **অর্থনৈতিক কাৰণঃ** সদাগৰী ব্যৱস্থাৰ উত্থানত অর্থনৈতিক কাৰণৰ মূল হৈছে ১৫ শতিকাৰ শেষৰফালে সামন্ত প্রথাৰ পৰিবর্ত্তে বিনিময় অর্থনীতিলৈ হোৱা পৰিৱর্তন। স্থানীয় অর্থনৈতিক স্বাৱলম্বিতা, কৃষিৰ স্থানীয় বিকাশত অত্যধিক গুৰুত্ব, বিনিময় অর্থনীতিৰ অনুপস্থিতি, জমিদাৰৰ দ্বাৰা কৃষিশ্রমিকৰ শোষণ আদি সামন্তযুগীয় বা জমিদাৰী সমাজ ব্যৱস্থাৰ বৈশিষ্ট্য আছিল। এই সামন্তযুগীয় বা জমিদাৰী সমাজ দ্রুতভাৱে বিলোপ হ'বলৈ ধৰিলে, আৰু ইয়াৰ ঠাইত নতুন অর্থনৈতিক ব্যৱস্থা আৰম্ভ হ'ল। পুৰণা কৃষি ব্যৱস্থা তীব্রগতিৰে অর্ন্তধান হ'ল আৰু নির্মাণ অর্থনীতিৰ আৰম্ভণি হ'ল।
- **সাংস্কৃতিক কাৰণঃ** সদাগৰী ব্যৱস্থাৰ উত্থানত সাংস্কৃতিক কাৰণো উল্লেখযোগ্য। নৱজাগৰণ আৰু মানৱতাবোধ - নতুন পোহৰ আৰু শিক্ষণৰ আন্দোলন, যি মধ্যযুগীয় সামন্তবাদৰ বিৰুদ্ধে প্রতিক্রিয়া প্রকাশ কৰিছিল, - এই আন্দোলন মার্টিন লুথাৰৰ 'সংস্কাৰ'তকৈ বেছি গুৰুত্বপূর্ণ আছিল। মানৱতাবাদী দৃষ্টিভংগীৰ বিকাশ নৱজাগৰণৰ বৈশিষ্ট্য আছিল, যি এই পৃথিৱীত মানুহৰ সুখ-শান্তিত গুৰুত্ব দিছিল। মধ্যযুগীয় আদর্শগত স্বর্গৰ দর্শনৰ বিপৰীতে মানৱতাবাদে এই পৃথিৱীৰ পার্থিৱ বা বস্তুগত দর্শনৰ ওপৰত ভিত্তি কৰিছিল।
- **বৈজ্ঞানিক আৰু প্রযুক্তিগত কাৰণঃ** মধ্যযুগত বিজ্ঞান আৰু প্রযুক্তিবিদ্যাত হোৱা নতুন আৱিস্কাৰে সদাগৰী ব্যৱস্থাৰ দর্শন আৰু নীতিসমূহক উৎসাহিত কৰিছিল। মেৰিনাৰৰ কম্পাছ যন্ত্র, কল'স্বাছৰ আমেৰিকা আৱিস্কাৰ, সোণ আৰু ৰূপৰ খনি আৱিস্কাৰ, তথা ছপাশালৰ আৱিস্কাৰে বৈদেশিক বাণিজ্যক নতুন মাত্রা দিয়ে। এইদৰে সদাগৰী ব্যৱস্থা বাণিজ্যিক পুঁজিবাদ হিচাপে সৱহসংখ্যক ইউৰোপীয় দেশতে গা কৰি উঠে।

  সদাগৰী ব্যৱস্থাৰ পৃষ্ঠপোষকসকল আৰম্ভণিৰ অর্থনীতিবিদ, যিসকলে প্রথমে ৰাষ্ট্রৰ হস্তক্ষেপ নীতিৰ অধীনত উদ্যোগ আৰু বেপাৰ-বাণিজ্য বিকাশৰ জৰিয়তে ৰাষ্ট্র প্রতিষ্ঠাৰ বাবে শক্তিশালী প্রচেষ্টা চলাইছিল। তেওঁলোকৰ সময়ৰ প্রকৃত সমস্যাবিলাক অনুধাৱন কৰা তথা সমাধান কৰাত সদাগৰী ব্যৱস্থাৰ লিখকসকলে দেখুওৱা ব্যৱহাৰিক জ্ঞানত লিখকসকলৰ গুৰুত্ব সোমাই আছে। সদাগৰীবাদৰ ধাৰণা আৰু নীতিসমূহত পৃষ্ঠপোষকসকলে দেখুওৱা ব্যৱহাৰিক দৃষ্টিকোণৰ বাবে লর্ড কেইনছে এই ধাৰণা আৰু নীতিসমূহত স্মিথ আৰু অন্যান্যসকলৰ নীতিতকৈ বেছি সত্যতা পাইছিল।

৫.৫ সদাগৰী ব্যৱস্থাৰ মূল নীতিসমূহ

অর্থনৈতিক ভাৱধাৰাৰ ইতিহাসত সদাগৰী ব্যৱস্থাৰ মৌলিক ধাৰণা বা বৰঙণিসমূহ তলত দিয়া ধৰণে জুখিব পাৰি-

- **সদাগৰী ব্যৱস্থাৰ পাঁচটা স্থিতিঃ**
  - ➢ অর্থনৈতিক একত্রীকৰণ পদ্ধতি হিচাপে
  - ➢ সংৰক্ষণ পদ্ধতি হিচাপে

- শাসনৰ পদ্ধতি হিচাপে
- মৌদ্রিক পদ্ধতি হিচাপে
- ৰাষ্ট্রৰ ধাৰণা হিচাপে

- **ৰাষ্ট্রৰ একত্রীকৰণ আৰু ক্ষমতাৰ শক্তিশালীকৰণঃ** বেপাৰ-বাণিজ্য, সোণ-ৰূপ ইত্যাদিৰে সমৃদ্ধ এখন শক্তিশালী ৰাষ্ট্রৰ নীতি সদাগৰী ব্যৱস্থাৰ মূলনীতি। এই ব্যৱস্থাৰ পৃষ্ঠপোষকসকলে এই মত পোষণ কৰিছিল যে ৰাজনৈতিক একতা আৰু ৰাষ্ট্রৰ ক্ষমতা বৃদ্ধি অৰ্থনৈতিক সমৃদ্ধিৰ সৈতে ওতপ্রোতঃভাৱে জড়িত। অৰ্থনৈতিক, ৰাজনৈতিক আৰু সামৰিক ক্ষমতা শক্তিশালী কৰিবলৈ এখন ক্ষমতাশালী কেন্দ্রীয় ৰাষ্ট্রৰ প্রয়োজন।
- **ৰাষ্ট্রৰ হস্তক্ষেপৰ ধাৰণাঃ** ৰাষ্ট্রৰ অৰ্থনৈতিক পৰিক্রমাৰ সঠিক পৰিচালনাৰ বাবে ৰাষ্ট্রৰ হস্তক্ষেপ প্রয়োজনীয় বুলি সদাগৰী ব্যৱস্থাৰ পৃষ্ঠপোষকসকলে বিশ্বাস কৰিছিল। সদাগৰী ব্যৱস্থাৰ প্রচলন থকা অৱস্থাত বিট্রেইনত অৰ্থনৈতিক কার্য্যত বহুত বেছি ৰাষ্ট্রৰ হস্তক্ষেপ আছিল। বিশিষ্ট অৰ্থনৈতিক ইতিহাসবিদ ই. লিপছনৰ মতে, সদাগৰী ব্যৱস্থাৰ ভৰপক দিনত বিট্রেইনত প্রথম পৰিকল্পিত অৰ্থনীতিৰ সূচনা হৈছিল। এই ব্যৱস্থাৰ পৃষ্ঠপোষকসকলে পৰামর্শ দিছিল যে অৰ্থনীতিত ৰাষ্ট্রই সংৰক্ষণবাদীৰ ভূমিকা ল'ব লাগে। এনে কৰিবৰ বাবে ৰাষ্ট্রই শুল্ক (Tariff) ব্যৱহাৰৰ জৰিয়তে ৰপ্তানি বৃদ্ধি আৰু আমদানিক নিৰুৎসাহ কৰিব লাগে। সেইসময়ত সদাগৰী মতবাদৰ প্রভাৱত প্রথমবাৰৰ বাবে অৰ্থনীতিৰ ওপৰত ৰাষ্ট্রৰ উল্লেখনীয় হস্তক্ষেপ আৰু নিয়ন্ত্রণৰ দৃষ্টান্ত দেখা গৈছিল। বহুসংখ্যক আধুনিক পুঁজিবাদী পদ্ধতিৰ স্থাপন হৈছিল। ৰাষ্ট্রৰ হস্তক্ষেপৰ এই সংঘাতৰ বাবে, সদাগৰী ব্যৱস্থাই সেইসময়ৰ বহু ইউৰোপীয় যুদ্ধক আন্তঃৰাষ্ট্রীয় স্তৰত উৎসাহিত কৰিছিল, কাৰণ ইউৰোপীয় শক্তি সমূহে সেইসময়ত উপলব্ধ হৈ থকা বজাৰবোৰৰ বাবে যুদ্ধ কৰিছিল।
- **সংৰক্ষণবাদী আৰু মৌদ্রিক পদ্ধতি হিচাপেঃ** সংৰক্ষণবাদী আৰু মৌদ্রিক পদ্ধতি হিচাপে সদাগৰী ব্যৱস্থাই দ্রব্য আৰু মুদ্রাৰ প্রতি এক বিশেষ দৃষ্টিভংগী প্রকাশ কৰিছিল । দ্রব্যৰ ক্ষেত্রত সদাগৰী ব্যৱস্থাৰ পৃষ্ঠপোষকসকলে "দ্রব্যৰপৰা ভয়" এই দৃষ্টিভংগী লৈছিল আৰু মুদ্রাৰ ক্ষেত্রত তেওঁলোকে "মুদ্রাৰ প্রতি ক্ষুধা" এই দৃষ্টিভংগী প্রদর্শন কৰিছিল। সদাগৰী ব্যৱস্থাৰ মৌদ্রিক পদ্ধতিৰ তাত্ত্বিক গঠন তিনিটা অনুসিদ্ধান্তৰ ওপৰত ভিত্তি কৰিছিল-
  - সম্পদ মুদ্রাৰপৰা সৃষ্টি হয়
  - মুদ্রাক বিনিময়ৰ মাধ্যম হিচাপে ব্যৱহাৰ কৰিব লাগে
  - মূল্যৱান বস্তুৰ মজুতত মুদ্রাক সঞ্চিত ধন-ৰত্ন হিচাপে সংগ্রহ কৰিব নালাগে।

  এহাতেদি তেওঁলোকে অতিমাত্রা দ্রব্যৰ কু-প্রভাৱৰ পৰা দেশখনক ৰক্ষণাবেক্ষণ দিব বিচাৰিছিল আৰু অন্যহাতেদি সোণ-ৰূপৰ মাধ্যমত অত্যধিক ধন-ৰত্ন আহৰণ কৰিবলৈ বিচাৰিছিল।
- **বাণিজ্যৰ সমতা ঃ** সদাগৰী ব্যৱস্থাৰ পৃষ্ঠপোষকসকলে অনুকূল বাণিজ্যৰ সমতাৰ পক্ষত আছিল, যাৰ বাবে আমদানিৰ তুলনাত ৰপ্তানিৰ ক্ষেত্রত ৰাহি সৃষ্টি কৰাৰ প্রয়োজন হৈছিল। তেওঁলোকৰ মতে এখন দেশৰ সোণৰ পৰিমাণ বৃদ্ধি কৰিবৰ বাবে আমদানিৰ ওপৰত ৰপ্তানিৰ

আধিক্য থাকিব লাগে। ইয়াৰ বাবে মুঠ উৎপন্নৰ সৰ্বাধিক পৰিমাণে বৃদ্ধি কৰিবই লাগিব। মুঠ উৎপন্ন বৃদ্ধি কৰিবলৈ হ্ৰস্বম্যাদী ব্যৱস্থা হিচাপে দেশৰ মানৰ আৰু প্ৰাকৃতিক সম্পদৰ পূৰ্ণ আৰু ফলপ্ৰসু ব্যৱহাৰৰ পৰামৰ্শ দিয়া হৈছিল। এই লক্ষ্যত উপনীত হ'বলৈ তলত উল্লেখিত ব্যৱস্থাসমূহ গ্ৰহণ কৰিবলৈ কোৱা হৈছে-

- নিবনুৱা আৰু অনুন্নত অৱস্থা বিলোপ কৰা
- অব্যৱহৃত ভূমি আৰু অন্যান্য প্ৰাকৃতিক সম্পদৰ ব্যৱহাৰ
- অধিক ফলপ্ৰসূ উৎপাদন পদ্ধতিৰ প্ৰয়োগ
- নিম্ন উৎপাদনশীল জীৱিকাৰ পৰা অধিক উৎপাদনশীল জীৱিকালৈ শ্ৰমিকক স্থানান্তৰ।

দীৰ্ঘসময়ত শ্ৰমশক্তি বৃদ্ধি কৰি সামগ্ৰিক উৎপাদন বৃদ্ধি কৰিব পাৰি। বয়সৰ গাঁথনি স্থিৰ বুলি ধৰিলে, শ্ৰমিকৰ বৃদ্ধি জনসংখ্যা বৃদ্ধিৰ ওপৰত নিৰ্ভৰ কৰে।

- **বৃদ্ধি আৰু বিকাশ ঃ** সদাগৰী ব্যৱস্থাৰৰ পৃষ্ঠপোষকসকলৰ মতে, এক সুসংগত অৰ্থনৈতিক বিকাশৰ বাবে জনসাধাৰণৰ অৰ্থনৈতিক জীৱনত ৰাষ্ট্ৰৰ হস্তক্ষেপ প্ৰয়োজনীয়। বিভিন্ন খণ্ড বিলাকৰ বিকাশৰ ক্ষেত্ৰত বৈদেশিক বাণিজ্য আৰু উদ্যোগক অধিক গুৰুত্ব দিয়া হৈছিল, কাৰণ এই খণ্ডবিলাকৰ বৃদ্ধি আৰু বিকাশে আন খণ্ডসমূহৰ বিকাশৰ বাট দেখুৱায়। কৃষিত তেওঁলোকে অগ্ৰাধিকাৰ দিয়া নাছিল।

অৰ্থনীতিৰ বিকাশত উৎপাদনৰ বিভিন্ন উপাদনসমূহৰ ভূমিকাৰ বিষয়ে সদাগৰী ব্যৱস্থাৰ পৃষ্ঠপোষকসকলৰ দৃষ্টিভংগী পৃথক পৃথক আছিল। শ্ৰমক প্ৰথম স্থান, ভূমিক দ্বিতীয় আৰু ইয়াৰ পাছত মূলধনক স্থান দিয়া হৈছিল। তেওঁলোকৰ মতে, শ্ৰমৰ বৃদ্ধিয়ে ৰাষ্ট্ৰীয় উৎপাদন বৃদ্ধি কৰে, শ্ৰম শক্তিৰ বৃদ্ধিয়ে মুঠ উৎপাদন বৃদ্ধিক সূচায়। উদ্যোগিক ক্ষেত্ৰত ভূমিক শ্ৰমৰ বাবে উপযোগী বুলি বিবেচনা কৰা হৈছিল, কাৰণ ই শ্ৰমিকক কেচাঁ-সামগ্ৰী আৰু ভৰণ-পোষণ দিছিল।



অগ্ৰগতি নিৰীক্ষণ

১ নং প্ৰশ্ন ঃ সদাগৰী ব্যৱস্থাৰ স্থিতি তিনিটা কি কি? (৩০ টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

.....

.....

.....

২ নং প্ৰশ্ন ঃ সামন্ত বা জমিদাৰী প্ৰথাৰ বৈশিষ্ট্যসমূহ কি কি? (৪০ টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

.....

.....

.....

.....

৩ নং প্রশ্ন ঃ সদাগৰী ব্যৱস্থাৰ পৃষ্ঠপোষকসকলৰ মতে ৰাষ্ট্ৰৰ হস্তক্ষেপ কিয় প্ৰয়োজন? (৩০ টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

.....

.....

.....

৪ নং প্রশ্ন ঃ বাণিজ্যৰ সমতাৰ ক্ষেত্ৰত সদাগৰী ব্যৱস্থাৰ পৃষ্ঠপোষকসকলে কি নীতিক সমৰ্থন কৰিছিল?

.....

৫.৬ সদাগৰী ব্যৱস্থাৰ পতন

সদাগৰী ব্যৱস্থা ৰাষ্ট্ৰ একত্ৰীকৰণৰ এক নীতি আৰু ক্ষমতা, সংৰক্ষণ তথা মৌদ্ৰিক অনুষ্ঠানৰ এক পদ্ধতি আছিল। ৰাষ্ট্ৰৰ ঔদ্যোগিক কাৰ্য্য বৃদ্ধি এই মতবাদৰ লক্ষ্য বা উদ্দেশ্য আছিল আৰু ই বাণিজ্যৰ স্বাধীনতাক অনুমতি দিছিল। জমিদাৰী সমাজক উন্নত বাণিজ্যিক পুঁজিবাদলৈ পৰিবৰ্ত্তন কৰাত এই ব্যৱস্থাই গুৰুত্ব দিছিল। সদাগৰী ব্যৱস্থাৰ কেইজনমান পৃষ্ঠপোষক যেনে পেটী, ল'ক, নৰ্থ আদিয়ে, যি উদাৰপন্থী আছিল, ফ্ৰান্সত ক'লবাৰ্টে আৰু ইংলেণ্ডত ৰজাই প্ৰয়োগ কৰা নীতিসমূহক সমালোচনা কৰাত সদাগৰী ব্যৱস্থাৰ পতন আৰম্ভ হয়। ফ্ৰান্সত সমালোচনাৰ ভাষা অধিক শক্তিশালী আছিল। কিছুসংখ্যক উপনিৱেশৰ স্বাধীনতাৰ লগে লগে প্ৰকৃতাৰ্থত সদাগৰী ব্যৱস্থাৰ পতন হৈছিল। এই ব্যৱস্থাৰ পতনৰ আনটো কাৰণ হৈছে অন্যান্য ৰাষ্ট্ৰৰ সৈতে হোৱা প্ৰতিযোগিতা, যি একেধৰণৰ দ্ৰব্য উৎপাদন কৰিছিল। এই ব্যৱস্থাৰ সমালোচনা হোৱা প্ৰধান দিশবোৰ আছিল-

- ৰাষ্ট্ৰৰ দ্বাৰা নিয়ন্ত্ৰিত বৈদেশিক বাণিজ্য
- অতিমাত্ৰা কৰ
- কৃষিৰ প্ৰতি অৱহেলা

১৭৭৬ চনত আদাম স্মিথৰ 'Wealth of Nations' প্ৰকাশ পোৱাৰ লগে লগে সদাগৰীবাদৰ সমালোচনা তুংগত উঠিল। স্মিথে সদাগৰীবাদৰ বাণিজ্য আৰু মুদ্ৰাৰ ধাৰণাৰ বিৰুদ্ধে বহু গম্ভীৰ আপত্তি দৰ্শালে-

- সদাগৰীবাদৰ লিখকসকলক 'বিপথে পৰিচালিত হোৱা' বুলি গণ্য কৰা হৈছিল কাৰণ—
  - তেওঁলোকে ৰাষ্ট্ৰৰ অৰ্থনৈতিক স্বাৰ্থক ৰক্ষণাৱেক্ষণ দিয়াৰ বাবে ৰাষ্ট্ৰৰ হস্তক্ষেপক স্বীকৃতি দিছিল, আৰু
  - তেওঁলোকে ৰপ্তানিৰ ক্ষেত্ৰত ৰাহি সৃষ্টিৰ আৰু আমদানীৰ ক্ষেত্ৰত নিষেধাজ্ঞাৰ সপক্ষে আছিল।

- অনুকূল বাণিজ্য সমতা তত্ত্ব ব্যর্থ হৈছিল। ধনৰত্নৰ বর্দ্ধিত প্রবাহে ৰপ্তানিকৃত দ্রব্যৰ দৰস্তৰক কৰা প্রভাৱ তেওঁলোকে আওকাণ কৰিছিল।
- সদাগৰীবাদৰ সমর্থকসকলে নিজৰ সমৃদ্ধিৰ বাবে আনৰ লোকচান হোৱা নীতি সমর্থন কৰিছিল আৰু আন দেশৰ ব্যয়ত (অর্থাৎ আমদানি কম, ৰপ্তানি বেছি) তেওঁলোকে অনুকূল বাণিজ্য সমতা লাভ কৰা নীতিক লক্ষ্য হিচাপে লৈছিল।
- সদাগৰীবাদৰ পৃষ্ঠপোষকসকল সংকীর্ণ ৰাষ্ট্রীয়তাবাদী আছিল আৰু তেওঁলোকৰ বিশ্লেষণত সর্ব দেশীয় দৃষ্টিকোণ দেখা নগৈছিল।
- তেওঁলোকে বৈদেশিক বাণিজ্যক অপ্রয়োজনীয়ভাৱে গুৰুত্ব দিছিল আৰু কৃষি তথা অন্যান্য জীৱিকাসমূহক আওকাণ কৰিছিল।
- প্রাকৃতিক নিয়ম আৰু আইন-কানুনৰ পৰা তেওঁলোক আঁতৰি আছিল। এই ব্যৱস্থাৰ পাছত অহা প্রকৃতিবাদত এই "প্রাকৃতিক নিয়ম বা পদ্ধতি"য়েই মূল বিষয়বস্তু আছিল।
- সদাগৰীবাদৰ পৃষ্ঠপোষকসকলে ভূলকৈ গণ্য কৰিছিল যে সম্পদে ধন, সোণ আৰু অন্যান্য মূল্যবান ৰত্ন বা ধাতুসমূহক বুজায়। তেওঁলোকে এইটোও ভূলকৈ ভাবিছিল যে সম্পদ নিজেই এটা প্রাপ্তি বা লক্ষ্য।
- বজাৰৰ শক্তিসমূহৰ স্বতঃস্ফূর্ত কার্য্যৰ চামিলকৰণ আৰু বোধগম্যতা সদাগৰী ব্যৱস্থাত নাছিল।



অগ্রগতি নিৰীক্ষণ

৫ নং প্রশ্ন ঃ সদাগৰী ব্যৱস্থাৰ পৃষ্ঠপোষকসকলে কোনটো ক্ষেত্রক অৱজ্ঞা কৰিছিল? (২০ টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

.....

.....

৬ নং প্রশ্ন ঃ সদাগৰী ব্যৱস্থাৰ লিখকসকলক বিপথে পৰিচালিত হোৱা বুলি কোৱা হয়। কিয়? কাৰণসমূহ উল্লেখ কৰক। (৬০ টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

.....

.....

.....

.....

.....



৫.৭ অধ্যায়টোৰ পৰা আমি কি শিকিলো

- সদাগৰীবাদ বা বাণিজ্যিক পুঁজিবাদ, সদাগৰ বা বণিকসকলৰ অর্থনৈতিক দর্শন আছিল। ইয়াত ধনৰত্ন বা মূল্যবান ধাতুসমূহক ৰাষ্ট্রৰ সম্পদৰ ছাবি-কাঠি বুলি গণ্য কৰা হৈছিল।

- উইলিয়াম পেটী, থমাছ মান, জেমছ ষ্টুৱার্ট মিল, ডেভিদ হিউম আদি লিখকসকলে ১৬ আৰু ১৮ শতিকাৰ সময়ছোৱাত ইউৰোপীয় দেশসমূহত ইয়াৰ আকৃতি আৰু মূলনীতিসমূহ প্ৰকাশ কৰিছিল।
- বিভিন্ন ধৰণৰ অৰ্থনৈতিক, ৰাজনৈতিক, সাংস্কৃতিক আৰু ধৰ্মীয় কাৰণত সদাগৰী ব্যৱস্থাৰ উত্থান হৈছিল। এই ক্ষেত্ৰবিলাকত হোৱা বিভিন্ন পৰিবৰ্ত্তনে সদাগৰীবাদৰ উত্থানত বৰঙণি যোগাইছিল।
- সদাগৰীবাদৰ লিখকসকলে ৰাষ্ট্ৰৰ একত্ৰীকৰণ, ৰাষ্ট্ৰৰ হস্তক্ষেপ, মৌদ্ৰিক ব্যৱস্থা, বাণিজ্য সমতা, বৃদ্ধি আৰু বিকাশ আদি বিভিন্ন ক্ষেত্ৰত তেওঁলোকৰ মত প্ৰকাশ কৰিছিল। এই মতসমূহক সদাগৰী ব্যৱস্থাৰ পৃষ্ঠপোষকসকলৰ বৰঙণি বা মূলনীতি বুলি গণ্য কৰা হয়।
- তেওঁলোক অনুকূল বাণিজ্য সমতাৰ পক্ষপাতী আছিল যাৰ বাবে আমদানিৰ তুলনাত ৰপ্তানিত ৰাহি সৃষ্টি হোৱাটো বাঞ্ছনীয়। তেওঁলোকৰমতে সোণৰ পৰিমাণ বৃদ্ধি কৰাটো প্ৰয়োজনীয় আছিল।
- বিভিন্ন ধৰণৰ দুৰ্বলতাই সদাগৰীবাদৰ পতনৰ সূচনা কৰিছিল।
- কিছুসংখ্যক ইউৰোপীয় উপনিৱেশৰ স্বাধীনতা আৰু অন্যান্য ৰাষ্ট্ৰৰ সৈতে হোৱা প্ৰতিযোগিতা সদাগৰী ব্যৱস্থা পতন হোৱাৰ কাৰণসমূহৰ অন্যতম আছিল।
- সদাগৰীবাদৰ কেইজনমান লিখকে, ফ্ৰান্সত কলৰ্বাটে আৰু ইংলেণ্ডত ৰজাই গ্ৰহণ কৰা অৰ্থনৈতিক নীতিসমূহক সমালোচনা কৰিছিল। ৰাষ্ট্ৰ নিয়ন্ত্ৰিত বৈদেশিক বাণিজ্য, অধিক কৰ, কৃষিৰ অৱহেলা আদি সদাগৰী ব্যৱস্থাৰ কিছুমান দুৰ্বলতা বা সমালোচনা।
- আদাম স্মিথৰ 'Wealth of Nations' (১৭৭৬) প্ৰকাশ পোৱাৰ লগে লগে সদাগৰীবাদৰ সমালোচনা তুংগত উঠিল, এই গ্ৰন্থত স্মিথে সদাগৰীবাদৰ বেপাৰ-বাণিজ্য আৰু মুদ্ৰাৰ ধাৰণাৰ বিৰুদ্ধে বহুত গম্ভীৰ আপত্তি দৰ্শালে।

৫.৮ অধিক জানিবলৈ

1) Bhatia, H.L. (2007). *History of Economic Thought.* New Delhi : Vikash Publishing House.
2) Loknathan, V. (2010). *A History of Economic Thought.* New Delhi : S Chand & Company Ltd.
3) Paul R.R. (2008). *History of Economic Thought.* Ludhiana : Kalyani Publishers.

৫.৯ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ সদাগৰীব্যৱস্থাৰ তিনিটা স্থিতি হৈছে - বেপাৰ-বাণিজ্য, ধনৰত্ন আৰু ক্ষমতা।

২ নং প্রশ্নৰ উত্তৰ ঃ সামন্ত বা জমিদাৰী সমাজৰ বৈশিষ্ট্য হৈছে - স্থানীয় অর্থনৈতিক স্বাৱলম্বিতাৰ গুৰুত্ব, কৃষিৰ স্থানীয় বিকাশত অত্যধিক প্রাধান্য, বিনিময় অর্থনীতিৰ অনুপস্থিতি, জমিদাৰ বা সামন্ত প্রভুৰ দ্বাৰা কৃষি শ্রমিকৰ শোষণ ইত্যাদি।

৩ নং প্রশ্নৰ উত্তৰ ঃ সদাগৰীবাদৰ পৃষ্ঠপোষক সকলৰমতে সমাজৰ অর্থনৈতিক পৰিক্রমাৱলীৰ সঠিক পৰিচালনাৰ বাবে ৰাষ্ট্রৰ হস্তক্ষেপৰ প্রয়োজন।

৪ নং প্রশ্নৰ উত্তৰ ঃ বাণিজ্য সমতাৰ ক্ষেত্রত সদাগৰীবাদৰ পৃষ্ঠপোষকসকলে ৰপ্তানিৰ ৰাহি সৃষ্টি কৰাত সমর্থন কৰিছিল যাৰ বাবে আমদানিৰ পৰিমাণ হ্রাস কৰিব লাগিছিল।

৫ নং প্রশ্নৰ উত্তৰ ঃ সদাগৰীবাদত কৃষিক অৱজ্ঞা কৰা হৈছিল।

৬ নং প্রশ্নৰ উত্তৰ ঃ সদাগৰী ব্যৱস্থাৰ পৃষ্ঠপোষকসকল "বিপথে পৰিচালিত হোৱা" বুলি গণ্য কৰা হৈছিল কাৰণ -

- তেওঁলোকে ৰাষ্ট্রৰ অর্থনৈতিক স্বার্থক ৰক্ষণাৱেক্ষণ দিয়াৰ বাবে ৰাষ্ট্রৰ হস্তক্ষেপক স্বীকৃতি দিছিল, আৰু
- তেওঁলোক ৰপ্তানিৰ ক্ষেত্রত ৰাহি সৃষ্টিৰ আৰু আমদানিৰ ক্ষেত্রত নিষেধাজ্ঞাৰ সপক্ষে আছিল।

৫.১০ আৰ্হি প্রশ্ন

চুটি প্রশ্ন (১৫০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

১ নং প্রশ্ন ঃ 'বাণিজ্য সমতা' ধাৰণাটো বাখ্যা কৰক।

২ নং প্রশ্ন ঃ সদাগৰী ব্যৱস্থাৰ উত্থানৰ মূল কাৰণসমূহ কি কি?

৩ নং প্রশ্ন ঃ "সদাগৰী ব্যৱস্থাৰ পৃষ্ঠপোষক সকলে বাণিজ্যৰ হস্তক্ষেপত গুৰুত্ব দিছিল" - বাখ্যা কৰক।

ৰচনাধর্মী প্রশ্ন (৩০০-৫০০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

১ নং প্রশ্ন ঃ সদাগৰী ব্যৱস্থাৰ সংৰক্ষণবাদী আৰু মৌদ্রিক পদ্ধতি হিচাপে বাখ্যা কৰক।

২ নং প্রশ্ন ঃ সদাগৰী ব্যৱস্থাৰ মূল নীতিসমূহ আলোচনা কৰক।

৩ নং প্রশ্ন ঃ সদাগৰী ব্যৱস্থাৰ পতনৰ কাৰণসমুহ আলোচনা কৰক।

*** ***** ***

অধ্যায় গাঁথনি

৬.১ উদ্দেশ্য
৬.২ পৰিচয়
৬.৩ প্রকৃতিবাদৰ অৱলোকন
৬.৪ প্রকৃতিবাদৰ মূল নীতি বা ধাৰণাসমূহ
৬.৪.১ প্রাকৃতিক পদ্ধতি বা নিয়ম
৬.৪.২ নিগুটি উৎপন্ন দ্রব্য
৬.৪.৩ সম্পদৰ চলাচল
৬.৪.৪ কৰ নীতি
৬.৪.৫ বাণিজ্য
৬.৪.৬ মূল্য
৬.৪.৭ মজুৰি
৬.৪.৮ মুদ্রা আৰু সুত
৬.৫ অধ্যায়টিৰপৰা আমি কি শিকিলোঁ
৬.৬ অধিক জানিবলৈ
৬.৭ অগ্রগতিৰ খতিয়ান
৬.৮ আৰ্হি প্রশ্ন

৬.১ উদ্দেশ্য

এই অধ্যায়টো অধ্যয়ন কৰি আপুনি-

- প্রকৃতিবাদীসকলৰ কার্য্যবিলাক জানিব পাৰিব
- প্রকৃতিবাদৰ মূল ধাৰণাসমূহৰ যেনে প্রাকৃতিক পদ্ধতি, নিগুটি উৎপন্ন দ্রব্য, সম্পদৰ চলাচল, কৰ নীতি আৰু বাণিজ্যৰ বিষয়ে ব্যাখ্যা কৰিব পাৰিব
- প্রকৃতিবাদৰ গুণ আৰু দোষসমূহ বুজিব পাৰিব।

৬.২ পৰিচয়

এই অধ্যায়টোৰ পৰা আপুনি প্রকৃতিবাদৰ অর্থনৈতিক ধাৰাণা আৰু নীতিসমূহৰ বিষয়ে জানিব পাৰিব। ফ্রান্সত ১৮ শতিকাৰ মাজভাগত গঢ়ি উঠা অর্থনৈতিক চিন্তা-চর্চাবোৰক একত্রিতভাৱে প্রকৃতিবাদ বুলি কোৱা হয়। যিসকল অর্থনীতিবিদে প্রকৃতিবাদৰ ধাৰণাসমূহৰ উত্থানত বৰঙণি যোগাইছিল তেখেতসকলক প্রকৃতিবাদী বুলি আখ্যা দিয়া হয়। প্রকৃতিবাদ সদাগৰী ব্যৱস্থাৰ প্রতি এক প্রতিক্রিয়া আছিল। প্রকৃতিবাদীসকলে বিশ্বাস কৰিছিল যে সদাগৰী ব্যৱস্থাৰ নীতিসমূহ

কার্য্যকৰী কৰাত মানুহে কিছুমান কুফল ভোগ কৰিব লগা হ'ল। সেয়ে, তেওঁলোকে সদাগৰী ব্যৱস্থাৰ বিৰুদ্ধে বিদ্রোহ কৰি কিছুমান নতুন নীতি আৰু ধাৰণা আগবঢ়ালে। প্রকৃতিবাদক অর্থনৈতিক চিন্তাৰ প্রথম ভাৱধাৰা বুলি গণ্য কৰা হয়। কুৰেছনে আৰু টাৰগতে প্রকৃতিবাদী ভাৱধাৰাৰ নেতৃত্ব দিছিল। প্রকৃতিবাদীসকলে প্রাকৃতিক নিয়ম (যি নিয়মে বিশ্বব্রহ্মাণ্ডক পৰিচালনা কৰে)ৰ অস্তিত্বক বিশ্বাস কৰিছিল।

৬.৩ প্রকৃতিবাদৰ অৱলোকন

পশ্চিম ইউৰোপৰ দেশসমূহত সদাগৰী ব্যৱস্থা এক তত্ব আৰু দর্শন হিচাপে অকামিলা বা পতন হোৱাৰ ফলশ্রুতিত আৰু অধিক পৰিকল্প অর্থনৈতিক চিন্তাৰ বাট মুকলি হ'ল যিদৰে বাণিজ্যিক পুজিঁবাদে ঔদ্যোগিক পুঁজিবাদৰ জন্ম দিছিল। এই পৰিপক্কতাৰ প্রক্রিয়া ইংলেণ্ডত মন্থৰ আছিল, কিন্তু একেসময়তে, ফ্রান্সত এই প্রক্রিয়াৰ দ্রুত অংকুৰণ হৈছিল প্রকৃতিবাদৰ ৰূপত যি সুসংহত আৰু শৃংখলিত আছিল- প্রকৃতিবাদ এক ভাৱধাৰা আৰু দর্শন যি ১৭৫৬ চনৰ পৰা ১৭৭৮ চনলৈকে এক চমু সময় কিন্তু প্রবলভাৱে বর্তি আছিল।

প্রকৃতিবাদ যাৰ অর্থ প্রাকৃতিক পদ্ধতিৰ নিয়ম, কেইজনমান ফৰাচী দার্শনিকৰ গোটে যেনে ফ্রান্সিছ কুৰেছনে, ৰিভিয়েৰা, টাৰগত, ডু'পন্ট ডি. নেম'ৰছ (Dupont de Nemours), মীৰাবিও (Mirabeau), বৌডেও, ট্রেছনে আদিয়ে সমর্থন কৰিছিল। তেওঁলোকে এই মত পোষণ কৰিছিল যে এক বিশ্বজনীন প্রকৃতিৰ নিয়মত ভৌতিক পৃথিৰী বা জৈৱিক জীৱন পৰিচালিত হয় আৰু এই প্রাকৃতিক পদ্ধতি বা নিয়মটো মানুহৰ সুখ-সমৃদ্ধিৰ বাবে ভগৱানে নির্দিষ্ট কৰি দিছে। ই এক সম্পদৰ তত্ত্ব, যি কৃষিৰ ওপৰত গুৰুত্ব দিছিল। তেওঁলোকৰ মতে কৃষিশ্রম ইমানেই বেছি উৎপাদনশীল যে ই অকলেই ৰাহি মূল্য উৎপন্ন কৰিব পাৰে। প্রকৃতিবাদীসকলে অর্থনৈতিক চিন্তাৰ প্রথম ভাৱধাৰা উত্থানত আধাৰ স্থাপন কৰিছিল। সদাগৰী ব্যৱস্থাৰ বিৰুদ্ধে এক প্রতিক্রিয়া বুলি প্রকৃতিবাদক সংজ্ঞাৱদ্ধ কৰা হয়।

সেই সময়ৰ ফ্রান্সৰ আর্থসামাজিক ব্যৱস্থা প্রকৃতিবাদৰ উত্থানৰ মূল কাৰণ। কৃষিৰ পতন তথা ক্রমবর্দ্ধিত কৰৰ বোজাই ফ্রান্সত কৃষি শ্রমিকসকলৰ জীৱন দুর্দশাগ্রস্ত কৰি তুলিছিল। এই অৱস্থাই কৃষিৰ বাবে আন্দোলনৰ এটা হাবিয়াস সৃষ্টি কৰিছিল।

লুই পঞ্চদশ আৰু লুই ষষ্ঠদশৰ ব্যয়বহুল বিলাসী জীৱনশৈলীৰ বাবে উদ্ভৱ হোৱা ফ্রান্সৰ দেউলীয়া অর্থনীতিক উদ্ধাৰৰ বাবে প্রকৃতিবাদ এক প্রচেষ্টা হিচাপে আর্বিভাৱ হৈছিল। উচ্চকৰৰ আৰোপে দৰিদ্র জনসাধৰণৰ বিলাই-বিপত্তি বঢ়াই তুলিছিল।



অগ্রগতি নিৰীক্ষণ

১ নং প্রশ্ন ঃ প্রকৃতিবাদৰ মূল গুৰুত্ব কি আছিল? (১০ টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

.....

২ নং প্রশ্ন ঃ প্রকৃতিবাদৰ অর্থনীতিবিদসকলৰ নাম লিখক ? (২০ টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

.....

.....

৬.৪ প্রকৃতিবাদৰ মূলনীতি বা ধাৰণাসমূহ

আমি প্রকৃতিবাদৰ মূলনীতি বা ধাৰণাসমূহৰ ওপৰত তলত আলোচনা কৰিম-

৬.৪.১ প্রাকৃতিক পদ্ধতি বা নিয়ম

প্রকৃতিবাদৰ দর্শন প্রাকৃতিক পদ্ধতিৰ ওপৰত ভিত্তি কৰি হৈছিল। ডু'পন্ট ডি. নেম'ৰছে (Dupont de Nemours) প্রকৃতিবাদক 'প্রাকৃতিক পদ্ধতিৰ বিজ্ঞান' বুলি সংজ্ঞা প্রদান কৰিছে। প্রকৃতিবাদৰ সমর্থকসকলৰ মতে জ্ঞানী আৰু পৰোপকাৰী, 'প্রকৃতি আৰু মানুহৰ সৃষ্টিকর্তা' ভগৱানে "মানৱ সমাজ আৰু প্রাকৃতিক বিশ্বব্রহ্মাণ্ডৰ সুচল আৰু শৃংখলিত কার্য্য পালন সুনিশ্চিত কৰিবৰ বাবে" প্রাকৃতিক পদ্ধতিটো নিদির্ষ্ট কৰি দিছে। এই প্রাকৃতিক পদ্ধতিত আমি প্রত্যেকেই পৰস্পৰৰ ওপৰত নির্ভৰশীল। যিহেতু এই পদ্ধতি ভগৱানে সৃষ্টি কৰিছে, গতিকে ই অনন্ত (অবিনাশী) আৰু অপৰিৱর্তনীয় পৰিঘটনা। প্রাকৃতিক পদ্ধতিৰ কিছুমান দৰকাৰী বৈশিষ্ট্য তলত আলোচনা কৰা হ'ল-

- প্রথমে, প্রকৃতিক পদ্ধতিয়ে সামাজিক পদ্ধতিৰ, যিটো মানুহৰ নিজৰ সৃষ্টি হ'ব পাৰে, বিপৰীতে অৱস্থান গ্রহণ কৰে। তথাপি, প্রাকৃতিক পদ্ধতি প্রকৃতি সত্ত্বাৰ সমকক্ষ নহয়। ই মানুহৰ জীৱনৰ উপাদানসমূহ অন্তর্ভূক্ত কৰে। সম্পত্তি, নিৰাপত্তা আৰু স্বাধীনতাই সম্পূর্ণ সামাজিক পদ্ধতি বা নিয়ম গঠন কৰে। প্রকৃতিবাদীসকল সভ্যতাৰ উন্নতিৰ বিৰুদ্ধে নাছিল, যদিও অন্য বিচাৰত প্রাকৃতিক পদ্ধতিৰ বিৰামহীনতাই এইটো অর্থ কৰে যে ই এক স্থিতিশীল বা স্থিৰ পদ্ধতি।
- দ্বিতীয়তে, প্রাকৃতিক পদ্ধতিৰ ধাৰণামতে ভৌতিক পৃথিৱী যিদৰে কিছুমান প্রাকৃতিক নিয়মত চলে, সেইদৰে মানুহৰ সমাজখনো সেই নিয়ম-নীতিমতেই চলিব লাগিব। সেয়ে ইয়াৰ পৰা ক'ব পাৰি যে সমাজৰ প্রত্যেকটো শ্রেণী পৰস্পৰৰ, ওপৰত নির্ভৰশীল আৰু ব্যক্তিগত স্বার্থ আৰু উমৈহতীয়া স্বার্থৰ বাবে পৰস্পৰে পৰস্পৰক সহযোগ কৰিব লাগে। "প্রাকৃতিক পদ্ধতি কেৱল ভৌতিক গঠন যাক ভগৱানে নিজেই দান কৰিছে"। সেয়েহে ই মানুহৰ সুখ আৰু সমৃদ্ধৰ বাবে হোৱাটো অনিবার্য।
- তৃতীয়তে, প্রকৃতিবাদীসকলে বিশ্বাস কৰিছিল যে তেওঁলোকে প্রাকৃতিক পদ্ধতিৰ বিষয়বস্তুৰ বিষয়ে জ্ঞাত, যদিও তেওঁলোকৰ ওচৰত সর্বসন্মত উত্তৰ এটা নাছিল।

ৰাষ্ট্ৰৰ দ্বাৰা নিয়ন্ত্রিত শিক্ষা ব্যৱস্থাৰ জৰিয়তে প্রাকৃতিক পদ্ধতিৰ জ্ঞান বাধ্যতামূলকভাৱে সমাজক প্রদান কৰিব লাগে। এই জ্ঞান অর্জন কৰিলে সকলোৱে যুক্তিসম্মতভাৱে কার্য্য কৰিব আৰু স্বতঃস্ফুতভাৱে সকলোৱে এই নিয়ম অনুসৰণ কৰিব।

- চতুর্থতে, প্রকৃতিবাদীসকল প্রাকৃতিক পদ্ধতিৰ ওপৰত যথেষ্ট আশাবাদী আছিল। প্রাকৃতিক পদ্ধতিয়ে দুখ-কষ্টৰ পৰিমাণ সামান্য কৰি সকলোৰে বাবে সর্বাধিক সন্তুষ্টি প্রদান কৰিব বুলি তেওঁলোকৰ বিশ্বাস আছিল। সামূহিক ৰাজহুৱা স্বার্থ আৰু ব্যক্তিৰ স্বার্থৰ মাজত সম্পূর্ণ মিলাপ্রীতি থাকিব বুলি প্রকৃতিবাদীসকলে সিদ্ধান্ত দিছিল।

৬.৪.২ নিগুটি উৎপন্ন দ্রব্য

নিগুটি উৎপন্ন দ্রব্যই প্রকৃতিবাদৰ মূল নীতিত এক মৌলিক ভূমিকা গ্রহণ কৰিছে। ই অর্থনৈতিক ৰাহিৰ মৌলিক ধাৰণাক পৰিচয় কৰাইছিল। উৎপাদন প্রক্রিয়াত উৎপাদিত দ্রব্য আৰু উপভোগৰ দ্রব্যৰ মাজৰ পার্থক্যক নিগুটি উৎপন্ন দ্রব্য বুলি কোৱা হয়।

প্রকৃতিবাদীসকলৰ মতে কেৱল কৃষিহে একমাত্র ক্ষেত্র যি নিগুটি উৎপন্ন দ্রব্য বা ৰাহি দ্রব্য উৎপন্ন কৰিব পাৰে। প্রকৃতিবাদীসকলে নিগুটি উৎপন্ন দ্রব্যক ভৌতিক আৰু মূল্য- এই দুয়োটা মাধ্যমতে বিচাৰ কৰিছিল। কৃষিৰ উৎপাদন কার্য্যত আৱশ্যকীয় ব্যয় বাদ দি যিখিনি ব্যৱহাৰযোগ্য ওপৰঞ্চি দ্রব্য লাভ কৰা যায় সেইখিনিক ভৌতিক ৰাহি বুলি কোৱা হৈছে। তদুপৰি, বজাৰত কৃষিদ্রব্যৰ উচ্চ দৰে উৎপাদকক উৎপাদন ব্যয়ৰ ওপৰত 'ৰাহি' দিয়ে বুলি প্রকৃতিবাদীসকল বিশ্বাস কৰিছিল। এই ৰাহি হৈছে মূল্যৰ মাধ্যমত নিগুটি উৎপন্ন দ্রব্য।

নিগুটি উৎপন্ন দ্রব্য বজাৰ অৱস্থাৰ ওপৰত নির্ভৰ কৰে। কৃষিজাত দ্রব্যৰ দৰ যিমানে বেছি হয়, সিমানে নিগুটি উৎপন্ন দ্রব্য বেছি হয় আৰু দৰ কমিলে নিগুটি উৎপন্ন দ্রব্যও কমিব। প্রকৃতিবাদীসকলে মুক্ত বাণিজ্য নীতি সমর্থন কৰিছিল কাৰণ মুক্ত বা অবাধ বাণিজ্যই কৃষিজাত দ্রব্যৰ দৰ বৃদ্ধিত সহায় কৰিব আৰু এই বৃদ্ধিৰ পৰিণামস্বৰূপে নিগুটি উৎপন্ন দ্রব্য বৃদ্ধি হ'ব। প্রাকৃতিক পদ্ধতি বর্তি থকালৈকে ই বজাৰত প্রতিযোগিতা নিশ্চিত কৰি উচিত বা ন্যায়সংগত দৰ (bon-prix) লাভত সহায় কৰে। উচিত বা ন্যায়সংগত দৰ, ব্যয়ক বাদ দি 'ৰাহি' উৎপন্ন কৰিবলৈ পর্য্যাপ্ত।

প্রকৃতিবাদীসকলৰ নিগুটি উৎপন্ন দ্রব্যৰ ধাৰণাটো এই ৰাজনৈতিক অভিধাৰণাৰ ওপৰত ভিত্তি কৰি থৈছে যে কেৱলমাত্র ভূমিয়েই 'ৰাহি' উৎপন্ন কৰিব পাৰে। তৎস্বত্তেও, তেওঁলোকে নিগুটি উৎপন্ন দ্রব্য আৰু এই দ্রব্যৰ ভিত্তি ৰাজনৈতিক অভিধাৰণাটোৰ মাজত পার্থক্য বিচাৰ কৰাত ব্যর্থ হৈছে। তেওঁলোকে 'ৰাহি' মূল্যৰ ৰাখ্যা কৰিবলৈ মূল্যৰ এটা সন্তোষজনক তত্ত্ব বিকাশ কৰিব নোৱাৰিলে। উৎপাদনশীল কৃষি আৰু

অনুৎপাদক উদ্যোগৰ মাজত পার্থক্যৰ কোনো যুক্তিসন্মত ভিত্তি নাই। অৱশ্যে, বিভিন্ন সীমাবদ্ধতা স্বত্বেও, নিগুটি উৎপন্ন দ্রব্য ধাৰণাটো সদাগৰী ব্যৱস্থাৰ সম্পদৰ উৎসৰ বিষয়ত থকা ত্রুটিপূর্ণ ধাৰণাসমূহতকৈ উন্নত। আনকি আজিও কৃষিৰপৰা পোৱা ব্যৱহাৰযোগ্য ৰাহি দ্রব্য অর্থনীতিৰ উদ্যোগীকৰণ আৰু আধুনিকীকৰণৰ বাবে ভিত্তি হিচাপে স্বীকৃতি দিয়া হৈছে।

৬.৪.৩ সম্পদৰ চলাচল

সম্পদৰ উৎস আৰু নিগুটি উৎপন্ন দ্রব্যৰ ধাৰণা আৱিষ্কাৰ কৰাৰ উপৰিও প্রকৃতিবাদীসকলে অর্থনীতিত সম্পদৰ চলাচলৰ ধাৰণাটো মানুহৰ শৰীৰত তেজৰ চলাচলৰ উপমাৰ জৰিয়তে বাখ্যা কৰিবলৈ যত্ন কৰিছিল। প্রকৃতিবাদীসকলে ভূমিক সম্পদৰ প্রকৃত উৎস বুলি গণ্য কৰিছিল। সম্পদৰ বিতৰণত তেওঁলোকে দুটা অভিধাৰণা দিছে -

- প্রতিবাৰে চলিত উৎপাদকৰ গুণ একে থাকে।
- দৰস্তৰ একে বা স্থিৰ থাকে।

সম্পদৰ বিতৰণে সমাজত বিভিন্ন শ্রেণীৰ মানুহৰ মাজত সম্পদৰ বৃত্তাকাৰ প্রবাহক বুজায়। প্রকৃতিবাদীসকলে সমাজৰ মানুহক তিনিটা শ্রেণীত ভাগ কৰিছে -

- **উৎপাদনক্ষম শ্রেণী ঃ** ই খেতিয়কসকলক সাঙুৰি লৈছে। তেওঁলোকে ভূমিত কাম কৰে আৰু ইয়াৰ পৰা নিগুটি উৎপন্ন দ্রব্য উৎপাদন কৰে।
- **মালিক শ্রেণী ঃ** মাটিৰ মালিকসকল এই শ্রেণীত পৰে। মাটিৰ মালিকসকলক আংশিকভাৱে উৎপাদনক্ষম বুলি গণ্য কৰা হৈছে আৰু তেওঁলোকৰ নিগুটি উৎপন্ন দ্রব্যৰ ওপৰত অধিকাৰ থাকে।
- **অনুর্বৰ বা অনুৎপাদক শ্রেণী ঃ** বণিক আৰু বিভিন্ন বৃত্তিৰ লোকসকলক এই শ্রেণীত অন্তর্ভূক্ত কৰা হৈছে। এওঁলোকক অর্নুবৰ বা অনুৎপাদক বুলি কোৱা হৈছে কাৰণ এওঁলোকে খেতিয়কসকল (উৎপাদনক্ষম শ্রেণী)ৰ দৰে নিগুটি উৎপন্ন দ্রব্য উৎপাদন নকৰে।

কুৱেছনেৰ টেবিলিউ ইক'নমিক (Tableau Economique): সম্পদৰ চলাচলৰ প্রক্রিয়া বাখ্যা কৰিবলৈ প্রকৃতিবাদীসকলে কুৱেছনেৰ টেবিলিউ ইক'নমিকৰ ব্যৱহাৰ কৰিছিল। ই স্থিতাৱস্থাৰ এক বদ্ধ অর্থনীতিক চিত্রায়িত কৰিছে যাৰ নিজেই বৃত্তাকাৰ ৰূপত প্রত্যেক কালত পুনৰাবৃত্তি ঘটে।

এই তালিকাই দিয়া সাধাৰণ ধাৰণাটো হৈছে যে মাটিৰ মালিকে মাটিৰ উন্নতিৰ বাবে কৰা খৰছ আৰু কৃষকৰ ভৰণ-পোষণৰ বাবে দিয়া অগ্রিম ধনৰ জৰিয়তে উৎপাদনত বৰঙণি আগবঢ়ায়। কৃষকে ইয়াৰ বিনিময়ত নিগুটি উৎপন্ন দ্রব্য হিচাপে ৰাহি উৎপাদন কৰিবলৈ সক্ষম হয় যি ৰাহি মাটিৰ মালিকলৈ খাজনাৰ ৰূপত যায়। মাটিৰ মালিকে

এইখিনি প্রাপ্তিৰ বাবদ নতুনকৈ কৃষকক অগ্রিম ধন দিব লাগে। যদি তেওঁলোকে এনে কৰাত ব্যর্থ হয়, কৃষিৰ উৎপাদন কমিব আৰু খাজনাৰ পৰিমাণো হ্রাস পাব। মাটিৰ মালিকে খাজনা হিচাপে পোৱা আয় কৃষিজাত দ্রব্য আৰু উদ্যোগিক দ্রব্যৰ খৰছৰ মাজত বিভাজিত কৰে। একেধৰণে, উদ্যোগিক ক্ষেত্রই কেচাঁ-সামগ্রীৰ বাবে কৃষিজাত দ্রব্যত আৰু উদ্যোগিক ক্ষেত্রৰ ভিতৰৰ ব্যয়ৰ বাবে সম্পূর্ণ খৰছ বিভাজিত কৰে। কৃষিক্ষেত্রই মাটিৰ মালিকক খাদ্য, আৰু উদ্যোগৰ প্রতি কেচাঁ-সামগ্রীৰ যোগান ধৰে আৰু উদ্যোগৰপৰা বয়বস্তু ক্রয় কৰে। এইদৰে সম্পদৰ চক্রাকাৰ প্রবাহ বছৰৰ পাছত বছৰ ধৰি অবিৰতভাৱে চলি থাকে।

তালিকাখনে তিনি মিলিয়ন পৰিয়ালৰ এখন সমাজ দেখুৱাইছে য'ত এটা পৰিয়ালৰ চাৰিজন সদস্য আছে। ফ্রান্সৰ মৌদ্রিক একক হৈছে 'লিভৰে্' (Livre) আৰু সংখ্যাবিলাক মিলিয়ন লিভৰে্ত আছে। প্রাৰম্ভিক বর্ষত ৬০০ মিলিয়ন লিভৰে্ৰ বার্ষিক অগ্রিম ধনে ৬০০ মিলিয়ন লিভৰে্ৰ নিগুটি উৎপন্ন দ্রব্য বা খাজনা সৃষ্টি কৰিছিল। এই পৰিমাণ মাটিৰ মালিকে লাভ কৰিছে আৰু তেওঁলোকে ইয়াক উদ্যোগিক আৰু কৃষিজাত দ্রব্য প্রত্যেকৰে বাবে ৩০০ মিলিয়ন লিভৰে্কৈ খৰছৰ বাবে বিভাজিত কৰিছে। কৃষিত খৰছ কৰা ৩০০ মিলিয়ন লিভৰে্ই বিনিময়ত পুনৰ ৩০০ মিলিয়ন লিভৰে্ই উৎপাদন কৰিবলৈ সক্ষম হ'ব। উদ্যোগে পোৱা ৩০০ মিলিয়ন লিভৰে্ উদ্যোগৰ নিজা ক্ষেত্র আৰু কৃষিক্ষেত্রৰ পৰা কেচাঁ-সামগ্রী ক্রয় কৰাত বিভাজিত হয়।

এই একাউন্টত কৃষি ক্ষেত্রই ১৫০ মিলিয়ন লিভৰে্ৰ নিগুটি উৎপন্ন দ্রব্য উৎপাদন কৰিবলৈ সক্ষম হ'ব। খেতিয়কে এতিয়ালৈকে খাদ্য আৰু কেচাঁ-সামগ্রী বিক্রীৰ বাবদ যথাক্রমে মাটিৰ মালিকৰ পৰা ৩০০ মিলিয়ন লিভৰে্ আৰু উদ্যোগৰ পৰা ১৫০ মিলিয়ন লিভৰে্ পাইছে। এই পৰিমাণ দুভাগকৈ বিভক্ত হৈছে আৰু এটা অংশ উদ্যোগত ব্যৱহাৰ হৈছে, ১৫০ মিলিয়ন লিভৰে্ আগৰ ৰাউণ্ডৰ পৰা আৰু ৭৫ মিলিয়ন লিভৰে্ দ্বিতীয় ৰাউণ্ডৰ পৰা। উদ্যোগত পোৱা অংশ কেচাঁ-সামগ্রী, খাদ্য আৰু উদ্যোগৰ নিজা ক্ষেত্রত পুনৰ বিভাজিত হৈছে। খেতিয়কে ৬০০ মিলিয়ন লিভৰে্ নোপোৱালৈকে এই প্রক্রিয়া চলি থাকিব, এই ৬০০ মিলিয়ন লিভৰে্ই পিছৰ ৰাউন্ডবোৰত আকৌ ৬০০ মিলিয়ন লিভৰে্ উৰ্পাজন কৰিবলৈ খেতিয়কক সক্ষম কৰিব। মাটিৰ মালিকে ৬০০ মিলিয়ন লিভৰে্ৰ খাজনা পায় যি তেওঁলোকে উপভোগ কৰে। উদ্যোগক্ষেত্রই খাদ্য আৰু কেচাঁসামগ্রীৰ বাবে কৃষিক্ষেত্রক ৩০০ মিলিয়ন লিভৰে্ দিয়ে আৰু উদ্যোগিক বয়বস্তু যোগান ধৰাৰ বাবদ মাটিৰ মালিক আৰু খেতিয়ক দুয়োৰে পৰা ৩০০ মিলিয়নকৈ লিভৰে্ পায়।

সাৰাংশটো তলত দিয়া ধৰণে দিব পাৰি -

- **মাটিৰ মালিকঃ**
  - সংগ্রহ ঃ ৬০০ মিলিয়ন লিভৰে্ খাজনা হিচাপে।
  - ব্যয় ঃ খাদ্যত ৩০০ মিলিয়ন লিভৰে্ আৰু উদ্যোগিক বয়বস্তুত ৩০০ মিলিয়ন লিভৰে্।
- **উদ্যোগঃ**
  - সংগ্রহ ঃ ৩০০ মিলিয়ন লিভৰে্ কৃষকক বয়বস্তু বিক্রীৰ জৰিয়তে।
    ৩০০ মিলিয়ন লিভৰে্ মাটিৰ মালিকে বয়বস্তু ক্রয় কৰাৰ বাবদ।
  - ব্যয় ঃ কৃষকৰ পৰা খাদ্য আৰু কেঁচা-সামগ্রী ক্রয় কৰাত ৩০০ মিলিয়ন লিভৰে্।
    উদ্যোগ ক্ষেত্রৰ নিজা ব্যয় ৩০০ মিলিয়ন লিভৰে্।
- **কৃষিক্ষেত্রঃ**
  - সংগ্রহ ঃ মাটিৰ মালিকক খাদ্যবস্তু বিক্রীৰ জৰিয়তে ৩০০ মিলিয়ন লিভৰে্।
    উদ্যোগক খাদ্যবস্তু বিক্রীৰ জৰিয়তে ৩০০ মিলিয়ন লিভৰে্।
  - ব্যয় ঃ মাটিৰ মালিকক খাজনা হিচাপে পৰিশোধ ৬০০ মিলিয়ন লিভৰে্।
    উদ্যোগ ক্ষেত্রৰ পৰা বয়-বস্তু ক্রয় কৰাৰ বাবদ পৰিশোধ ৩০০ মিলিয়ন লিভৰে্।
    খাদ্যদ্রব্যৰ উপভোগত ৩০০ মিলিয়ন লিভৰে্।

প্রকৃতিবাদীসকলৰ সম্পদৰ চলাচলৰ তত্বই অর্থনৈতিক ভাৱধাৰাৰ বিকাশত এক শক্তিশালী গঠন দিলে। সামগ্রিক অর্থনীতিৰ আলোচনা, সাংখ্যিক পদ্ধতিৰ কৌশলৰ আচৰণে গাণিতিক অর্থবিজ্ঞানৰ বুনিয়াদ সূচনা কৰিছিল, লগতে বিভিন্নখণ্ডৰ পাৰস্পৰিক নির্ভৰশীলতাই উপাদান উৎপন্নৰ তালিকাৰ ভেঁটি প্রস্তুত কৰিবলৈ আধুনিক বিশ্লেষকসকলক সুবিধা দিছিল।

৬.৪.৪ কৰ নীতি

প্রকৃতিবাদীসকলে একক কৰ নীতিৰ পোষকতা কৰিছিল যিটো ভূমিৰ নিগুটি উৎপন্ন দ্রব্যত আৰোপ কৰিব পাৰি। কৰৰ অন্তিম বোজা কেৱল মালিক শ্রেণীয়ে বহন কৰিব লাগে কাৰণ তেওঁলোক নিগুটি উৎপন্ন দ্রব্যৰ অধিকাৰী আৰু প্রকতিবাদীসকলৰ মতে ৰাজহ সংগ্রহৰ বাবে আছে কেৱল এই নিগুটি উৎপন্ন দ্রব্য। তেওঁলোকৰমতে উদ্যোগ আৰু ব্যৱসায়-বাণিজ্যই কৰৰ বোজা ল'ব নোৱাৰে কাৰণ তেওঁলোকে নিগুটি উৎপন্ন দ্রব্য উৎপাদন নকৰে। একক কৰ নিগুটি উৎপন্ন দ্রব্যৰ ৩০ শতাংশ আছিল আৰু ই এই হাৰতকৈ অধিক হ'ব নালাগে। প্রকৃতিবাদীসকলৰ মতে ৰাষ্ট্রই এই পৰিমাণৰ কৰতকৈ বেছি কৰ আৰোপ কৰিলে কৃষিত বিনিয়োগ হ্রাস পাব আৰু ই অর্থনৈতিক বৃদ্ধি কমাই দিব। ৰাষ্ট্রৰ সকলো ৰাজকোষীয় প্রয়োজন পূৰণ কৰিবলৈ একক কৰ পর্য্যাপ্ত। একক কৰ প্রত্যক্ষ কৰ আছিল যিটো সংগ্রহ কৰাত খৰছী নহয়।

৬.৪.৫ বাণিজ্য

প্রকৃতবাদীসকলৰ বাবে বাণিজ্য উৎপাদনশীল নহয়। ই কেৱল সমমূল্যৰ সম্পদ স্থানান্তৰ কৰে। উৎপাদকৰ পৰা উপভোক্তালৈ কৃষিজাত দ্রব্যৰ স্থানান্তৰেই একমাত্র বিনিময় যাক উপকাৰী বুলি গণ্য কৰা হৈছিল।

প্রাকৃতিক পদ্ধতিৰ দর্শনৰ ওপৰত ভিত্তি কৰি প্রকৃতিবাদীসকলে মুক্ত বাণিজ্যৰ সপক্ষে মত পোষণ কৰিছিল। বাণিজ্যত নিষেধাজ্ঞা অর্থনৈতিক বৃদ্ধিৰ বাবে হানিকাৰক বুলি তেওঁলোকে গণ্য কৰিছিল। বাণিজ্যৰ স্বাধীনতাই প্রতিযোগিতা নিশ্চিত কৰে, উচিত বা যুক্তিসংগত দৰ নির্দ্ধাৰণ কৰে (প্রতিযোগিতামূলক ভাৰসাম্য দৰ), খেতিয়কৰ মুনাফা তথা কৃষিত বিনিয়োগৰ পৰিমাণ বৃদ্ধি কৰে আৰু সেয়ে সমাজৰ প্রত্যেক ক্ষেত্রৰে শ্রীবৃদ্ধি ঘটায়। আনহাতে, নিষেধাজ্ঞাই দেশৰ সম্পদ হ্রাস কৰে, কৃষিত বিনিয়োগ নিৰুৎসাহিত কৰে আৰু কৃষিজাত দ্রব্যৰ দাম হ্রাস কৰে।

প্রকৃতিবাদীসকলে সদাগৰী ব্যৱস্থাৰ সংৰক্ষণবাদৰ প্রতিক্রিয়া হিচাপে মুক্ত বাণিজ্য নীতিৰ পোষকতা কৰিছিল। প্রকৃতিবাদীসকলৰ মুক্ত বাণিজ্যৰ ভেটি স্থাপন কৰোতা বুলি গণ্য কৰা হয়। অৱশ্যে তেওঁলোকৰ বাবে এইটো অবাধ বা মুক্ত নীতি আছিল। বৈদেশিক বাণিজ্য প্রয়োজনীয় নহয় বাঞ্ছিতও নহয় গতিকে, অপৰিহার্য হ'লেহে বৈদেশিক বাণিজ্যৰ আশ্রয় ল'ব লাগে। সেয়ে প্রকৃতিবাদীসকলে মুক্ত বাণিজ্যৰ সম্পূর্ণ সুবিধাসমূহ অনুধাৱন কৰা নাছিল আৰু ইয়াৰ ওপৰত এটা বিস্তৃত তত্ত্বৰ বিকাশ কৰিছিল।

৬.৪.৬ মূল্য

প্রকৃতিবাদীসকলে মূল্যৰ সমস্যালৈ বিশেষ মনোযোগ দিয়া নাছিল কাৰণ তেওঁলোকে নিগুটি উৎপাদন দ্রব্য, সম্পদৰ চলাচল আৰু একক কৰৰ সমস্যাৰ বিষয়ে চিন্তাত মগ্ন আছিল। দেখা গৈছে যে তেওঁলোকে দ্রব্যৰ উপযোগিতা থকাটো উপলব্ধি কৰিছিল, কিন্তু তেওঁলোকে ইয়াক প্রণালীবদ্ধভাৱে মূল্যৰ লগত সন্নিবিষ্ট কৰা নাছিল, কাৰণ মূল্য দ্রব্যত অন্তর্ভুক্ত হৈ নাথাকে। মূল্যত বিনিময় মূল্য আছিল আৰু ইয়াক বজাৰ দৰৰ সমকক্ষ বুলি গণ্য কৰা হৈছিল। ই চাহিদা আৰু যোগানৰ সৈতে অনিশ্চিতভাৱে জড়িত হৈ থাকে। কিন্তু, তেওঁলোকে যোগান তথা চাহিদাৰ সঠিক ভূমিকা আৰু বজাৰৰ গঠনে যোগান আৰু চাহিদাৰ প্রতি সৃষ্টি কৰা প্রতিবন্ধকতাক জুখিবলৈ সক্ষম হোৱা নাছিল। প্রকৃতিবাদীসকলে "মৌলিক দৰ"ৰ ধাৰণাটো বিস্তৃত কৰিব নোৱাৰিলে, এই দৰ মার্চেলৰ দীর্ঘকালৰ দৰৰ নিচিনা আৰু ই উৎপাদনৰ গড় ব্যয় আৰু বজাৰৰ প্রতিযোগিতামূলক গঠনৰ দ্বাৰা নির্দ্ধাৰিত হয়।

নিগুটি উৎপন্ন দ্রব্য প্রকৃতিৰ দান আৰু ই বজাৰ দৰৰ ওপৰত নির্ভৰ কৰে যি উৎপাদন ব্যয়ৰ অধিক হ'ব লাগিব- এই দুই উপলব্ধিয়ে প্রকৃতিবাদীসকলৰ মূল্যৰ ধাৰণাৰ

প্রতি বিভ্রান্তিৰ উদ্ভৱ কৰাইছিল যেন দেখা যায়। সেয়ে, প্রকৃতিবাদীসকলে উৎপাদন ব্যয়, উপযোগিতা, চাহিদা আৰু যোগানৰ আপেক্ষিক শক্তি আদি উপাদানবোৰক তেওঁলোকৰ দৰ নির্দ্ধাৰণৰ আলোচনাত ভালদৰে স্থান নিদিলে আৰু এই অসুবিধাবিলাক বজাৰ গঠনৰ বিভিন্নতা আৰু সময়ৰ ভূমিকাৰ বাবে ব্যাপক হৈ পৰিল।

৬.৪.৭ মজুৰি

প্রকৃতিবাদীসকলে মজুৰিৰ "লৌহ বিধি" অনুসৰণ কৰিছিল। এই বিধিমতে কৃষক আৰু কাৰিকৰসকলে কেৱল জীৱন ধাৰণাপযোগী মজুৰিহে পাব। শ্রমিকসকলে জীৱন ধাৰণাপযোগী মজুৰিত কাম কৰিবলৈ সাজু থাকিব বুলি তেওঁলোকে গণ্য কৰিছিল। কিন্তু মজুৰিৰ হাৰত বিভিন্নতা থাকিলে শ্রমৰ যোগানে কেনেদৰে সঁহাৰি দিব তথা মজুৰি কেৱল জীৱন ধাৰণাপযোগী কিয় হ'ব সেইবিষয়ে তেওঁলোকে উল্লেখ কৰা নাছিল। তেওঁলোকৰ মজুৰি তত্ত্বৰ প্রধান বিশ্লেষণাত্মক সুবিধা হৈছে যে মজুৰিক জীৱনধাৰণাপযোগীৰ সমকক্ষ কৰাৰ হেতু প্রকৃতিবাদীসকলে তেওঁলোকৰ নিগুটি উৎপন্ন দ্রব্যৰ নিৰূপণ সফলভাৱে কৰিব পাৰিছিল।

৬.৪.৮ মুদ্রা আৰু সুত

মুদ্রা আৰু সুত তত্ত্বলৈ প্রকৃতিবাদীসকলে বৰঙণি আগবঢ়োৱা নাছিল। তেওঁলোকৰ স্পষ্ট ধাৰণা আছিল যে মুদ্রাই বিভিন্ন অর্থনৈতিক কার্য্য সমাপন কৰাত সুবিধা দিলেও মুদ্রা সম্পদৰ সমকক্ষ নহয়। মুদ্রাৰ মাধ্যমত সম্পদৰ চলাচল হৈছিল, কিন্তু ৰপ্তানিত ৰাহিৰ জৰিয়তে মুদ্রাৰ অতিৰিক্ত যোগানৰ স্বতঃস্ফূত নিষ্পত্তিৰ বিষয়টোত তেওঁলোকে বৰঙণি যোগাইছিল।

প্রকৃতিবাদীসকলে মুদ্রা আৰু মূলধনৰ মাজত পার্থক্য বিচাৰ কৰিবলৈ সক্ষম হৈছিল। আনহাতে, সদাগৰী ব্যৱস্থাৰ পৃষ্ঠপোষকসকলে মুদ্রাকে মূলধন বুলি গণ্য কৰিছিল। সঞ্চয়ৰ পৰা মূলধনৰ উৎপত্তি হয় আৰু অগ্রিমধনৰ ৰূপত ই পুনৰ উদ্ভৱ হ'ব পাৰে (কার্য্যকৰী মূলধন) বা স্থায়ী মূলধন হিচাপে প্রকট হ'ব পাৰে। প্রকৃতিবাদীসকলে উদ্যোগত বিনিয়োগ কৰা মূলধনত সুদ দিয়া নাছিল কাৰণ উদ্যোগক তেওঁলোকে অনুর্বৰ বুলি গণ্য কৰিছিল। কৃষি উৎপাদনশীল হোৱাৰ হেতু ইয়াত কৰা মূলধনৰ বিনিয়োগত সুদ প্রদান কৰিছিল। তদুপৰি টাৰগতে কৈছিল যে যদি কৃষিঋণত সুদৰ অনুমতি দিয়া হয় তেন্তে মুদ্রা অন্যকার্য্যত বাৱহাৰৰ পৰা উঠাই আনি কৃষিকার্য্যত ব্যৱহাৰ কৰিব পৰা হ'ব। ইয়াৰ ওপৰিও, বাণিজ্যৰ ঋণত ক্ষতিশংকা বেছি আৰু সেয়েহে ধাৰ দিওতাই এনে সুদ দাবী কৰিব পাৰে যি সুদৰ পৰিমাণ কৃষিঋণৰ সুদৰ পৰিমাণতকৈ বেছি।

মূল্যায়নঃ প্রকৃতিবাদীসকলক সঠিকভাৱে অর্থনৈতিক বিজ্ঞানৰ প্রকৃত প্রতিষ্ঠাপক বুলি কোৱা হয়। প্রকৃতিবাদীসকলৰ মুখ্য বিশ্লেষণাত্মক গুণ হৈছে অর্থনৈতিক পৰিঘটনাৰ বিশ্লেষণত সাধাৰণ আৰু একীকৃত পদ্ধতিৰ প্রয়োগ। অর্থনৈতিক প্রক্রিয়াৰ নির্ধাৰণত কৃষিৰ উৎপাদনশীলতা মূল উপাদান হিচাপে প্রকৃতিবাদত গণ্য কৰা হৈছিল। সম্পদ বিতৰণ আৰু চলাচলৰ জটিল প্রক্রিয়াক সৰলীকৃত কৰাত আৰু অর্থনৈতিক পদ্ধতিয়ে কেনেকৈ কার্য্য কৰে তাক বাখ্যা কৰিবলৈ টেবলিঅ' ইকন'মিক প্রয়োগ কৰা হৈছিল। তথাপি, প্রকৃতিবাদীসকলক তলত দিয়া কাৰণবিলাকৰ বাবে সমালোচনা কৰা হ'য়-

- টেবলিঅ' পদ্ধতি পুৰণি আৰু শুদ্ধ নাছিল।
- প্রকৃতিবাদীসকলে অর্থনৈতিক প্রক্রিয়াৰ স্থিৰ সমস্যাবিলাক বিশ্লেষণ কৰিছিল কিন্তু গতিশীল সমস্যাবিলাক বিশ্লেষণ কৰাত ব্যর্থ হৈছিল।
- বণিক, বিভিন্ন বৃত্তিৰ লোকসকলক অনুৎপাদনশীল আৰু অনুর্বৰ বুলি ঘোষণা কৰিছিল।

কিন্তু, এই দুর্বলতাসমূহৰ স্বত্ত্বেও প্রকৃতিবাদীসকলে অর্থনৈতিক ভাৱধাৰাৰ বুৰঞ্জীত এক সন্মানজনক স্থান অধিকাৰ কৰিছিল কাৰণ ই পৰিসাংখ্যিকীয়ভাৱে শক্তিশালী আছিল। তালিকাত দিয়া মানসমূহ কালপনিক নাছিল, ই তথ্যৰ ওপৰত প্রতিষ্ঠিত আৰু সেয়েহে আধুনিক অর্থনীতিক পূর্ব্বানুমান কৰিব পাৰিছিল।



অগ্রগতি নিৰীক্ষণ

৩ নং প্রশ্ন ঃ প্রকৃতিবাদৰ মূল অৱদান কি আছিল? (২০ টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

.....

.....

৪ নং প্রশ্ন ঃ সম্পদৰ চলাচলৰ প্রক্রিয়া বর্ণনা কৰিবলৈ প্রকৃতিবাদীসকলে কি পদ্ধতি ব্যৱহাৰ কৰিছিল? (২০ টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

.....

.....

৫ নং প্রশ্ন ঃ প্রকৃতিবাদীসকলৰ ভাৱধাৰাৰ অন্তৰালত থকা দুটা কাৰণ উল্লেখ কৰক? (২০ টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

.....

.....



৬.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- সদাগৰী ব্যৱস্থাৰ ব্যর্থতাৰ প্রতিক্রিয়া হিচাপে প্রকৃতিবাদৰ উত্থান হৈছিল।

- ফ্ৰান্সত দৰিদ্ৰতাৰ প্ৰকোপ বৃদ্ধি আৰু কৃষি শ্ৰমিকৰ দুৰৱস্থাই প্ৰকৃতিবাদ ভাৱধাৰাৰ সৃষ্টি কৰিছিল।
- এই ভাৱধাৰাৰমতে ৰাষ্ট্ৰৰ নামমাত্ৰ নিয়ন্ত্ৰণত প্ৰাকৃতিক পদ্ধতিৰ দ্বাৰা সমাজ নিয়ন্ত্ৰিত হ'ব লাগে।
- নিগুটি উৎপন্ন দ্ৰব্য এক ৰাহি যাক কেৱলমাত্ৰ কৃষিতহে সৃষ্টি কৰিব পাৰি।
- খেতিয়ক, মাটিৰ মালিক আৰু বিভিন্ন বৃত্তিৰ লোকৰ মাজত সম্পদৰ বিতৰণৰদ্বাৰা সম্পদৰ চলাচল ব্যাখ্যা কৰিবলৈ চেষ্টা কৰা হৈছে।
- এই ভাৱধাৰামতে, প্ৰাকৃতিক পদ্ধতিৰ দৰ্শনৰ ভিত্তিত গঢ়ি উঠা মুক্ত বাণিজ্যৰ প্ৰচলন হ'ব লাগে। কিন্তু বাণিজ্য এটা অৱজ্ঞাপূৰ্ণ কাৰ্য্য।
- কৰৰ পৰিমাণ একেবাৰে নিম্ন কৰিব লাগে। ৰাজহুৱা উপযোগিতাৰ আহিলা হিচাপে একক কৰ আৰোপ কৰিব পাৰি।

৬.৬ অধিক জানিবলৈ

1) Bhatia, H.L. (2007). *History of Economic Thought.* New Delhi : Vikash Publishing House.
2) Kumarappa, J.C. (2010). *Gandhian Economic Thought.* New Delhi : SSS Prakashan.
3) Loknathan, V. (2010). *A History of Economic Thought.* New Delhi : S Chand & Company Ltd.
4) Paul R.R. (2008). *History of Economic Thought.* Ludhiana : Kalyani Publishers.

৬.৭ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ কৃষি প্ৰকৃতিবাদৰ মূল গুৰুত্ব আছিল।

২ নং প্ৰশ্নৰ উত্তৰ ঃ প্ৰকৃতিবাদৰ মূল সদস্যবিলাকৰ নাম হৈছে এ.আৰ.জে. চাৰগত, এফ. কুৱেছনে, ডি.লা. ৰিভিঘেৰা, ডু'পন্ট.ডি. নেম'ৰছ, ইত্যাদি।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ প্ৰকৃতিবাদৰ মূল অৱদানসমূহ হৈছে - প্ৰাকৃতিক পদ্ধতি, মুক্ত নীতি, সম্পদৰ চলাচল, নিগুটি উৎপন্ন দ্ৰব্য, কৰ আৰু বাণিজ্য।

৪ নং প্ৰশ্নৰ উত্তৰ ঃ সম্পদ চলাচলৰ প্ৰক্ৰিয়া বাখ্যা কৰিবলৈ প্ৰকৃতিবাদীসকলে টেবলিঅ' ইক'নমিকক পদ্ধতি ব্যৱহাৰ কৰিছিল।

৫ নং প্ৰশ্নৰ উত্তৰ ঃ প্ৰকৃতিবাদী ভাৱধাৰাৰ উত্থানৰ দুটা কাৰণ হৈছে - দৰিদ্ৰতাৰ প্ৰকোপ বৃদ্ধি আৰু কৃষি শ্ৰমিকৰ দুখলগা দুৰৱস্থা।

৬.৮ আৰ্হি প্ৰশ্ন

চুটি প্ৰশ্ন (১৫০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

১ নং প্ৰশ্ন ঃ প্ৰকৃতিবাদৰ অভিধাৰণাসমূহ কি?

২ নং প্ৰশ্ন ঃ প্ৰকৃতিবাদৰ ধাৰণালৈ বৰঙণি আগবঢ়োৱা ফৰাচী দাৰ্শনিকৰ নাম লিখক?

৩ নং প্ৰশ্ন ঃ প্ৰাকৃতিক পদ্ধতিৰ উল্লেখনীয় বৈশিষ্ট্যসমূহ কি?

ৰচনাধৰ্মী প্ৰশ্ন (৩০০-৫০০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

১ নং প্ৰশ্ন ঃ চমুটোকা লিখকঃ

ক) সম্পদৰ চলাচল

খ) প্ৰাকৃতিক পদ্ধতি

গ) কুৱেছনেৰ টেবলিঅ' ইক'নমিক

২ নং প্ৰশ্ন ঃ প্ৰকৃতিবাদৰ মূল অৱদানসমূহ আলোচনা কৰক।

৩ নং প্ৰশ্ন ঃ প্ৰকৃতিবাদ ধাৰণাৰ সীমাবদ্ধতাসমূহ ব্যাখ্যা কৰক।

*** ***** ***

অধ্যায় - ৭ ঃ সংস্থাপিত ভাৱধাৰা - আদাম স্মিথ

অধ্যায় গাঁথনি

৭.১ উদ্দেশ্য

৭.২ পৰিচয়

৭.৩ সংস্থাপিত ভাৱধাৰাৰ বৈশিষ্ট্য

৭.৪ আদাম স্মিথ

৭.৫ অৰ্থনীতিলৈ আদাম স্মিথৰ বৰঙণি

- ৭.৫.১ প্ৰকৃতিবাদ আৰু আশাবাদ
- ৭.৫.২ ৰাষ্ট্ৰসমূহৰ সম্পদ
- ৭.৫.৩ অবাধ নীতিৰ মতবাদ
- ৭.৫.৪ কৰৰ নীতি
- ৭.৫.৫ মূল্য তত্ত্ব
- ৭.৫.৬ বিতৰণ তত্ত্ব
- ৭.৫.৭ বাণিজ্য তত্ত্ব
- ৭.৫.৮ অৰ্থনৈতিক বৃদ্ধি আৰু অৰ্থনৈতিক উন্নয়ন তত্ত্ব

৭.৬ আদাম স্মিথৰ ৰাজনৈতিক দৰ্শনৰ ওপৰত মত

৭.৭ অধ্যয়টিৰ পৰা আমি কি শিকিলোঁ

৭.৮ অধিক জানিবলৈ

৭.৯ অগ্ৰগতি খতিয়ান

৭.১০ আৰ্হি প্ৰশ্ন

৭.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি-

- সংস্থাপিত ভাৱধাৰাৰ বৈশিষ্ট্য জানিব পাৰিব
- অৰ্থনীতিবিদ হিচাপে আদাম স্মিথক ব্যাখ্যা কৰিব পাৰিব
- অৰ্থনীতিৰ বিভিন্ন খণ্ডলৈ আদাম স্মিথৰ বৰঙণি বুজিব পাৰিব।

৭.২ পৰিচয়

সংস্থাপিত ভাৱধাৰাৰ উন্নয়ন ঘটিছিল ১৭৫০ চনত। শেহতীয়াকৈ অৰ্থনৈতিক ভাৱধাৰাত ১৮ শতিকালৈ আছিল। সংস্থাপিত ভাৱধাৰাৰ মূল ব্যক্তিসকল আছিল আদাম স্মিথ (১৭২৩-১৭৯০), মালথাছ (১৭৬৬-১৮৩৪), ৰিকাড' (১৭৭২-১৮২৩) আৰু জে. এছ. মিল (১৮০৬-১৮৭৩)। অৰ্থনীতিবিদ যিসকলে ১৭৫০ চনৰ পৰা ১৮৫০ চনলৈ অৰ্থনৈতিক ভাৱধাৰাত অৱদান

যোগাইছিল তেওঁলোকক লৈ সংস্থাপিত ভাৱধাৰা গঠন হৈছিল। আদাম স্মিথ সংস্থাপিত ভাৱধাৰাৰ নেতা, প্ৰতিষ্ঠাপক আৰু প্ৰৱৰ্তক আছিল। জন ষ্টুৱার্ট মিলক সংস্থাপিত ভাৱধাৰাৰ পুনৰ প্ৰতিষ্ঠাপক হিচাপে বিবেচনা কৰা হয়। এই ভাৱধাৰাৰ পদ্ধতি আৰু আকাৰৰ প্ৰতিষ্ঠাৰ বাবে ডেভিড ৰিকাড'এ যথেষ্ঠ বৰঙণি আগবঢ়াইছে। আদাম স্মিথৰ Wealth of Nations ১৭৭৬ চনত প্ৰকাশিত হৈছিল। আৰম্ভণিৰে পৰা সংস্থাপিত ভাৱধাৰা সদাগৰবাদী আৰু প্ৰকৃতিবাদ মতবাদৰ দ্বাৰা প্ৰভাৱিত হৈছিল। সংস্থাপিত ভাৱধাৰা অৰ্থবিজ্ঞানৰ মূলসূতিত ১৮ শতিকালৈ দপ্‌দপাই আছিল। ১৮ শতিকাত আৰম্ভ হোৱা প্ৰান্তীয় বিপ্লৱ আৰু নব্য-সংস্থাপিত ভাৱধাৰাই ক্ৰমাৎ সংস্থাপিত ভাৱধাৰৰ গুৰুত্ব অৰ্থবিজ্ঞানত কমাই আনিছিল।

নব্যসংস্থাপিত ভাৱধাৰাৰ অধিপত্য থকা স্বত্ত্বেও, সংস্থাপিত ভাৱধাৰাৰ দ্বাৰা বিশেষকৈ আধুনিক অৰ্থনীতি বেছি প্ৰভাৱান্বিত হৈছিল। সংস্থাপিত আৰু নব্য সংস্থাপিত দুয়োটাৰে মতাদৰ্শ আছিল 'মুক্ত বজাৰ'। থমাচ ৰবার্ট মালথাছ আৰু ডেভিড ৰিকাড'ৰ Corn Laws' আৰু 'Poor Laws'ত থকা নীতি প্ৰয়োগক লৈ যি বিতৰ্ক আছিল সেই বিতৰ্কই এই ভাৱধাৰালৈ বৰঙণি আগবঢ়াইছিল। আদাম স্মিথ অৰ্থনৈতিক বিকাশৰ প্ৰকৃতি সম্বদ্ধে সচেতন আছিল। মালথাছ, ৰিকাড' আৰু অন্য সংস্থাপিত অৰ্থনীতিবিদসকলে বিতৰণৰ বিষয়ে বিবেচনা কৰিছিল। সংস্থাপিত অৰ্থনীতিবিদসকলৰ মাজত আটাইতকৈ গুৰুত্বপূৰ্ণ বিতৰ্ক আছিল 'Surplus' বা 'Glut'। জে. বি. চেয়ে আৰু মালথাছ দুয়োজন মুখ্য পৃষ্ঠপোষকে ৰাহিৰ অস্তিত্ব আৰু প্ৰভাৱ আৰু বজাৰ অৰ্থনীতিত ইয়াৰ পৰিনামৰ বিষয়ে প্ৰশ্ন অৱতাৰণা কৰিছিল।

তেওঁলোকৰ মতে, এখন বজাৰ অৰ্থনীতিৰ বৈশিষ্ট্যসমূহ হ'ল---

- ব্যক্তিগত কাৰ্য্যসমূহ আত্মস্বাৰ্থ আৰু প্ৰতিযোগিতামূলক শক্তিৰ দ্বাৰা নিয়ন্ত্ৰিত।
- ব্যক্তিগত অনুষ্ঠানসমূহ উৎপাদন আৰু লাভ প্ৰয়াসী।
- উৎপাদিত উপাদানৰ দ্ৰব্য আৰু সেৱা দুয়োবিধ বজাৰত ক্ৰয়-বিক্ৰয় কৰা হয়।

এখন বজাৰ অৰ্থনীতিৰ তাত্বিক আৰু প্ৰায়োগিক দুয়োটা সমস্যাই আছে। তাত্বিক দিশৰ সমস্যাটো আছিল কেনেকৈ এখন অৰ্থনীতিয়ে কাম আৰু উন্নয়নৰ মাধ্যমেৰে সমাজৰ প্ৰয়োজন বিলাকৰ প্ৰতি সহানুভূতিশীল হয়। প্ৰায়োগিক দিশটো ৰাজহুৱা নীতিৰ সমস্যাৰ লগত জড়িত।

৭.৩ সংস্থাপিত ভাৱধাৰাৰ বৈশিষ্ট্য

সংস্থাপিত অৰ্থনীতিৰ কিছুমান চাৰিত্ৰীক বৈশিষ্ট্য হ'ল ঃ

- **অৰ্থনৈতিক দৰ্শন ঃ** সংস্থাপিত ভাৱধাৰাৰ দৰ্শনৰ ভেঁটি আছিল ব্যক্তিগত বিশ্লেষণ। তেওঁলোক ব্যক্তিৰ বিভিন্ন কাৰ্যাৱলী বিবেচনা কৰিছিল। প্ৰতিজন ব্যক্তিৰ কল্যাণৰ ওপৰত সামাজিক কল্যাণ নিৰ্ভৰ কৰে। অৰ্থাৎ সামাজিক সুবিধা প্ৰতিজন ব্যক্তিৰ সুবিধাৰ ওপৰত নিৰ্ভৰশীল। আদাম স্মিথৰ বিশ্বাস মতে ব্যক্তিবাদ হৈছে প্ৰাকৃতিক স্বাধীনতাৰ ফল। বিভিন্ন সংস্থাপিত অৰ্থনীতিবিদসকলে ব্যক্তিত্ববাদী বিশ্লেষণৰ বিভিন্ন অৰ্থ প্ৰকাশ কৰিছে। ডেভিড ৰিকাড', বেনথাম আদি অৰ্থনীতিবিদে মনোভাৱৰ নীতিৰ ওপৰত ভিত্তি কৰি তেওঁলোকৰ ব্যক্তিত্ববাদী

মনোভাৱ প্ৰকাশ কৰিছিল।

- **অৰ্থনৈতিক নীতি ঃ** সংস্থাপিত ভাৱধাৰাৰ অৰ্থনীতিবিদসকলৰ অৰ্থনৈতিক নীতিৰ মূল আধাৰ 'অৰ্থনৈতিক স্বাধীনতা' বা অবাধ নীতি। এই অনুসৰি ব্যক্তিগত কাৰ্য্যাৱলী যেতিয়া ৰাষ্ট্ৰৰ নিয়ন্ত্ৰণৰ লগত তুলনা কৰা হয় তেতিয়া ব্যক্তিগত কাৰ্য্যবোৰ বাধাহীনভাৱেই বেছি দক্ষ আৰু প্ৰতিযোগী হয়। যেতিয়া ব্যক্তিয়ে পদক্ষেপ গ্ৰহণ কৰে তেতিয়াই বেছি অভিকেন্দ্ৰীক হোৱা পৰিলক্ষিত হয়। আত্মস্বাৰ্থ আৰু প্ৰতিযোগিতাৰ ফলস্বৰূপে ব্যক্তি আৰু সমাজৰ কল্যাণ সাধন হয়। সংস্থাপিত ভাৱধাৰৰ অৰ্থনীতিবিদসকলে সকলো প্ৰকাৰৰ অৰ্থনৈতিক কাম কাজত সংৰক্ষণৰ বিৰোধ কৰিছিল আৰু বজাৰ অৰ্থনীতিৰ কাম-কাজ আপোনা-আপুনি হোৱাত তেওঁলোকে গুৰুত্ব দিছিল।
- **অৰ্থনৈতিক বৃদ্ধি ঃ** সংস্থাপিত অৰ্থনীতিবিদ সকলৰ মতে জনসংখ্যা বৃদ্ধি আৰু মূলধনৰ গঠন অৰ্থনৈতিক উন্নয়নৰ বাবে মূল চৰ্ত। কাৰিকৰী উন্নয়ন আৰু ক্ৰমহ্ৰাসমান প্ৰতিদান অৰ্থনৈতিক গতি নিয়ন্ত্ৰণৰ দুটা মূল শক্তি। মূলধনৰ গঠনে শ্ৰমবিভাজনত সহায় কৰে যিটোৰ দ্বাৰা লাভৰ হাৰ নিৰ্ধাৰণ কৰা হয়। ই শ্ৰমিকৰ চাহিদা আৰু কাৰিকৰী কৌশলৰ উন্নতি ঘটায়। য'ত জনসংখ্যাই খৰতকীয়াভাৱে খাদ্যৰ কাৰণে চাহিদা বৃদ্ধিৰ প্ৰৱণতা বৃদ্ধি কৰে।

  সংস্থাপিত ভাৱধাৰাৰ সময়ৰ তিনি প্ৰকাৰ উন্নয়ন তত্ব হ'ল--

  - **অৰ্থনৈতিক বৃদ্ধিৰ আশাবাদী তত্ত্ব ঃ** এই তত্বটো আদাম স্মিথৰ সৈতে সম্পৰ্কিত। তেওঁৰ মতে সমাজৰ উন্নয়নৰ এক গতিশীল প্ৰক্ৰিয়া যিটোৰ অন্ত নাই। অৰ্থনৈতিক উন্নয়ন প্ৰক্ৰিয়াই কাৰিকৰী কৌশলৰ বৃদ্ধি কৰে যাৰ দ্বাৰা শ্ৰম বিভাজন সম্ভৱ হয় আৰু ফলস্বৰূপে বজাৰ আৰু মজুৰী বৃদ্ধি হয়। ই বজাৰৰ প্ৰসাৰ ঘটায়। সেই কাৰণে তাত কোনো সম্পৰ্কিত উপাদান নাথাকে। যাৰ বাবে অৰ্থনৈতিক বৃদ্ধিৰ ফল হ'ব নিয়মিত। ইয়াৰ লগত জড়িত দুটা অভিধাৰণা হ'ল--
    - যন্ত্ৰ হ'ল শ্ৰমৰ প্ৰতিকল্প। কাৰিকৰী কৌশলৰ ফলাফলে শ্ৰমৰ সলনি অস্বীকাৰ কৰে।
    - সমহাৰ প্ৰতিদান বিধি প্ৰযোজ্য।
  - **অৰ্থনৈতিক বৃদ্ধিৰ নিৰাশাবাদী তত্ত্ব ঃ** দীৰ্ঘকালীন উন্নয়ন প্ৰক্ৰিয়াত মালথাছ আৰু ৰিকাড'ৰ দৃষ্টিভংগী আছিল নিৰাশাবাদী। তেওঁলোকৰ মতে ক্ৰমহ্ৰাসমান প্ৰতিদান বিধিৰ কাৰণে উন্নয়ন প্ৰক্ৰিয়াত অচলাৱস্থাৰ সৃষ্টি হয়।
  - **আধুনিক বৃদ্ধিৰ তত্ত্ব ঃ** জে. এচ. মিলে আশাবাদ আৰু নিৰাশাবাদ দুয়োটাই নাকচ কৰিছিল। তেওঁ সংস্থাপিত উন্নয়ন তত্বত মধ্যস্ততাকাৰীৰ স্থান লৈছিল। তেওঁ কাৰিকৰী কৌশলৰ উন্নয়নত বিশ্বাস কৰা সকলৰ আশাবাদী মনোভাৱৰ ওপৰত সন্দেহ কৰিছিল। তেওঁ বিশ্বাস কৰিছিল যে সাংস্কৃতিক পৰিৱৰ্তনে সমাজত থকা অধিগ্ৰহণৰ মনোভাৱৰ শিথিলতা আনিব। নৈতিক বাধাৰ জনপ্ৰিয়তাই আৰু প্ৰভাৱশীলতাই জনসংখ্যা আধিক্যৰ সমস্যা সমাধানৰ বাট মুকলি কৰিব। তেওঁ নিৰাশাবাদ ধাৰণা অগ্ৰাহ্য কৰিছে।



অগ্রগতি নিৰীক্ষণ

১ নং প্রশ্ন ঃ সংস্থাপিত ভাৱধাৰাৰ দার্শনিক ভেঁটি উল্লেখ কৰক। (৩০ টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

.....

.....

.....

২ নং প্রশ্ন ঃ বজাৰ অর্থনীতিৰ বৈশিষ্ট্যবোৰ উল্লেখ কৰক। (৩০ টা শব্দৰ ভিতৰত)

.....

.....

.....

৭.৪ আদাম স্মিথ

আদাম স্মিথ (১৭২৩-১৭৯০) সংস্থাপিত ভাৱধাৰাৰ মূলহোতা আৰু পৃষ্ঠপোষক আছিল। তেওঁৰে আছিল প্রথমজন অর্থনীতিবিদ যিজনে অর্থবিজ্ঞানৰ প্রণালীবদ্ধভাৱে আলোচনা কৰিছিল। তেওঁক অর্থবিজ্ঞানৰ পিতৃ হিচাপে বিবেচনা কৰা হয়। কাৰণ পূর্বসুৰী সকলৰ পৰা যি অর্থনৈতিক ভাৱাদর্শ গ্রহণ কৰিছিল তাক উত্তৰ পুৰুষৰ হাতত তেওঁ অর্পণ কৰিছিল। ১৭৭৬ চনত প্রকাশিত তেওঁৰ 'An Inquiry into the Nature and Causes of the Wealth of Nations' শীর্ষক গ্রন্থৰ পৰা তেওঁক অর্থনীতিবিদ হিচাপে বিবেচনা কৰিব পাৰি। এই গ্রন্থখন বহুল ভাৱে ব্যৱহৃত হৈছে আৰু আটাইতকৈ সৰহ সংখ্যক প্রকাশিত গ্রন্থৰূপে স্বীকৃত। আনকি এতিয়াও এই গ্রন্থখন প্রকাশিত হৈয়ে আছে। তেওঁ আছিল প্রথমজন অর্থনীতিবিদ যিজনে অর্থবিজ্ঞানৰ ধাৰণাসমূহক পদ্ধতিগতভাৱে আৰু অর্থবিজ্ঞানৰ সমস্যাসমূহ সমতাপূর্ণভাৱে উপস্থাপন কৰিছিল। তেওঁৰ গ্রন্থ 'Wealth of Nations'এ অর্থবিজ্ঞানৰ প্রণালীবদ্ধভাৱে আৰু সর্বাত্মকভাৱে অধ্যয়নত বৰঙণি যোগাইছিল। আদাম স্মিথে ব্যষ্টিবাদী আৰু সমষ্টিবাদী দুয়োটাৰে ব্যাখ্যা কৰিছিল। অর্থনৈতিক ব্যৱস্থাত সকলোবোৰ উপাদানৰ আন্তঃসম্পর্ক ব্যাখ্যাৰ বাবে তেওঁ চেষ্টা কৰিছিল আৰু মুক্ত বজাৰৰ ব্যৱহাৰৰ বাবে ন্যায্যতা প্রদান কৰিছিল। মুক্ত বজাৰে "প্রাকৃতিক শক্তিৰ" কার্য্যকাৰিতাৰ সপক্ষে মত পোষণ কৰে। এখন দেশৰ অর্থনৈতিক বৃদ্ধি নির্ভৰ কৰে উৎপাদনশীল আৰু অনুৎপাদনশীল শ্রমৰ অনুপাতৰ ওপৰত। উৎপাদনশীল শ্রম হ'ল সেইবোৰ শ্রম যাৰ দ্বাৰা বস্তুগত দ্রব্য উৎপাদন কৰা হয়। যাৰ বিনিময় মূল্য আছে। অনুৎপাদনশীল শ্রম ব্যৱহাৰহীন নহয় মাত্র ই বিনিময় কৰিব পৰা দ্রব্য উৎপাদন নকৰে। তেওঁৰ দুখন গ্রন্থৰ অৱদান হ'ল — 'Theory of Moral Sentiments' আৰু 'Wealth of Nations'। তেওঁৰ গ্রন্থ দুখনৰ ভেঁটি হ'ল দর্শনৰ প্রকৃতিবাদ আৰু আশাবাদৰ সৈতে নৈতিক আৰু সামাজিক নিউটনবাদ।

৭.৫ অর্থনীতিলৈ আদাম স্মিথৰ অৱদান

আদাম স্মিথ সংস্থাপিত ভাৱধাৰাৰ গুৰু আছিল। অর্থনৈতিক ভাৱধাৰালৈ তেওঁ পূর্বসুৰী সকলৰ ভাৱধাৰাক প্রণালীবদ্ধ আৰু একেসুৰীয়াকৈ বিশ্লেষণেৰে উচ্চ শিখৰত আৰোহণ কৰাইছিল। তেওঁ অর্থনৈতিক ভাৱধাৰাৰ ইতিহাসলৈ আগবঢ়োৱা মুখ্য অৱদানবোৰ তলত আলোচনা কৰা হ'ল —

৭.৫.১ আশাবাদ আৰু প্রকৃতিবাদ

আদাম স্মিথে প্রাকৃতিক নিয়মৰ দ্বাৰা পৰিচালিত অনুষ্ঠানত বিশ্বাসী আছিল। তেওঁ বিবেচনা কৰিছিল যে অর্থনীতিৰ পৃথিৱীখন এটা জীৱিত বা প্রাণ থকা ব্যৱস্থা, যিয়ে নিজৰ অত্যাৱশ্যকীয় অংশসমূহ নিজে সৃষ্টি কৰি লয়। প্রকৃতিবাদ হৈছে স্বতঃস্ফুত আৰু অর্থনৈতিক অনুষ্ঠানৰ উৎস হ'ল প্রকৃতি। প্রতিটো অর্থনৈতিক অনুষ্ঠানে সিহঁতৰ সুবিধাজনক ফলাফল সৃষ্টি কৰে বুলি আশাবাদে নির্দেশ কৰে। ফ্রান্সৰ প্রকৃতিবাদৰ পৰা প্রকৃতিবাদ ধাৰণাটো আহৰণ কৰা হৈছে। তেওঁৰ মতে প্রাকৃতিক নিয়মে পালন কৰে আর্থিক পৃথিৱী বা পৃথিৱীৰ জীৱনক। তেওঁ বিশ্বাস কৰিছিল সকলো অর্থনৈতিক নিয়মেই প্রাকৃতিক আৰু স্বতঃস্ফুত যিটো মানুহৰ বাবে সুবিধাজনক। তেওঁ আৰু প্রশংসা কৰিছে যে অর্থনৈতিক কাম-কাজৰ ধাৰণাসমূহ প্রকৃতিবাদ।

৭.৫.২ জাতিসমূহৰ সম্পদ

আদাম স্মিথৰ ১৭৭৬ চন প্রকাশিত 'An Enquiry into the Nature and Causes of the Wealth of Nations', সাধাৰণতে 'Wealth of Nations' হিচাপে পৰিচিত গ্রন্থখনে অর্থনৈতিক আৰু সামাজিক তত্ত্বত গুৰুত্বপূর্ণ অৱদান আগবঢ়াইছে। এই গ্রন্থখনে পৃথিৱীৰ সর্বপ্রথম গ্রন্থ যিয়ে ৰাষ্ট্রসমূহৰ সম্পদ সৃষ্টিৰ ওপৰত সংগৃহিত ব্যাখ্যা আগবঢ়াইছে আৰু বর্তমানেও সংস্থাপিত ভাৱধাৰাৰ ভেঁটি হিচাপে কাম কৰিছে। আদাম স্মিথৰ ৰাষ্ট্রসমূহৰ সম্পদে অর্থবিজ্ঞানক সম্পদৰ বিজ্ঞান বুলি অভিহিত কৰিছে। গ্রন্থখনে শ্রম বিভাজনৰ তত্ত্বসমূহ, উৎপাদন, বিনিময়, বিতৰণ, ইউৰোপৰ অর্থনৈতিক উন্নয়ন, কৃষি; কৰ, ৰাজকোষীয় নীতি, আৰু চৰকাৰৰ হস্তক্ষেপ বর্ণনা কৰিছিল। ইয়াৰ ওপৰিও ৰাজনৈতিক অর্থনীতিৰ বিভিন্ন ব্যৱস্থাসমূহৰ লগতে প্রকৃতিবাদ আৰু সদাগৰবাদৰ সমালোচনামূলক বিশ্লেষণ আগবঢ়াইছিল।

৭.৫.৩ অবাধ নীতিৰ মতবাদ

প্রায়োগিক বিশ্লেষণ প্রকৃতিৰ নিয়ম বা প্রকৃতিবাদী ধাৰণাৰ ওপৰত নির্ভৰশীল। আদাম স্মিথে মানুহৰ অর্থনৈতিক কার্যকলাপৰ বাবে যিকোনো ৰক্ষণাবেক্ষণৰ প্রয়োজনীয়তা

সম্বন্ধে বিশ্বাস কৰা নাছিল। অবাধ নীতিৰ মতবাদ অর্থনৈতিক উদাৰতাবাদৰ ওপৰত নির্ভৰশীল। আদাম স্মিথে অবাধ নীতিৰ মতবাদক বাস্তৱিক নিয়ম হিচাপে সমর্থন কৰিছিল আৰু তেওঁৰ মতে সকলো ব্যক্তিয়ে ইয়াক সমর্থন কৰা উচিত। ব্যক্তিগত শিল্পোদ্যোগ ব্যৱস্থা পুনৰ সংস্থাপনত তেওঁ বিশ্বাসী আৰু মুক্ত বজাৰ অর্থনীতিক সবলভাৱে গ্রহণ কৰিছিল। তেওঁ বিশ্বাস কৰিছিল যে মুক্ত বজাৰ ব্যৱস্থাই প্রতিযোগিতাৰ শক্তি বৃদ্ধি কৰিব আৰু ইয়াৰ ফল স্বৰূপে দেশ এখনৰ এটা সময়লৈ সম্পদ বৃদ্ধি হৈ থাকিব। এই মতামত তেওঁৰ ৰাজনৈতিক আৰু অর্থনৈতিক নীতিৰ আধাৰ আছিল আৰু ইয়েই বিশ্বৰ অর্থনীতিক সদাগৰবাদৰ পৰা মুক্ত বজাৰ অর্থনীতিলৈ ৰূপান্তৰ কৰিছিল।

৭.৫.৪ কৰৰ নীতি

আদাম স্মিথে চাৰিটা কৰৰ নীতি আগবঢ়াইছে। সেইকেইটা হ'ল–

- **সমতাৰ নীতি ঃ** সমতাৰ ভিত্তিত জনসাধাৰণৰ ওপৰত কৰ আৰোপ কৰা উচিত। আদাম স্মিথৰ ভাষাত প্রতিখন ৰাষ্ট্রৰ জনসাধাৰণে যথাসম্ভৱ বৰঙণি আগবঢ়াই চৰকাৰক সহায় কৰিব লাগে যাতে দেশৰ সুৰক্ষা তেওঁলোকে উপভোগ কৰিব পাৰে।
- **নিশ্চয়তাৰ নীতি ঃ** তেওঁ পৰামর্শ দিছে যে ব্যক্তিয়ে তেওঁলোকে পৰিশোধ কৰিবলগীয়া কৰ সম্বন্ধে পূর্বে জ্ঞাত আৰু নিশ্চিত হ'ব লাগে।
- **সুবিধাৰ নীতি ঃ** কৰ দাতাসকলৰ ওপৰত কৰ আৰোপ এনেদৰে কৰিব লাগে যাতে কৰদাতাসকলৰ বাবে কৰ প্রদানৰ সময় বেছি সুবিধাজনক হয়।
- **মিতব্যয়িতা নীতি ঃ** কৰ সংগ্রহৰ খৰচৰ পৰিমাণ সম্ভাব্য সর্বনিম্ন হোৱাৰ ওপৰত ভিত্তি কৰি কৰ আৰোপ কৰা উচিত।

৭.৫.৫ মূল্য তত্ত্ব

শ্রম মূল্য তত্ত্ব আৰু উপাদান ব্যয়ৰ মূল্যৰ ওপৰত ভিত্তি কৰি আদাম স্মিথে মূল্য তত্ত্বটো গ্রহণ কৰিছে। তেওঁ মূল্য তত্ত্বটো ব্যৱহাৰিক আৰু বিনিময় মূল্যৰ পার্থক্যৰ দ্বাৰা ব্যাখ্যা কৰিছে। প্রথমটোৱে কিছুমান বস্তুৰ উপযোগিতা আৰু দ্বিতীয়টোৱে অন্য বস্তু কিনিব পৰা ক্ষমতাৰ কথা বুজাইছে। উদাহৰণস্বৰূপে পানীৰ কথাকে ক'ব পাৰি। পানীৰ ব্যৱহাৰিক মূল্য অসীম। কিন্তু ইয়াৰ বিনিময় মূল্য কম, ঠিক সেইদৰে হীৰাৰ ব্যৱহাৰিক মূল্য কম, কিন্তু ইয়াৰ বিনিময় মূল্য বেছি (পানী হীৰাৰ সাঁথৰ)।

অর্থনীতিত মূল্য নির্ধাৰণটো এটা কেন্দ্রীয় সমস্যা। আদাম স্মিথে বিশ্বাস কৰিছিল যে শ্রম নির্দ্ধাৰণ হয় কেন্দ্রীয় মূল্যৰ উৎসৰ পৰা। তেওঁৰ মতে বস্তুৰ মূল্য নির্ভৰ কৰে শ্রমৰ পৰিমাণৰ ওপৰত। ই বজাৰক নিয়ন্ত্রণ কৰে। তেওঁ বিশ্বাস কৰিছিল যে "সকলো দ্রব্যৰে বিনিময় মূল্যৰ প্রকৃত পৰিমাপ হৈছে শ্রম"। এইটোৱেই বিখ্যাত শ্রম তত্ত্ব।

মূল্যতত্ত্বটো প্ৰথমে আগবঢ়াইছিল আদাম স্মিথে তাৰ পাছত ডেভিড ৰিকাড' এ এই তত্ত্বটো ব্যৱহাৰ কৰিছিল যাক পিছত মার্ক্সে পুঁজিবাদৰ ধাৰণাত ব্যৱহাৰ হৈছিল।

৭.৫.৬ বিতৰণ তত্ত্ব

এইটো হৈছে মূল্য তত্ত্বৰ বিবেচিত ফলাফল। স্মিথে নিৰীক্ষণ কৰিছিল যে এখন সভ্য সমাজত তিনিটা ডাঙৰ উপাদান আছে যিসকলে খাজানা, মজুৰি আৰু লাভৰ অংশৰ দ্বাৰা জীৱিকা নিৰ্বাহ কৰে।

আদাম স্মিথে মজুৰী প্ৰতি ব্যক্তি হিচাপত, খাজনা প্ৰতি একৰ হিচাপত আৰু লাভ শতাংশ হিচাপত নিৰ্ধাৰিত হ'ব লাগে বুলি বিবেচনা কৰিছে। তেওঁ জাতীয় আয়ত খাজনা, লাভ আৰু মজুৰি বিতৰণৰ বিষয়ে বিবেচনা কৰা নাই।

- **খাজনা ঃ** তেওঁ খাজনাৰ প্ৰকৃতি আৰু গুৰুত্ব সম্পৰ্কে বিবেচনা কৰা নাছিল। আদাম স্মিথে খাজনাৰ বাবে বিভিন্ন ব্যাখ্যা দিছে। এঠাইত তেওঁ খাজনাক একচেতীয়া দাম বুলি কৈছে। অন্য এঠাইত তেওঁ দ্ৰব্যৰ দৰ বুলি বিবেচনা কৰিছে। তেওঁ ভূমিৰ খাজনাক ব্যয়ৰ উপাদান হিচাপে অন্তৰ্ভূক্ত কৰিছে। তেওঁৰ ভূমি পতিসকলৰ গুৰুত্ব আৰু সমাজৰ সামগ্ৰিক গুৰুত্বৰ মাজত থকা সম্পৰ্ক সম্বন্ধে স্পষ্ট ধাৰণা অছিল। জনসাধাৰণৰ গুৰুত্ব আৰু ভূমিপতি সকলৰ গুৰুত্বৰ মাজত সমকালীনতা দেখা যায়। লাভ উপার্জনকাৰীসকল সমাজ বিৰোধী, কিয়নো লাভৰ অংশই অর্থনৈতিক প্ৰগতিৰ লগে লগে হ্ৰাসৰ প্ৰৱণতা দেখুৱাই।
- **মজুৰি ঃ** আদাম স্মিথে মজুৰি তত্ত্বৰ স্পষ্ট উন্নয়ন ঘটোৱা নাই। কিন্তু মজুৰি সম্বন্ধে বিভিন্ন তত্ত্বৰ সাৰাংশ প্ৰদান কৰিছে। তেওঁ দুটা তত্ত্ব বিবেচনা কৰিছে যেনে - হ্ৰস্বকালীন চাহিদা আৰু যোগান তত্ত্ব আৰু দীৰ্ঘকালীন ভৰপোষণ তত্ত্ব। হ্ৰস্বকালত মজুৰি শ্ৰমৰ যোগান আৰু চাহিদাৰ দ্বাৰা নিৰ্ধাৰিত হয়। মজুৰিৰ নিম্নতম হাৰ দীৰ্ঘকালত ভাৰপোষণ স্তৰে স্থিৰ কৰে। তেওঁ উল্লেখ কৰিছে যে বৰ্তমান সময়ত মজুৰি শ্ৰমিক আৰু মালিকৰ মাজত হোৱা চুক্তিৰ ফল। আদাম স্মিথ শ্ৰমিকৰ প্ৰতি সদায় সহানুভূতিশীল আছিল।
- **লাভ ঃ** আদাম স্মিথে মজুৰি সম্পূৰ্ণৰূপে লাভৰ লগত তুলনা কৰিহে আলোচনা কৰিছে। তেওঁ বিবেচনা কৰিছে যে লাভ মজুতৰ আয়। লাভ হ'ল মূলধনৰ প্ৰতিদান। লাভ পাবলৈ সমর্থ হয় যিয়ে উৎপাদনত মূলধন প্ৰয়োগ কৰে। আদাম স্মিথে বিতৰণৰ লগত সংগতি থকা কোনো তত্ত্ব আগবঢ়োৱা নাই। যিয়ে মূল্য তত্ত্বৰ ওপৰত বিৰূপ প্ৰভাৱ পেলাইছে। যাৰ ফলত তেওঁৰ মূল্যতত্ত্বটো অমূলক আৰু অর্থহীন হিচাপে ৰৈ গৈছে।

৭.৫.৭ বাণিজ্য তত্ত্ব

আন্তর্জাতিক বাণিজ্যত সদাগৰী ব্যৱস্থাৰ ৰক্ষণাবেক্ষণ আৰু নিয়ন্ত্রণমূলক ব্যৱস্থাৰ ওপৰত আদাম স্মিথে বলিষ্ঠভাৱে প্রত্যাহ্বান জনাইছে। আন্তর্জাতিক বাণিজ্যৰ তত্ত্বত কেৱল মাত্র মুক্ত বাণিজ্যৰ আৱশ্যকটা সম্পর্কে সম্পূর্ণ নিশ্চয়তাই নহয়, দেশ এখনৰ সমৃদ্ধি আৰু উন্নয়নৰ প্রসাৰৰ বাবে বাণিজ্যৰ আৱশ্যকতা সম্পর্কে উল্লেখ কৰিছে। মুক্ত বাণিজ্যই আদাম স্মিথৰ মতে শ্রম বিভাজন ঘটায়। প্রতিখন দেশ সেইটো দ্রব্য উৎপাদনত বিশেষীকৰণ কৰিব পাৰে যিটো আটাইতকৈ সুলভ। সময়ে সময়ে আত্মনির্ভৰশীলতা আৰু ৰক্ষণাবেক্ষণ নিসন্দেহে এটা শ্লোগানহে। বর্তমান সময়ৰ বাবে আত্মনির্ভৰশীলতা সকলো দেশৰ বাবে আৱশ্যক।

মুক্ত বাণিজ্য আৰু সংশোধিত আন্তর্জাতিক বাণিজ্যই দেশসমূহক উৎপাদনত বিশেষীকৰণ আৰু ৰপ্তানি কৰিবলৈ সুবিধা প্রধান কৰিব। যিটো বস্তু উৎপাদনত দেশখনৰ চৰম সুবিধা অন্য দেশতকৈ বেছি থাকে তেনে বস্তু উৎপাদনত মনোনিবেশৰ দ্বাৰা দেশখনে বিশেষীকৰণ কৰিব যাৰ ফলত দেশবিলাকে আন্তর্জাতিক বাণিজ্যৰ পৰা লাভান্বিত হ'ব। যেনেকৈ এজন দর্জীয়ে অকলে তেওঁৰ চুট নবনায় আৰু মুছি জনে অকল তেওঁৰ জোতা নিচিলায়। গতিকে দুয়োজনে বিনিময়ৰ দ্বাৰা জোতা আৰু চুট সলনি কৰি লাভৱান হয়।

৭.৫.৮ অর্থনৈতিক বৃদ্ধি আৰু অর্থনৈতিক উন্নয়ন তত্ত্ব

যদিও ঐতিহাসিক অর্থনীতিবিদসকলে আদাম স্মিথৰ মূল্য তত্ত্ব আৰু বিতৰণ তত্ত্বক বেছি গুৰুত্ব দিছে, আদাম স্মিথে নিজে প্রাথমিকভাৱে গতিশীল বিকাশ আৰু উন্নয়নক লৈ বেছি বিবেচনা কৰিছিল। তেওঁৰ বাবে পৰিপূৰক গুৰুত্ব থকা মূল্য আৰু বিতৰণৰ বিশ্লেষণ ৰাষ্ট্রসমূহৰ সম্পদ বৃদ্ধিৰ গুৰুত্বপূর্ণ আহিলা। আদাম স্মিথে অর্থনৈতিক উন্নয়নৰ বর্ণনা প্রতিজন ব্যক্তিৰ সম্পদ বা আয়ৰ হিচাপত কৰিছিল আৰু সম্পদৰ এটা বস্তুবাদী সংজ্ঞা গ্রহণ কৰিছিল। ৰাষ্ট্রৰ সম্পদ বৃদ্ধিয়ে বছৰেকীয়া ভূমি আৰু শ্রমৰ উৎপন্ন আৰু সকলো ভোগ্য আৰু বিনিয়োগযোগ্য দ্রব্যজাত বস্তুক অন্তর্ভূক্ত কৰে।

ৰাষ্ট্রৰ সম্পদে উৎপাদনশীল শ্রমৰ উৎপাদনশীলতাৰ পৰিমাণ আৰু গুণ দুয়োটাই বৃদ্ধি কৰে। উন্নয়ন প্রক্রিয়াই উৎপাদনশীল শ্রমৰ নিয়োগ বৃদ্ধি কৰে।
গতিশীল উন্নয়ন তলত দিয়া অভিধাৰণাৰ দ্বাৰা বুজিব পাৰি-

- মূলধন গঠনে উৎপাদনশীল শ্রমিকৰ চাহিদা বৃদ্ধি কৰে।
- শ্রমিকৰ চাহিদা বৃদ্ধিৰ কাৰণে মজুৰীৰ হাৰ ভৰণপোষণ স্তৰৰ ওপৰত বৃদ্ধি পায়, যিটোৱে শ্রমিকৰ যোগান বৃদ্ধি কৰে।
- কর্মৰত জনসংখ্যাৰ আকাৰে বজাৰৰ আকাৰ বৃদ্ধি কৰে আৰু শ্রম বিভাজনৰ পৰিসৰ

বৃদ্ধি কৰে।

আদাম স্মিথ সম্পূৰ্ণৰূপে ৰাজনৈতিক অৰ্থনীতিৰ পিতৃ আছিল। তেওঁৰ 'Wealth of Nations' অৰ্থবিজ্ঞানৰ আধাৰশিলা স্বৰূপ আছিল। জে. বি. চে. এ সম্পূৰ্ণৰূপে মতামত দিছিল যে যেতিয়া আমি এই কিতাপখন পঢ়ো আমি অনুভৱ কৰো যে আদাম স্মিথৰ পৰৱৰ্তী হিচাপে ৰাজনৈতিক অৰ্থনীবিদ কোনো নাই। আদাম স্মিথে মানুহৰ বাস্তৱ ঘটনাৰাজিত প্ৰভাৱিত হৈছিল। আদাম স্মিথে কিছুমান ধাৰণা প্ৰকৃতিবাদৰ পৰা গ্ৰহণ কৰিছিল। যদিও চুমপিটাৰে কৈছিল যে ৰাষ্ট্ৰসমূহৰ সম্পদ নিশ্চিত একক বিশ্লেষণৰ ধাৰণা নহয়। ১৭৭৬ চনত অৰ্থবিজ্ঞানৰ নীতি বা পদ্ধতি সম্পূৰ্ণৰূপে নতুন আছিল কিন্তু চুমপিটাৰৰ মতে অৰ্থনীতিৰ ওপৰত লিখা সকলো কিতাপতকৈয়ো নহয় আনকি জ্ঞানৰ অন্যান্য বিভাগৰ ওপৰত লিখা কিতাপতকৈ স্মিথৰ জাতিসমূহৰ সম্পদ অধিক সফল। তেখেতৰ মতে ডাৰউইনৰ জীৱনৰ ক্ৰমবিকাশ নামৰ গ্ৰন্থৰ লগতে বোধ হয় ইয়াৰ ৰিজনি হ'ব। গ্ৰেভী (Gravy)ৰ ভাষাত আদাম স্মিথৰ চিন্তাধাৰা হয়তো সকলো চিন্তাধাৰাৰ ওপৰত।

৭.৬ আদাম স্মিথৰ ৰাজনৈতিক দৰ্শনৰ ওপৰত মত

আদাম স্মিথক ৰাজনৈতিক অৰ্থবিজ্ঞান আৰু সংস্থাপিত অৰ্থবিজ্ঞানৰ জনক বুলি গণ্য কৰা হয়। তেওঁৰ দ্বাৰা ৰচিত 'An Inquiry into the Nature and Causes of Wealth of Nations'(১৭৭৬) আৰু 'Moral Sentiments' (১৭৫৯) ত উল্লেখিত উপাদানবোৰৰ পৰা ৰাজনীতি বিষয়ক এলানি সুস্পষ্ট দৃষ্টিভংগী উলিয়াব পৰা যায়। স্মিথে সম্পত্তি, চুক্তি, শাস্তি ইত্যাদিক এক নিৰপেক্ষ পৰ্য্যবেক্ষকৰ বিবেচনাৰ দ্বাৰা এটা বিস্তৃত, সাৰ্বজনীন ভাবে প্ৰযোজ্য ন্যায়ৰ তত্ত্ব গঠন কৰিব বিচাৰিছিল যেন বোধ হয়। অৰ্থনীতিৰ কাৰ্য্যসম্পাদন পদ্ধতি সম্পৰ্কে স্মিথৰ উপলব্ধি অধ্যয়ন কৰি গম পোৱা যায় যে ৰাষ্ট্ৰই কেৱল আইনৰ শাসনৰ দ্বাৰাহে অৰ্থনীতিৰ উৎপানশীলতাৰ পৃষ্ঠপোষকতা কৰিব পাৰে বুলি তেওঁ ভাবিছিল। এই আইনৰ শাসনত বেংক পৰিচালনাৰ অনুশীলনবোৰত কিছুমান সীমাৱদ্ধতা থকা উচিত আৰু কোনো এক নিৰ্দিষ্ট ব্যৱসায়িক প্ৰতিষ্ঠানৰ ওপৰত বাধা নিষেধ আৰোপ অথবা অনুপ্ৰাণিত কৰা ব্যৱস্থাবোৰ উঠাই লোৱা উচিত বুলি তেওঁ মত পোষণ কৰিছিল। অৰ্থবিজ্ঞান বিষয়ক তেওঁৰ তত্ত্বৰ ব্যৱহাৰিক দিশটো আছিল শাসন কাৰ্য্য পৰিচালনা কৰা বিষয়া সকলক এই বাধা-নিষেধপূৰ্ণ আৰু মাৰ্জিত পন্থাটো ব্যৱহাৰৰ দ্বাৰা অৰ্থনৈতিক হস্তক্ষেপ কৰাৰ গোঁহাৰি জনোৱা। স্মিথৰ ৰাজনৈতিক দৃষ্টিভংগীয়ে সাধাৰণ ভাৱে এখন নূন্যবাদী ৰাষ্ট্ৰৰ পোষকতা কৰিছিল। ৰাষ্ট্ৰই অৰ্থনীতিক ব্যষ্টিবাদী ব্যৱস্থাপনাৰে পৰিচালিত কৰাটো তেওঁ বিচৰা নাছিল। তেওঁ ৰাষ্ট্ৰই ধৰ্ম অথবা নৈতিকতাৰ পোষকতা কৰাটোও বিচৰা নাছিল। স্মিথে অন্য নৈতিকতাবোৰতকৈ ন্যায়ক অধিক গুৰুত্ব দিছিল। অইনৰ বিধি সম্পৰ্কীয় ভাষণবোৰৰ আৰম্ভণিতে স্মিথে কৈছিল যে চৰকাৰৰ প্ৰতিটো ব্যৱস্থাৰে প্ৰধান আৰ্হিটো হ'ল ন্যায়ৰ তদাৰক কৰা। তেওঁ 'Wealth of Nations' শীৰ্ষক গ্ৰন্থখনত স্মিথে কেইবাবাৰো অৰ্থনৈতিক

কার্য্যকলাপত ন্যায়ে বাধা আৰোপ কৰে বুলি মত পোষণ কৰিছিল। সৰ্বশেষত স্মিথে চৰকাৰৰ কার্য্যকলাপ সীমিত কৰাৰ কথা কৈছিল। কাৰণ, তেওঁ কিছুমান নৈতিকতাৰ বিকাশক গুৰুত্বপূর্ণ বুলি বিবেচনা কৰিছিল। এই নৈতিকতাবোৰে মানুহক কার্য্য সম্পাদন কৰিবলৈ যথেষ্ট সুবিধা প্রদান কৰিছিল আৰু তেওঁলোকক নিজাববীয়াকৈ অনুভৱবোৰ গঢ় দিয়াৰ সুযোগ দিছিল। এগৰাকী ভাল মানুহ হোৱাৰ কামটো ব্যক্তিয়ে নিজেই সম্পাদন কৰিবলগীয়া কার্য্য বুলি তেওঁ বিবেচনা কৰিছিল।



অগ্রগতি নিৰীক্ষণ

৩ নং প্রশ্ন ঃ আদাম স্মিথৰ প্রকৃতিবাদ ধাৰণাটো লিখক। (৪০ টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

.....

.....

.....

.....

৪ নং প্রশ্ন ঃ আদাম স্মিথে আগবঢ়োৱা অবাধ নীতি মতামতটো লিখক। (৪০ টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

.....

.....

.....

.....

৫ নং প্রশ্ন ঃ আদাম স্মিথৰ সমতাৰ নীতিয়ে কি নির্দেশ কৰে? (২০ টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

.....

.....



৭.৭ অধ্যয়টিৰ পৰা আমি কি শিকিলোঁ

- অর্থনীতিৰ সংস্থাপিত ভাৱধাৰাৰ প্রায় ১৭৫০ চনত উন্নতি ঘটিছিল। আদাম স্মিথ আছিল সংস্থাপিত ভাৱধাৰাৰ পৃষ্ঠপোষক আৰু মূলহোতা।
- আদাম স্মিথ সংস্থাপিত ভাৱধাৰাৰ গুৰু আছিল। উত্তৰসুৰীৰ বাবে তেওঁ অর্থনৈতিক ভাৱধাৰাক একেসুৰীয়া আৰু পদ্ধতিগত বিশ্লেষণেৰে কোনো অৱনতি নঘটোৱাকৈ উচ্চ শিখৰত থিয় কৰাইছিল।
- আদাম স্মিথে বিশ্বাস কৰিছিল যে মানুহৰ আর্থিক কাম-কাজত কোনো ৰক্ষণাবেক্ষণৰ আৱশ্যক নাই। তেওঁ বলিষ্ঠভাৱে মুক্ত বজাৰ অর্থনীতিক সমর্থন জনাইছিল। ব্যক্তিগত উদ্যোগ ব্যৱস্থাত

পুনঃসংস্থাপনত তেওঁ বিশ্বাসী আছিল।

- আদাম স্মিথে আগবঢ়োৱা চাৰিটা কৰ নীতি হ'ল সমতা, নিশ্চয়তা, সামৰ্থ্য আৰু মিতব্যয়িতা।
- আন্তর্জাতিক বাণিজ্যত সদাগৰী ব্যৱস্থাই প্রতিষ্ঠা কৰা ৰক্ষণাবেক্ষণ মতবাদৰ ওপৰত বলিষ্ঠ প্রতিক্রিয়া প্রকাশ কৰি আদাম স্মিথে আন্তজার্তিক বাণিজ্যলৈ চৰম সুবিধা তত্ত্বটো আগবঢ়াইছে। তেওঁ এই তত্বত মুক্ত বাণিজ্যত গুৰুত্ব দি কৈছে যে এখন দেশৰ সমৃদ্ধিৰ বাবেই নহয় আন্তর্জাতিক বাণিজ্যৰ প্রসাৰতাৰ বাবেও মুক্ত বাণিজ্যৰ প্রয়োজন।
- শ্রম বিভাজনে একেটা উদ্যোগৰ ভিতৰত বিভিন্ন প্রক্রিয়াত বা বিভিন্ন উদ্যোগত শ্রমিকৰ বিশেষীকৰণৰ নির্দেশ কৰে।
- আদাম স্মিথে অর্থনৈতিক বৃদ্ধিৰ মাধ্যমত সম্পদ বৃদ্ধি বর্ণনা কৰিছিল। 'Wealth of Nations' ত প্রতিজন ব্যক্তি আৰু সম্পদৰ বস্তুবাদী সংজ্ঞা গ্রহণ কৰিছিল। সমাজত ভূমিৰ উৎপাদন, সমাজৰ শ্রম আৰু বস্তুগত দ্রব্যৰ বছৰেকীয়া উৎপাদন নির্দেশ কৰিছে। সকলো বস্তুবাদী দ্রব্য উপভোগ আৰু বিনিয়োগ কৰিব পাৰি।

৭.৮ অধিক জানিবলৈ

1) Arrow, K.J. (1979).'The Division of Labor in the Economy, the Polity, and Society'. In Adam Smith and Modern Political Economy: Bicentennial Essays on the Wealth of Nations. Gerald P. O'Driscoll (ed.). Ames: The Iowa State University Press.
2) Blecker, R.A. (1997.). The 'Unnatural and Retrograde Order': Adam Smith's Theories of Trade and Development Reconsidered. Economica.
3) Cairnes, J.E. (1874). *Some Leading Principles of Political Economy.* Newly Expounded. London: Macmillan.
4) Darity, W.A.J. and Davis, L.S. (2005). 'Growth, Trade and Uneven Development'. Cambridge Journal of Economics
5) Elmslie, B. and James, A.M. (1993).'The Renaissance of Adam Smith in Modern Theories of International Trade'. In Perspectives on the History of Economic Thought: Volume IX: Themes on Economic Discourse, Method, Money and Trade. Robert F. Hébert (ed.). 63-76. Aldershot: Elgar.
6) Haberler, G. (1950) [1930].*The Theory of International Trade with its Applications to Commercial Policy.* New York: Macmillan.
7) Harrod, R.F. (1933). *International Economics.* New York: Harcourt, Brace and Company.

8) Hume, D. (1987). *Essays Moral, Political, and Literary.* Eugene F. Miller (ed.), Indianapolis: Liberty Fund.

9) Maneschi, A. (1998). *Comparative Advantage in International Trade: A Historical Perspective.* Cheltenham: Edward Elgar.

10) Nicholson, J.S. (1909). *A Project of Empire: A Critical Study of the Economics of Imperialism, With Special Reference to the Ideas of Adam Smith.* London: Macmillan.

11) Ricardo, D. (2004) [1817]. 'On the Principles of Political Economy and Taxation'. In The Works and Correspondence of David Ricardo. Vol. I. Piero Sraffa (ed.). Indianapolis: Liberty Fund.

৭.৯ অগ্রগতিৰ নিৰীক্ষণ

১ নং প্রশ্ন উত্তৰ ঃ সংস্থাপিত ভাৱধাৰাৰ মূল হ'ল দর্শন। ব্যক্তিবাদী বিশ্লেষণত তেওঁলোকে ব্যক্তিৰ বিভিন্ন কার্য্যবোৰ বিবেচনা কৰিছিল। সামাজিক কল্যাণ প্রতিজন ব্যক্তিৰ ব্যক্তিগত কল্যাণৰ ওপৰত নির্ভৰশীল। প্রতিজন ব্যক্তিৰ মঙ্গলৰ ওপৰত সমাজৰ মঙ্গল নির্ভৰ কৰে।

২ নং প্রশ্ন উত্তৰ ঃ বজাৰ অর্থনীতি (পুঁজিবাদী অর্থনীতি)ৰ তলত উল্লেখিত বৈশিষ্ট্যবোৰ দেখা যায়-

- ব্যক্তিস্বার্থ সমূহে আত্মঃস্বার্থ আৰু প্রতিযোগিতাৰ শক্তিৰ দ্বাৰা নিয়ন্ত্রিত ।
- ব্যক্তিগত অনুষ্ঠানসমূহ উৎপাদন লাভৰ সৈতে জড়িত।
- দ্রব্য আৰু সেৱা দুয়োটাৰে উৎপাদনৰ মূল উপাদান বিলাক বজাৰত ক্রয়-বিক্রয় হয়।

৩ নং প্রশ্ন উত্তৰ ঃ আদাম স্মিথ প্রাকৃতিক নিয়মৰ সুবিধাগত বৈশিষ্ট্যত বিশ্বাসী। তেওঁ বিবেচনা কৰিছিল যে পৃথিৱীত বাস কৰা প্রতিটো প্রাণীয়ে নিজৰ নিজৰ আৱশ্যকীয় সৃষ্টি কৰি লয়। প্রকৃতিবাদ হৈছে স্বতঃস্ফুত আৰু প্রাকৃতিক উৎসৰ অর্থনৈতিক অনুষ্ঠান। আশাবাদে নির্দেশ কৰে যে অর্থনৈতিক অনুষ্ঠানবোৰে সুবিধীজনক ফল সৃষ্টি কৰে। তেওঁ বিশ্বাস কৰিছিল যে অর্থনৈতিক নিয়ম প্রাকৃতিক আৰু স্বতঃস্ফুত যিটো মানৱ সমাজৰ বাবে সুবিধাজনক। তেওঁ আৰু প্রশংসা কৰিছে যে প্রকৃতিবাদী ধাৱণাই সকলো অর্থনৈতিক কাম-কাজ বর্তাই ৰাখে।

৪ নং প্রশ্ন উত্তৰ ঃ অবাধ নীতিৰ মতবাদে অর্থনৈতিক উদাৱতাক দাঙি ধৰিছিল। এটা বাস্তৱ নিয়ম হিচাপে আদাম স্মিথ অবাধ নীতি মতবাদৰ সমর্থক আছিল আৰু তেওঁৰ মতে এই নিয়মটো সকলো ব্যক্তিয়ে মানি চলা উচিত। তেওঁ বলিষ্ঠভাৱে মুক্ত বজাৰ অর্থনীতি ধাৱণাটো সমর্থন জনাইছে আৰু তেওঁ ব্যক্তিগত উদ্যোগিক ব্যৱস্থাৰ পুনৰ গঠনত বিশ্বাসী আছিল। তেওঁ বিশ্বাস কৰিছিল যে মুক্ত বজাৰ কৌশলত প্রতিযোগিতামূলক শক্তি বর্তি থাকিব যিটোৰ ফলস্বৰূপে দেশত সম্পদ বৃদ্ধি বহু সময়লৈকে থাকিব।

৫ নং প্ৰশ্ন উত্তৰ ঃ আদাম স্মিথৰ কৰৰ নীতিয়ে নিৰ্দেশ কৰে যে কৰ নাগৰিকৰ ওপৰত সমতাৰ ভিত্তিত আৰোপ কৰা উচিত।

৭.১০ আৰ্হি প্ৰশ্ন

চুটি প্ৰশ্ন (১৫০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

১ নং প্ৰশ্ন ঃ সংস্থাপিত ভাৱধাৰা ওপৰত এটি চমু ব্যাখ্যা আগবঢ়াওক।

২ নং প্ৰশ্ন ঃ আদাম স্মিথৰ মতে কৰ নীতিৰ ধাৰণাটোৰ স্পষ্ট ব্যাখ্যা আগবঢ়াওক।

৩ নং প্ৰশ্ন ঃ আদাম স্মিথৰ তত্ত্বত মূলধন গঠনৰ প্ৰাসংগিকতা ব্যাখ্যা কৰক।

ৰচনাধৰ্মী প্ৰশ্ন (৩০০-৫০০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

১ নং প্ৰশ্ন ঃ অৰ্থনৈতিক উন্নয়ন প্ৰক্ৰিয়াত আদাম স্মিথৰ বৰঙণি ব্যাখ্যা কৰক।

২ নং প্ৰশ্ন ঃ আদাম স্মিথে মজুৰী প্ৰতি ব্যক্তি হিচাপত, খাজনা প্ৰতি একৰ হিচাপত আৰু লাভ শতাংশ হিচাপত নিৰ্ধাৰিত হ'ব লাগে বুলি বিবেচনা কৰিছে- ব্যাখ্যা কৰক।

৩ নং প্ৰশ্ন ঃ সংস্থাপিত ভাৱধাৰাৰ লক্ষণীয় বৈশিষ্ট্যবোৰ ব্যাখ্যা কৰক।

*** ***** ***

অধ্যায় গাঁথনি

৮.১ উদ্দেশ্য

৮.২ পৰিচয়

৮.৩ মালথাছৰ সংস্থাপিত ভাৱধাৰা

৮.৪ মালথাছৰ জনসংখ্যা তত্ত্ব

৮.৫ অত্যধিক উৎপাদন তত্ত্ব

৮.৬ জনসংখ্যাৰ নব্য-মালথাছিয়ান দৃষ্টিকোণ

৮.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৮.৮ অধিক জানিবলৈ

৮.৯ অগ্রগতিৰ খতিয়ান

৮.১০ আৰ্হি প্রশ্ন

৮.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- মালথাছৰ জনসংখ্যা তত্ত্বটো বুজিব পাৰিব
- অত্যাধিক উৎপাদন তত্ত্বটো বর্ণনা কৰিব পাৰিব
- মালথাছৰ জনসংখ্যা তত্ত্বৰ ব্যৱহাৰিক গুৰুত্ব আলোচনা কৰিব পাৰিব।

৮.২ পৰিচয়

আগৰ অধ্যায়ত আমি সংস্থাপিত ভাৱধাৰাৰ বৈশিষ্ট্যসমূহ আৰু অর্থনৈতিক ভাৱধাৰাৰ ইতিহাসত আদাম স্মিথৰ বৰঙণিৰ বিষয়ে আলোচনা কৰিলো। এই অধ্যায়ত আমি থমাছ ৰবার্ট মালথাছৰ, যি আদাম স্মিথৰ আশাবাদত এগৰাকী নিৰাশাবাদী আছিল, বৰঙণিৰ বিষয়ে আলোচনা কৰিম । তেখেতে গুৰু আদাম স্মিথে প্রৱর্ত্তন কৰা "প্রকৃতিৰ অধিপতি" (Nature's Lord)ৰ জ্ঞান বা বিচাৰশক্তিবোধক সন্দেহ কৰা নাছিল যদিও তেখেতসকলৰ চাৰিওফালে সংঘটিত ঘটনাসমূহত এক গভীৰ নিৰাশাবাদক প্রশ্রয় দিছিল। ১৭৯৮ চনত প্রকাশিত তেখেতৰ বিখ্যাত গ্রন্থ 'An Essay on the Principle of Population, as it affects the Future Improvement of Society' (সমাজৰ ভৰিষ্যত উন্নতিত প্রভাৱ বিস্তাৰ কৰা জনসংখ্যা সূত্র সর্ম্পকে এটা প্রবন্ধ) ত মালথাছে কৈছিল, "মানুহে অনুভৱ কৰক যে তেওঁলোক নিজেই তেওঁলোকৰ দৰিদ্রতাৰ কাৰণ"।

মালথাছে তেখেতৰ পূর্বসুৰীসকলৰ দৰে অত্যধিক জনসংখ্যাৰ ভয়টো অসাৰ (illusory)

বুলি ভবা নাছিল। বৰঞ্চ, তেখেতৰ মতে জনসংখ্যা এক প্ৰায় অনিবাৰ্য্য বা দুঃসাধ্য (insurmountable) প্ৰতিবন্ধক যি কেৱল অদূৰ ভৱিষ্যতত বৃহৎ আকাৰ লোৱাই নহয়, এটা নেৱানেপেৰা হেঁচাও প্ৰয়োগ কৰে। এই অধ্যায়টোত মালথাছৰ জনসংখ্যা তত্ত্ব, পুঁজিবাদী অৰ্থনীতিত অত্যধিক উৎপাদনৰ সম্ভাৱনীয়তাৰ বিষয়ে তেখেতৰ মত আৰু বিংশ শতিকাত নব্য মালথাছীয় ভাবধাৰাৰ উত্থানৰ বিষয়ে আলোচনা কৰা হ'ব।

৮.৩ মালথাছৰ সংস্থাপিত ভাৱধাৰা

মানৱ সভ্যতাৰ আৰম্ভণিৰ পৰাই বিভিন্ন সময়ত বিভিন্ন পণ্ডিতে গতিশীল জনসংখ্যাৰ বিভিন্নতা সম্বন্ধে বহুলভাৱে চিন্তা-চৰ্চা কৰি আহিছে। জনসংখ্যাৰ বৃদ্ধি আৰু ইয়াৰ আকাৰ সম্বন্ধে বিভিন্ন মতবাদৰ জন্ম হৈ আহিছে। এক বৃহৎ আৰু দ্ৰুত জনসংখ্যাৰ বৃদ্ধিক কেতিয়াবা কিছুমান পণ্ডিতে সমৰ্থন কৰি আহিছে আৰু দেশৰ শক্তি আৰু সমৃদ্ধিৰ কাৰণে সমৰ্থনযোগ্য বুলি মত দিছে। কিয়নো মানৱ শক্তি উদ্যোগিক উন্নতিৰ কাৰণে শক্তিশালী কাৰক বুলি এই পণ্ডিতসকলে ধাৰণা কৰে। আনহাতে, অন্য কিছুসংখ্যক পণ্ডিতে ভাৱে আৰু দাবী কৰে যে এই বৃহৎ জনসংখ্যাৰ বৃদ্ধি দৰিদ্ৰতা আৰু অন্য কিছুমান বিনাশকাৰী ঘটনা যেনে— যুদ্ধ, দূৰ্ভিক্ষ আৰু মহামাৰীৰ বাবে প্ৰধানকৈ দায়ী। দেশ এখনৰ প্ৰগতিৰ কাৰণে সেয়েহে জনসংখ্যাৰ আকাৰ আৰু বৃদ্ধিৰ হাৰ এক গুৰুত্বপূৰ্ণ বিষয় বা কাৰক হিচাবে দেখা গৈছে। সেয়েহে, পণ্ডিতসকলৰ বা সমাজতত্ত্ববিদসকলৰ দৃষ্টিভংগীৰে জনসংখ্যাৰ গতিশীলতা (dynamics) আৰু আৰ্থ-ৰাজনৈতিক-সামাজিক পটভূমিত ইয়াৰ ক্ৰিয়া, অৰ্থাৎ, উন্নয়নৰ ক্ষেত্ৰত জনসংখ্যাৰ গতিশীলতাৰ ভূমিকা সম্বন্ধে অধ্যয়ন কৰাটো অতীৱ প্ৰয়োজন। তৎসত্ত্বেও থমাছ ৰবাৰ্ট মালথাছৰ আৰ্ৱিভাৱৰ আগেয়ে জনসংখ্যা অধ্যয়নৰ এক প্ৰণালীৱদ্ধ তাত্ত্বিক অধ্যয়ন হোৱা নাছিল।

১৭৯৮ চনত প্ৰকাশ পোৱা গ্ৰন্থ "An Essay on the Principle of Population" খন জনসাংখ্যাৰ গতিশীলতাৰ (Population dynamics) ক্ষেত্ৰত থকা বিভিন্ন তত্ত্বীয় উপস্থাপন (Theoretical orientation) ৰ বুনিয়াদী আধাৰ বুলি ক'ব পাৰি। কিতাপখনৰ লিখক থমাছ ৰবাৰ্ট মালথাছ (১৭৬৬-১৮৩৪) এজন ইংৰাজ ধৰ্মযাজক আৰু লগতে অৰ্থনীতিবিদ। মালথাছক জনসংখ্যা অধ্যয়নৰ ক্ষেত্ৰত আৰু তত্ত্বীয় উপস্থাপনৰ ক্ষেত্ৰত পথপ্ৰদৰ্শক বুলি আখ্যা দিয়া হয়। মালথাছৰ দেউতাক এজন উদাৰপন্থী ভূমি অধিকাৰী আৰু বিখ্যাত সমাজতত্ত্ববিদ ৰুচোৰ নিকট বন্ধু আছিল। দেউতাকে মালথাছৰ শিক্ষাৰ ক্ষেত্ৰত বিশেষ আগ্ৰহী আছিল। পিছত মালথাছ Î ßÁ¥ èøÑù Æ¤ åÃ Õ±ηî Â¤ ১৭৯৩ চনত 'ফেলো' নিৰ্বাচত হৈছিল আৰু ১৭৯৭ চনত এজন ধৰ্মযাজক হিচাবে তেওঁ যাৱতীয় শিক্ষা লাভ কৰে। ১৮০৫ চনত তেওঁ 'ইষ্ট ইণ্ডিয়া কোম্পানীৰ' দ্বাৰা পৰিচালিত হেইলীবাৰী কলেজত বুৰঞ্জী আৰু ৰাজনৈতিক অৰ্থনীতিৰ অধ্যাপক হিচাবে নিযুক্তি পায়।

মালথাছৰ জনসংখ্যা তত্ত্ব, অত্যধিক উৎপাদন তত্ত্ব আৰু বিংশ শতিকাৰ নব্য মালথাছীয় ভাবধাৰাৰ উত্থানৰ বিষয়ে তলত আলোচনা কৰা হ'ল।

৮.৪ মালথাছৰ জনসংখ্যা তত্ত্ব

তেখেতৰ বিখ্যাত গ্ৰন্থ ''সমাজৰ ভৱিষ্যত উন্নতিত প্ৰভাৱ বিস্তাৰ কৰা জনসংখ্যা সূত্ৰ সম্পৰ্কে এটা প্ৰৱন্ধ''ত মালথাছে মানৱ সমাজৰ উৎকৰ্ষ সম্বন্ধীয় মতভেদত নিজৰ মনোভাৱ ব্যক্ত ক�ৰিছে। গ'ডুইন (Godwin) আৰু কনড'ৰচেট (Condorcet) আদি পণ্ডিতসকলে বিশ্বাস কৰিছিল যে মানৱ জাতি সদায় নিজৰ উন্নতি সাধন কৰিবলৈ আৰু সুখ-শান্তি বৰ্ত্তাই ৰাখিবলৈ সক্ষম। মালথাছে আনহাতে ক্ৰমবৰ্ধমান জনসংখ্যাৰ হেঁচাত মানৱ সমাজত হ'ব পৰা সমস্যাসমূহৰ বিষয়ে অভিমত দাঙি ধৰিছিল। তেওঁৰ মতে এই বৰ্ধিত জনসংখ্যাই খাদ্য যোগানৰ ক্ষেত্ৰত মানৱ সমাজত বিশেষভাৱে সমস্যাৰ সৃষ্টি কৰিব। মালথাছৰ মতে খাদ্যৰ যোগানত ক্ৰমবৰ্ধমান জনসংখ্যাৰ হেঁচাই মানৱ সমাজত কল্যাণ হ্ৰাস কৰিব আৰু ইয়াৰ পৰাই পৃথিৱীত বেমেজালিৰ সৃষ্টি হ'ব। এইদৰে মালথাছৰ জনসংখ্যা তত্ত্ব তিনিটা মৌলিক নীতিৰ ওপৰত প্ৰতিষ্ঠিত—

- মানুহৰ স্থিতিৰ কাৰণে খাদ্য অত্যাৱশ্যকীয়।
- লিঙ্গসমূহৰ মাজত আসক্তি বা যৌন লিপ্সা জৰুৰী আৰু ই প্ৰতিজন ব্যক্তিৰ মাজত প্ৰৱাহিত হৈ থাকে।
- ক্ৰমহ্ৰাসমান প্ৰতিদান বিধি কৃষিৰ ক্ষেত্ৰত প্ৰযোজ্য হয়।


এই নীতিকেইটাৰ সহায়ত মালথাছে এই সিদ্ধান্তত উপনীতি হৈছিল যে, 'মানুহৰ অস্তিত্ব ৰক্ষাৰ উপায়, অৰ্থাৎ শস্য উৎপাদনৰ বাবে পথিৱীৰ উৎপাদিকা শক্তিতকৈ নিশ্চিতভাৱে জনসংখ্যাৰ বৰ্ধিত হাৰৰ শক্তি অধিক।' তেওঁ কৈছিল যে যদিহে এই ক্ৰমবৰ্ধমান জনসংখ্যাৰ হাৰ নিবা�ৰক বা প্ৰতিবন্ধকৰ দ্বাৰা ৰোধ কৰা নহয় ই মানৱ সমাজলৈ দুখ-দুৰ্দশা কঢ়িয়াই আনিব। মালথাছৰ তত্ত্ব তলত বিতংভাৱে আলোচনা কৰা হ'ল

- প্ৰতিগৰাকী স্বাভাৱিক ব্যক্তিৰ প্ৰকৃতিগতভাৱে যৌন আসক্তি থাকে আৰু ইয়েই মানুহৰ জনসংখ্যা ক্ষীপ্ৰ গতিত বৃদ্ধিত ভূমিকা গ্ৰহণ কৰে। ইয়াৰ ফলত জনসংখ্যাৰ হাৰৰ বৃদ্ধি গুণাত্মক হাৰত (geomatric rate)ত হয়। এই বৰ্দ্ধিত হাৰ বা অনুপাত (ratio) বাধাপ্ৰাপ্ত নহ'লে প্ৰতি ২৫ বছৰৰ ব্যৱধানত ই দুগুণ হ'বগৈ অৰ্থাৎ, ১ৰ পৰা আৰম্ভ কৰিলে, জনসংখ্যা পিছৰ ২৫ বছৰত হ'বগৈ ১, ১,২,৪,৮,১৬,৩২,৬৪,১২৮,২৫৬ (জ্যামিতীক অনুপাত বা গুণাত্মক অনুপাত, অৰ্থাৎ ২০০ বছৰ পিছত)
- অন্যহাতে, খাদ্যৰ উৎপাদন পাটিগণিতীয় হাৰ বা অনুপাত (Arithmetic rate or ratio)ত বৃদ্ধি পায়। ইয়াৰ কাৰণ হ'ল ক্ৰমহ্ৰাসমান বিধিৰ ক্ৰিয়া, যিহেতু ভূমিৰ যোগান সদায় স্থিৰ। ক্ৰমহ্ৰাসমান বিধিয়ে নিৰ্দেশ কৰে যে এডোখৰ স্থায়ী ভূমিত অতিৰিক্তভাৱে শ্ৰম আৰু মূলধন সংযোজন কৰিলেও, অন্ততঃ ভূমিৰ পৰা মুঠ ফচল ক্ৰমে কমি আহে। মালথাছৰ নিজৰ ভাষাত '... আনুপাতিকভাৱে কৃষিকৰ্মৰ সম্প্ৰসাৰণৰ লগে লগে বছৰি পৰিবৰ্দ্ধিত উৎপাদনৰ (আগৰ গড় উৎপাদনৰ) হাৰ নিশ্চয়কৈ ক্ৰমাগতভাৱে হ্ৰাস হৈ আহিব।' এনেকৈ ক্ৰমাগত সময়বোৰত খাদ্যৰ যোগান হ'ব— ১,২,৩,৪,৫,৬,৭,৮,৯, (পাটিগণিতীয় অনুপাত)

- যিহেতু, জনসংখ্যা গুণাত্মক বা জ্যামিতিক অনুপাতত বৃদ্ধি হয় আৰু খাদ্যৰযোগান পাটীগণিতীয় হাৰত বৃদ্ধি হয়, সেয়েহে জনসংখ্যাৰ হাৰে স্বাভাৱিকতে খাদ্যৰ উৎপাদন হাৰক চেৰ পেলাই যোৱাৰ প্ৰৱণতা থাকে। এই দৃষ্টিভংগীয়েই মালথাছৰ নিজস্ব তত্ত্বত প্ৰকাশ পায় এনেদৰে, 'সকলো প্ৰাণৱন্ত (জীৱন্ত) জীৱনতে বৃদ্ধি হোৱাৰ এক অহৰহ প্ৰচেষ্টা থাকে যদিও তাৰ বাবে যথার্থ পৰিৱেশৰ অভাৱ থাকে।' 'সেয়ে, এটা অসন্তুলতা (imbalance)ৰ সৃষ্টি হয় আৰু অৱশেষত অতিমাত্রা জনসংখ্যাৰ নিচিনা এটা পৰিৱেশৰ সৃষ্টি হয়।
- জনসংখ্যা আৰু খাদ্য-সামগ্রীৰ অসন্তুলতাৰ পৰা সৃষ্টি হোৱা অতিমাত্রা জনসংখ্যাৰ নিয়ন্ত্রণৰ বাবে মালথাছে যোগাত্মক প্ৰতিবন্ধক (Positive checks) আৰু প্ৰতিৰোধমূলক প্ৰতিবন্ধক (Preventive checks) ৰ উপদেশ দিয়ে।
  - **যোগাত্মক প্ৰতিবন্ধক** — ধ্বংসলীলা যেনে দূৰ্ভিক্ষ, ভূমিকম্প, মহামাৰী, দুখ-দুৰ্দশা, বীজাণু-ঘটিত বেমাৰ, বানপানী আদিয়ে বহু মানুহৰ প্ৰাণহানি কৰে আৰু সমাজত মৃত্যুৰ হাৰ বৃদ্ধি পায়। এই যোগাত্মক প্ৰতিবন্ধক প্ৰকৃতিয়ে নিজ হাতে লয় আৰু এইদৰে জনসংখ্যা আৰু খাদ্য যোগানৰ মাজত সন্তুলন (balance) সৃষ্টি কৰিবলৈ চেষ্টা কৰে।
  - **প্ৰতিৰোধমূলক প্ৰতিবন্ধক** —প্ৰতিৰোধমূলক প্ৰতিবন্ধক হ'ল জন্মহাৰ নিয়ন্ত্রণ কৰিবলৈ মানৱসৃষ্ট কার্য্য। নৈতিক অৱদমন আৰু বিভিন্ন জন্ম নিয়ন্ত্রণৰ উপায় যেনে— বিবাহৰ বয়স বৃদ্ধি, ব্রহ্মচর্য্য বা অবিবাহিত ব্রত আদি হ'ল মালথাছে উল্লেখ কৰা কিছুমান প্ৰতিৰোধমূলক প্রচেষ্টা। অৱশ্যে তেওঁ কৃত্রিম জন্মনিয়ন্ত্রণ ব্যৱস্থাক সমর্থন কৰা নাছিল, কিয়নো ই তেওঁৰ ধর্মীয় বিশ্বাসৰ পৰিপন্থী আছিল। সেয়েহে এই কৃত্রিম জন্ম নিয়ন্ত্রণ ব্যৱস্থাক তেওঁ 'বৈবাহিক ছলনা বা প্ৰৱঞ্চনা' (Conjugal fraud) বুলি আখ্যা দিছে।

    মালথাছৰ মতে, সভ্য সমাজত প্ৰতিৰোধমূলক নীতিসমূহ সদায় পালন কৰা হয়। তেওঁ লিখিছিল, তুলনামূলকভাৱে মানৱ সমাজ যিহেতু পশুত্বৰ উর্ধত, সেয়েহে অভাৱৰ ভয়ত এইটো বিচৰাৰ সলনি জনসংখ্যা প্ৰতিৰোধ কৰিব।

    মালথাছৰ জনসংখ্যাৰ তত্ত্ব আৰু ইতিমধ্যে আমি আলোচনা কৰা তথ্যসমূহ তলত তালিকাৰ পৰা সহজে বুজিব পাৰিম।



মালথাছিয়ান তত্ত্বৰ সমালোচনাত্মক বিশ্লেষণঃ

মালথাছৰ জনসংখ্যাৰ তত্ত্ব বিভিন্ন সময়ত বিভিন্ন পণ্ডিতে আলোচনা কৰিছে আৰু পৰীক্ষামূলক দৃষ্টিভংগীৰে নিৰীক্ষণ কৰিছে। জনসংখ্যা বৃদ্ধিৰ ক্ষেত্রত মালথাছৰ নিৰশাবাদী দৃষ্টিভংগীৰ বাবে তেওঁ কঠোৰভাৱে সমালোচিত হৈছে। ব্রিগ্‌ছ আৰু ড'র্ডানৰ মতে, মালথাছে বিষয়বস্তু এগৰাকী ইতিহাসবিদৰ দৃষ্টিৰে নহয় বৰং ধর্মপুৰুষ বা ভৱিষ্যৎ দ্রষ্টাৰ দৃষ্টিৰেহে বিচাৰ কৰিছে আৰু এগৰাকী পৰিসংখ্যাবিদৰ সলনি এজন অর্থনীতিদিৰ দৃষ্টিৰেহে চাইছে। তেওঁৰ জনসংখ্যাৰ সূত্রৰ কিছুমান সমালোচনা তলত আলোচনা কৰা হ'ল-

- উন্নত দেশসমূহত মালথাছৰ তত্ত্বৰ সত্যতা বিচাৰ কৰাটো কঠিন হ'ব। উন্নত বা প্রগতিশীল দেশসমূহত উন্নত প্রযুক্তি আৰু আধুনিক বিজ্ঞানৰ সহায়ত খাদ্যৰ উৎপাদন উচ্চহাৰত বৃদ্ধি হৈ আহিছে আৰু সেয়েহে মালথাছে তেওঁৰ সূত্রত কোৱাৰ দৰে ক্রমবর্ধমান জনসংখ্যাই খাদ্যৰ যোগান হাৰৰ বৃদ্ধিক চেৰ পেলাব নোৱাৰিব।
- মালথাছৰ তত্ত্ব ক্রমহ্রাসমান উৎপাদন বিধিৰ ওপৰত আধাৰিত। এই বিধি অনুসৰি একেখণ্ড ভূমিত অতিৰিক্তভাৱে মূলধন আৰু শ্রমৰ বিনিয়োগ কৰিলেও, ভূমিৰ মুঠ উৎপাদন ক্রমে হ্রাস পাই আহিব। মালথাছে এই ক্ষেত্রত বিজ্ঞানসন্মত উন্নত কৃষি পদ্ধতিক অগ্রাহ্য কৰিছিল আৰু এইবোৰক কৃষিত ব্যৱহাৰৰ ফলত নিম্নমুখী উৎপাদনৰ সলনি ক্রমবর্ধমান উৎপাদন বিধিহে প্রযোজ্য হ'ব।
- সাক্ষৰতাৰ প্রসাৰ, সংস্কৃতিৰ উন্নয়ন আৰু প্রসাৰণ আদিয়ে এখন দেশৰ জনসংখ্যাৰ হাৰৰ ওপৰতো নিয়ন্ত্রণ ৰাখে। দেশ এখনত নিৰক্ষৰতাৰ হাৰ আৰু যথার্থ শিক্ষাৰ অভাৰ

অত্যধিক জনসংখ্যাৰ বাবে প্ৰধানকৈ দায়ী। কিন্তু, মালথাছে জনসংখ্যা নিয়ন্ত্ৰণ ব্যৱস্থাত এই কাৰক (নিৰক্ষৰতা, শিক্ষাৰ অভাৱ) সমূহক অগ্ৰাহ্য কৰিছে।

- মালথাছে জনসংখ্যা নিয়ন্ত্ৰণৰ ক্ষেত্ৰত কিছুমান অ-প্ৰাকৃতিক মাধ্যম আৰু ব্যৱস্থাৰ উপদেশ দিছে। এই ব্যৱস্থাসমূহ পালন কৰিবলৈ হ'লে ইয়াৰ দ্বাৰা মানুহৰ স্বাভাৱিক প্ৰবৃত্তি কিছুমানক অ-প্ৰাকৃতিকভাৱে ৰুদ্ধ কৰিবলৈ বাধ্য কৰোৱা হ'ব।
- মালথাছে মত পোষণ কৰিছিল যে জনসংখ্যাৰ যিকোনো অতিৰিক্ত সংযোজন গ্ৰহণযোগ্য নহয়। কিন্তু, যিহেতু মানুহ শ্ৰমৰ এক উৎসও সেয়েহে, কেতিয়াবা অধিক সংখ্যক মানুহে অধিক সম্পদ, ক্ষমতা আৰু শক্তি বুজায়। মালথাছে তেওঁৰ তত্ত্বত এইকেইটা তথ্যৰ প্ৰতি কোনো গুৰুত্ব দিয়া নাই।
- মালথাছৰ জনসাংখ্যিক তত্ত্ব মাথো জনসংখ্যা আৰু খাদ্য যোগানৰ সম্বন্ধৰ ওপৰত আধা�ৰিত। কিন্তু এইক্ষেত্ৰত পণ্ডিতগৰাকীয়ে মন কৰা নাছিল যে জনসংখ্যা মাথো খাদ্য যোগানৰ ওপৰতেই নিৰ্ভৰশীল নহয়। দেশ এখন সম্পদৰ ক্ষেত্ৰত চহকী হ'লে আৰু যথেষ্ট খাদ্য উৎপাদন নকৰিলেও দেশখনে জনসাধাৰণক নিজৰ সম্পদ বা অৰ্থৰ বিনিময়ত অন্যদেশৰ পৰা প্ৰয়োজনীয় খাদ্য আমদানি কৰিব পাৰিব। সেয়েহে এই তথ্যৰ দ্বাৰা মালথাছৰ মূল তত্ত্বৰ ধাৰণাক নাকচ কৰিব বিচৰা হৈছে।
- মালথাছ প্ৰধানকৈ এগৰাকী ধৰ্মসম্বন্ধীয় ব্যক্তি আৰু তেওঁ জনসংখ্যা নিয়ন্ত্ৰণৰ কাৰণে নৈতিক সংযমৰ ওপৰত গুৰুত্ব দিছে। এই নৈতিক সংযম প্ৰধানকৈ আধ্যাত্মিকতাবাদৰ ওপৰত প্ৰতিষ্ঠিত আৰু ইয়াত বিজ্ঞানসম্মত চিন্তাধাৰাৰ প্ৰয়োগৰ অভাৱ। তেওঁ এইক্ষেত্ৰত কল্পনা কৰিব পৰা নাছিল যে মানৱ সমাজে বিভিন্ন গৰ্ভ নিৰোধক (contraceptive) আৰু অন্যান্য কৃত্ৰিম পৰিয়াল-পৰিকল্পনা আহিলা উদ্ভাৱন কৰিছে আৰু ইয়াৰ দ্বাৰা জনসংখ্যা ৰোধত বৃহৎ সহায় হৈছে। কেৱল মানসিক বা নৈতিক সংযমে জনসংখ্যা ৰোধ কৰিব নোৱাৰে।

৮.৫ অত্যধিক উৎপাদন তত্ত্ব

সংস্থাপিত অৰ্থনীতিত সকলোক্ষেত্ৰতে সামঞ্জস্যতা বা পৰস্পৰৰ ঐক্যতা আছিল। যোগান আৰু চাহিদাৰ পাৰস্পৰিক ক্ৰিয়াৰ ফলস্বৰূপে বজাৰ ব্যৱস্থাই স্বয়ংক্ৰিয়ভাৱে কাৰ্য্য কৰিছিল। অত্যধিক উৎপাদন বা নিয়োগহীনতাৰ কোনো অৱকাশ নাছিল। যোগানে সদায় নিজৰ চাহিদাৰ সৃষ্টি কৰে। কিন্তু চে (Say)ৰ বিধিয়ে মালথাছক পতিয়ন নিয়াব পৰা নাছিল। তেখেতে পূৰ্ণ নিয়োগ অৰ্থনৈতিক ব্যৱস্থাৰ সাধাৰণ নিয়ম বুলি আন অৰ্থনীতিবিদসকলৰ দৰে মানি লোৱা নাছিল। ইয়াৰ বিপৰীতে, মালথাছে অত্যধিক উৎপাদনৰ পৰা হ'ব পৰা বিপদক অস্বীকাৰ কৰিব নোৱাৰিছিল। এইদৰে, তেখেতে সংস্থাপিত পৰম্পৰাক ভংগ কৰিছিল আৰু স্বল্প উপভোগক ব্যৱসায়িক মন্দাৱস্থাৰ কাৰণ বুলি স্বীকৃতি দিছিল। ফলপ্ৰসূ বা কাৰ্য্যকৰী চাহিদাৰ অবিহনে (অৰ্থাৎ চাহিদাৰ ঘাটি হ'লে) অত্যধিক উৎপাদন বা নিয়োগহীনতাৰ সৃষ্টি হয়। ফলপ্ৰসূ চাহিদাত ঘাটি

হোৱাতো স্বল্প উপভোগৰ সৈতে জড়িত। মালথাছীয় ধাৰণামতে প্ৰত্যেক উৎপাদন শ্ৰমৰ উৎপাদন সেৱাৰ সৈতে বিনিময় হয়। উৎপাদনশীল শ্ৰমে উৎপাদন কৰা দ্ৰব্যবোৰে আৰু অধিক শ্ৰমৰ নিৰ্দেশ কৰে, কিন্তু এই শ্ৰম দ্ৰব্যবোৰক উৎপাদন কৰিবলৈ প্ৰয়োজন হোৱা শ্ৰমৰ পৰিমাণতকৈ বেছি। শ্ৰমিকসকলে যিমান উৎপাদন কৰে প্ৰতিদান হিচাপে তাতকৈ কম পায় আৰু তেওঁলোকে বজাৰত বহুত বস্তু ক্ৰয় কৰাৰ বা উপভোগ কৰাৰ পৰা (মজুৰী কম বাবে) বিৰত থাকিবলগীয়া হয়। এইদৰে, বিক্ৰী নোহোৱা দ্ৰব্যৰ মজুতখিনি বজাৰত স্তূপীকৃত হয়। ফলস্বৰূপে, ফলপ্ৰসূ চাহিদাত ঘাটিৰ উদ্ভৱ হয় আৰু অৱশেষত অৰ্থনৈতিক ব্যৱস্থাত এটা অত্যধিক উৎপাদন অৱস্থাৰ সৃষ্টি কৰে।

এইদৰে ইংৰাজী সংস্থাপিত ভাৱধাৰাৰ লেখক মালথাছে অত্যধিক উৎপাদন বা সাধাৰণ নিয়োগহীনতা হোৱাতো সম্ভৱ বুলি স্বীকৃতি দি সংস্থাপিত পৰম্পৰাক ভংগ কৰিছিল। সঞ্চয় অথবা সংগ্ৰহক বিকাশৰ প্ৰয়োজনীয় উপাদান বুলি গণ্য কৰি ৰিকাৰ্ডো আৰু মিলে মালথাছৰ স্বল্প উপভোগৰ ধাৰণাক অস্বীকাৰ কৰিছিল। তেখেতসকলৰ বাবে সঞ্চয় উৎপাদনশীল বিনিয়োগলৈ পৰিৱৰ্ত্তিত হয়। ইয়াৰ বিপৰীত ধৰণে বিশ্লেষণ কৰি মালথাছে এইটো দেখুৱাবলৈ চেষ্টা কৰিছে যে বৰ্দ্ধিত বিনিয়োগৰ দ্বাৰা যিবিলাক অতিৰিক্ত দ্ৰব্য উৎপাদন কৰিব পাৰি, সেই অতিৰিক্ত দ্ৰব্যবিলাকৰ প্ৰতি কেৱলমাত্ৰ সঞ্চয়ে বৃহৎ চাহিদা নিশ্চিত নকৰে। মালথাছৰ মতে, সঞ্চয়ে এটা অৰ্থনীতিক অত্যধিক উৎপাদনৰ দিশে লৈ যোৱাৰ সামৰ্থ আছে। সঞ্চয়ে উপভোক্তাৰ দ্ৰব্যৰ প্ৰতি থকা চাহিদাক সংকুচিত কৰাৰ উপৰিও আৰু অধিক দ্ৰব্য উৎপাদন কৰিব পাৰে যদি এই সঞ্চয়ক বিনিয়োগ কৰা হয়, যিটোৱে অত্যধিক উৎপাদনক গতি প্ৰদান কৰে।

অত্যধিক উৎপাদনৰ সমস্যাৰ পৰা হাত সাৰিবলৈ এটা অৰ্থনীতিয়ে ব্যৱসায়-বাণিজ্যক উৎসাহিত কৰি আৰু অন্যান্য অৰ্থনৈতিক কাৰ্য্যক উৎসাহ দি ফলপ্ৰসূ চাহিদা বৃদ্ধি কৰিব লাগে বুলি মালথাছে পৰামৰ্শ দিছিল। তদুপৰি, বিভিন্ন শ্ৰেণীৰ মানুহৰ উপভোগ ব্যয় বৃদ্ধি কৰাত উৎসাহিত কৰিবলৈ প্ৰচেষ্টা লোৱা উচিত যাতে ফলপ্ৰসূ চাহিদা এক যুক্তিসংগত স্তৰত নিৰূপিত হৈ থাকে। নিয়োগহীনতাৰ সমস্যা সমাধানৰ বাবে মালথাছে অনুৎপাদক উপভোগৰ সপক্ষেও পৰামৰ্শ দিছিল। এই কাৰণে কেইন্‌ছে মালথাছক পূৰ্ণনিয়োগৰ আধুনিক তত্ত্বৰ পূৰ্বপুৰুষ বুলি গণ্য কৰিছিল। এইখিনিতে উল্লেখনীয় যে মালথাছৰ অত্যধিক উৎপাদন তত্ত্ব বা সংকট তত্ত্ব চক্ৰীয় উত্থান-পতনৰ তত্ত্ব নহয়। বৰঞ্চ, আমি মালথাছৰ অত্যধিক উৎপাদন তত্ত্বক সাধাৰণ বিশ্বাস আৰু চে'ৰ বজাৰ বিধিৰ প্ৰতিক্ৰিয়া বুলিব পাৰো য'ত কোৱা হৈছিল যে অত্যধিক উৎপাদন অসম্ভৱ। তেখেতৰ তত্ত্বৰ জৰিয়তে মালথাছে এইটো প্ৰতিষ্ঠা কৰিবলৈ চেষ্টা কৰিছিল যে ফলপ্ৰসূ চাহিদাৰ অভাৱে অত্যধিক উৎপাদনৰ প্ৰতি এটা প্ৰৱণতাৰ সৃষ্টি কৰে আৰু অৱশেষত এটা অৰ্থনীতিক মন্দাৱস্থাৰ দিশে লৈ যায়।

৮.৬ জনসংখ্যাৰ নব্য-মালথাছিয়ান দৃষ্টিকোণ

মালথাছৰ জনসংখ্যাৰ বিভিন্ন সমালোচনা আৰু ইয়াৰ সীমাৱদ্ধতাই জনসংখ্যা বৃদ্ধিৰ ক্ষেত্ৰত নতুন ধাৰণাৰ সমাৱেশেৰে এক নতুন তত্ত্বৰ আৱন্তণি ঘটায়। মালথাছৰ তত্ত্বৰ প্ৰতিক্ৰিয়া হিচাবে এই তত্ত্বসমূহক নব্য-মালথাছিয়ান (Neo-Multhusion) বুলি আখ্যা দিয়া হৈছে। জনসংখ্যা অধ্যয়নৰ বাবে আগবঢ়োৱা নব্য-মালথাছিয়ান তত্ত্বৰ ঘাইকৈ ১৮২০ চন মানৰ পৰা প্ৰথম প্ৰকাশ ঘটে আৰু দ্বিতীয় মহাযুদ্ধৰ সময়লৈ ই বৰ্তি থাকে। মালথাছিয়ান আৰু নব্য-মালথাছিয়ান তত্ত্বসমূহৰ মাজত মূল ব্যৱধান হ'ল যে, মালথাছে নিজৰ তত্ত্বত প্ৰধানকৈ আত্ম-সংযম আৰু ব্ৰহ্মচৰ্য্যৰ ওপৰতেই জনসংখ্যা নিয়ন্ত্ৰণৰ বাবে গুৰুত্ব আৱোপ কৰিছে। আনহাতে, নব্য মালথাছিয়ান তত্ত্বই কৃত্ৰিম জন্ম-নিয়ন্ত্ৰণৰ ব্যৱস্থাৰ ওপৰত গুৰুত্ব আৱোপ কৰিছে।

আমেৰিকাৰ মিচেচ মাৰ্গাৱেট চেংগাৰ আৰু ইংণ্ডেৰ মিচেচ মেৰী ষ্ট'পচ্, এই দুগৰাকী সমাজ-বিজ্ঞানীক নব্য-মালথাছিয়ান তত্ত্বৰ মূল প্ৰবক্তা বুলিব পাৰি। নব্য-মালথাছিয়ান তত্ত্বৰ সমৰ্থকসকলৰ মতে, জনসংখ্যাৰ বৃদ্ধিৰ হাৰ কৃত্ৰিম জন্ম নিয়ন্ত্ৰণ ব্যৱস্থাৰ ব্যৱহাৰত নিম্নমুখী হয়। তেওঁলোকে লগতে মালথাছিয়ান দৃষ্টিভংগী সমৰ্থন কৰি কয় যে, দূৰ্ভিক্ষ, মহামাৰী, খৰাং আদি অত্যধিক জনসংখ্যাৰ ফল। মালথাছৰ দৃষ্টিভংগীৰ বিপৰীতে, তেওঁলোকে যৌন আসক্তি আৰু সন্তান লাভৰ ইচ্ছাৰ মাজত পাৰ্থক্য লক্ষ্য কৰিছিল। নব্য-মালথাছিয়ান তাত্ত্বিকসকলে যৌন আসক্তিক প্ৰাকৃতিক জ্ঞান কৰিছিল। কিন্তু, সন্তান লাভৰ ইচ্ছা সমাজ, ধৰ্ম আৰু সাংস্কৃতিক কাৰকৰ ওপৰত, বিভিন্ন সময় আৰু পৰিৱেশ অনুকূলে নিৰ্ভৰ কৰে বুলি ব্যাখ্যা কৰে।

আকৌ, নব্য-মালথাছিয়ানসকলে আত্ম-সংযমৰ ধাৰণাক সমৰ্থন নকৰে, যিটো মালথাছে তেওঁৰ তত্ত্বত জনসংখ্যা বৃদ্ধিৰ প্ৰতিৰোধক হিচাবে আগবঢ়াইছিল। নব্য-মালথাছিয়ানসকলে কয় যে যৌন-লিপ্সা মানৱজাতিৰ প্ৰাকৃতিক অনুভূতি। ইয়াক দমন কৰা অপ্ৰাকৃতিক, কিয়নো ই ব্যক্তিৰ শাৰীৰিক আৰু মানসিক অবস্থাত কু-প্ৰভাৱ পেলায় আৰু ইয়েই সমাজত অৱশেষত বেমেজালিৰ সৃষ্টি কৰে। সেয়েহে এই চিন্তাবিদসকল বিভিন্ন জন্ম নিৰোধক ব্যৱস্থা গ্ৰহণ কৰাৰ বাবে মত প্ৰদৰ্শন কৰে, যিহেতু এইবোৰৰ ব্যৱহাৰে যৌন ইচ্ছা পূৰণত সহায় কৰে আৰু একে সময়তে জন্ম নিয়ন্ত্ৰণতও সহায় কৰে। খাদ্যৰ যোগানৰ বিষয়ে সচেতনতা প্ৰকাশ কৰি নব্য-মালথাছিয়ানসকলে বিশ্বাস কৰে যে, খাদ্যৰ যোগান আধুনিক, বিজ্ঞানসন্মত উৎপাদন প্ৰণালীৰ সহায়ত বৃদ্ধি কৰিব পাৰি, যিটোৰ উদাহৰণ হ'ল উন্নত দেশসমূহৰ যেনে,— ইউৰোপৰ দেশসমূহ আৰু আমেৰিকা যুক্তৰাষ্ট্ৰৰ খাদ্য উৎপাদন। সেয়েহে জন্ম নিয়ন্ত্ৰণ ব্যৱস্থা গ্ৰহণ কৰি জনসংখ্যাৰ বৃদ্ধিৰ হাৰ প্ৰতিৰোধ কৰিব পাৰি আৰু ইয়াৰ দ্বাৰা জনসংখ্যা আৰু খাদ্য যোগানৰ অসন্তুলতা বা অসমতা বোধ কৰিব পাৰি।

সেয়েহে, নব্য-মালথাছিয়ান তত্ত্বক মালথাছিয়ান সূত্ৰৰ দুৰ্বলতাসমূহৰ প্ৰতিবিধানৰ প্ৰচেষ্টা বুলিব পাৰি।

সামৰণিঃ যদিও মালথাছৰ জনসংখ্যা তত্ত্ব বিভিন্ন ক্ষেত্ৰত গভীৰভাৱে সমালোচিত হৈছে আমি এই কথা অগ্ৰাহ্য কৰিব নোৱাৰো যে, এই তত্ত্বৰ প্ৰাসংগিকতা সময়ত আকৌ পুনঃ উজ্জীৱিত হ'ব। জনসংখ্যাৰ বৃদ্ধিৰ ইতিহাস অধ্যয়ণত মালথাছৰ বৰঙণি অগ্ৰাহ্য কৰিব নোৱাৰি। মালথাছক প্ৰথম চিন্তাবিদ বুলি আখ্যা দিব পাৰি যিয়ে বিশদভাৱে আৰু পদ্ধতিগতভাৱে এক বিবেচনাধৰ্মী তত্ত্ব সমাজ বিজ্ঞান আৰু জনসংখ্যা অধ্যয়ণত প্ৰয়োগ কৰিছিল। তেওঁৰ জনসংখ্যা তত্ত্বই সমালোচক আৰু সমৰ্থক উভয় শ্ৰেণীকেই জনসংখ্যাৰ বিভিন্ন স্তৰ বা ধাৰা (trend)ৰ অধ্যয়নৰ কাৰণে তথ্য সংগ্ৰহৰ প্ৰয়োজনীয়তা সম্পৰ্কে উপলব্ধি কৰাত অৰিহণা যোগাইছিল। তেনেদৰে জনসংখ্যাৰ আকাৰ আৰু বৃদ্ধিৰ সম্বন্ধৰ বিষয়টোৱে যিকোনো অধ্যয়নতে আৰু আৰ্থ-সামাজিক পৰিৱেশ অধ্যয়ণত তথ্য সংগ্ৰহৰ গুৰুত্ব বুজায়। মালথাছৰ সূত্ৰসম্বন্ধে চাৰ্লচ এমিলে মন্তব্য আগবঢ়ায়, 'মালথাছৰ লিখনি সময়োচিতভাৱে আগবঢ়োৱা এক উৎকৃষ্ট লিখনি, যদিও ই কোনো নিৰ্ভৰযোগ্য বুনিয়াদী আধাৰ হিচাবে দাবী কৰিব নোৱাৰে, তথাপি তেওঁৰ তত্ত্বসমূহৰ উপস্থাপন বিধিলৈ লক্ষ কৰিলে দেখা যায় এই সমূহৰ কৃতকাৰ্য্যতাৰ মূল হেতু হ'ল পৰিপূৰ্ণতা আৰু স্বচ্ছতা আৰু নিশ্চয়কৈ পূৰ্বৰ অৰ্থনীতিবিদসকলৰ তুলনাত অধিক সক্ৰিয়। য'ত জনসংখ্যাৰ জীৱন-নিৰ্বাহৰ মূল আধাৰৰ ওপৰত নিৰ্ভৰশীল আৰু জনসংখ্যাৰ বৃদ্ধিত দুখ-দুৰ্দশা আৰু মহামাৰী আৰু নৈতিক অৱৰুদ্ধকৰণ, অবিবাহিত জীৱন আদিৰ দ্বাৰা নিয়ন্ত্ৰণৰ কথা চিন্তা কৰা হৈছে।'



অগ্ৰগতি নিৰীক্ষণ

১ নং প্ৰশ্ন ঃ 'Essay on the Principle of Population' নামৰ গ্ৰন্থখনৰ লিখক কোন?

.....

২ নং প্ৰশ্ন ঃ মালথাছৰ জনসংখ্যা তত্ত্বৰ মূল তিনিটা মৌলিক নীতি কি কি? (৪০ টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

.....

.....

.....

.....

৩ নং প্ৰশ্ন ঃ মালথাছৰ যোগাত্মক প্ৰতিবন্ধক আৰু প্ৰতিৰোধমূলক প্ৰতিবন্ধক বুলিলে কি বুজা যায়? (৭০ টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

.....

.....

.....

.....

.....

৪ নং প্ৰশ্ন ঃ নব্য-মালথাছিয়ান তত্ত্ব প্ৰধান প্ৰবক্তা দুগৰাকী কোন কোন?

.....



৮.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- অতীজতে, বিভিন্ন সমাজতত্ত্ববিদে জনসংখ্যাৰ বাঞ্ছনীয় আকাৰ সম্বন্ধে চিন্তা-চৰ্চা কৰিছিল। থমাছ ৰবাৰ্ট মালথাছৰ জনসংখ্যা তত্ত্ব প্ৰকাশৰ পিছত ১৮শতিকাত জনসংখ্যা সম্বন্ধে প্ৰকৃত তাত্ত্বিক বিশ্লেষণৰ প্ৰকাশ ঘটিছিল।
- 'Essay on the Principle of Population' গ্ৰন্থৰ জৰিয়তে মালথাছে মানৱজাতিৰ সম্পূৰ্ণতা (perfectability)ৰ বিষয়ে নিজস্ব মতামত আগবঢ়ায়। গ'ডুইন আৰু কনড'ৰচেট আদি সমাজবিজ্ঞানীসকলে বিশ্বাস কৰিছিল যে মানৱ সমাজত সদায় কল্যাণ আৰু সন্তুষ্টি অটুট থাকিব। মালথাছে আনহাতে ক্ৰমবৰ্ধমান জনসংখ্যাৰ ফলত খাদ্যৰ যোগানৰ ওপৰত হ'ব পৰা সমস্যাৰ বিষয়ে আঙুলিয়াই মানৱ সমাজত ইয়াৰ অভাৱ শুভ নহয় বুলি কৈছে। মালথাছৰ মতে, ক্ৰমবৰ্ধমান জনসংখ্যা বৃদ্ধিৰ হেঁচা খাদ্যৰ যোগানৰ ওপৰত পৰি মানৱ সমাজৰ উৎকৰ্ষ ব্যাহত কৰিব আৰু ইয়াৰ পৰাই বিশ্বত দুখ-দুৰ্দশাৰ সৃষ্টি হ'ব।
- মালথাছৰ মতে, মানুহৰ প্ৰকৃতিগতভাৱে থকা যৌন লিপ্সাই জনসংখ্যাৰ দ্ৰুতগতিত সংখ্যা বৃদ্ধি কৰে। তাৰ ফলত মানুহৰ জনসংখ্যা জ্যামিতিক অনুপাতত বা গুণাত্মক অনুপাতত বৃদ্ধি হয়।
- আনহাতে, খাদ্যৰ উৎপাদন মন্থৰ পাটিগণিতীয় অনুপাতত বৃদ্ধি হয়। কাৰণ ইয়াত ক্ৰমহ্ৰাসমান উৎপাদন বিধিয়ে ক্ৰিয়া কৰে। কিয়নো ভূমিৰ যোগান সদায় স্থিৰ।
- জনসংখ্যা আৰু খাদ্য উৎপাদনৰ মাজত থকা অসন্তুলতা হ্ৰাস কৰাৰ কাৰণে মালথাছে জনসংখ্যা নিয়ন্ত্ৰণৰ পোষকতা কৰিছে। এই ক্ষেত্ৰত তেওঁ যোগাত্মক প্ৰতিবন্ধক (positive check) আৰু প্ৰতিৰোধমূলক ব্যৱস্থাৰ (Preventive check) পৰামৰ্শ দিয়ে।
- ধ্বংসলীলা যেনে— দুৰ্ভিক্ষ, ভূমিকম্প, মহামাৰী, দুখ-দূৰ্দশা, বীজাণু ঘটিত ৰোগ, বানপানী আদিয়ে বহু লোকৰ প্ৰাণহানি কৰে আৰু সমাজত মৃত্যুৰ হাৰ বৃদ্ধি পায়। এইবোৰ হ'ল যোগাত্মক প্ৰতিবন্ধক, যিটো প্ৰকৃতিয়ে নিজে ব্যৱস্থা লয় আৰু ইয়াৰ দ্বাৰা জনসংখ্যা আৰু খাদ্যৰ যোগানৰ মাজত সন্তুলন ৰক্ষাৰ চেষ্টা কৰে।

  আনহাতে প্ৰতিৰোধমূলক ব্যৱস্থাসমূহ হ'ল মানৱ সৃষ্ট আৰু ইয়াৰ দ্বাৰা জন্মহাৰ নিয়ন্ত্ৰণ কৰা হয়। নৈতিক সংযম আৰু অন্য জন্ম নিয়ন্ত্ৰণ ব্যৱস্থা যেনে,— বিবাহৰ বয়স বৃদ্ধি, অবিবাহিত জীৱন আদি কিছুমান প্ৰতিৰোধমূলক নীতি মালথাছে উল্লেখ কৰিছে।
- মালথাছৰ তত্ত্বত প্ৰকাশ পোৱা বিভিন্ন দুৰ্বলতা আৰু এইবোৰৰ সমালোচনাই জনসংখ্যাৰ গতিশীলতা (dynamics) সম্বন্ধে নতুন তত্ত্বৰ জন্ম দিয়ে। মালথাছৰ জনসংখ্যা তত্ত্বৰ

প্রতিক্রিয়া স্বৰূপে নব্য-মালথাছিয়ান তত্ত্বৰ প্রকাশ ঘটে আৰু জনসংখ্যা সম্বন্ধীয় বিতর্কত নিজৰ অভিমতৰ গুৰুত্ব প্রদর্শন কৰে।

- মালথাছিয়ান আৰু নব্য-মালথাছিয়ান তত্ত্বৰ মূল পার্থক্য হ'ল— মালথাছে প্রধানকৈ অবিবাহিত জীৱন আৰু আত্ম-সংযমৰ ওপৰত জনসংখ্যা বৃদ্ধিৰ নিবাৰণৰ উপায় বুলি গুৰুত্ব ব্যক্ত কৰে। আনহাতে, নব্য মালথাছিয়ান পণ্ডিতসকলে কৃত্রিম জনসংখ্যাৰ ৰোধৰ উপায়ৰ ওপৰত গুৰুত্ব আৰোপ কৰে।
- মালথাছেপূর্ণ নিয়োগ অর্থনৈতিক ব্যৱস্থাক সাধাৰণ নিয়ম বুলি আন আন অর্থনীতিবিদসকলৰ দৰে মানি লোৱা নাছিল। ইয়াৰ বিপৰীতে, তেওঁ অত্যধিক উৎপাদনৰ পৰা হ'ব পৰা বিপদক অস্বীকাৰ কৰিব পৰা নাছিল।
- মালথাছৰ মতে, ফলপ্রসূ চাহিদাৰ অভাৱেই এটা অর্থনৈতিক ব্যৱস্থাত সৃষ্টি হোৱা অত্যধিক উৎপাদন অৱস্থা বা সংকটৰ মূল কাৰণ, যি অর্থনীতিক মন্দাৱস্থাৰ দিশে লৈ যাব পাৰে ।

৮.৮ অধিক জানিবলৈ

1) Bhende A. A. and Kanitkar, T.(1978). *Principles of Population Studies.* New Delhi: Himalaya Publication House.
2) Haney, L.H. (1977). *History of Economic Thought.* Delhi :Surjeet Publications.
3) Lokanathan, S. (1979). *A History of Economic Thought.* Delhi :S.Chand Publications.
4) Meier, G. and Baldwin, R. (1973). *Development: Theory, History,Policy.* Bombay: Asia Publishing House.
5) Paul, R.R. (1999). *History of Economic Thought.* New Delhi :Kalyani Publication.

৮.৯ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্ন উত্তৰ ঃ Essay on the Principle of Population গ্রন্থখনৰ লিখক থমাছ ৰবাৰ্ট মালথাছ।

২ নং প্রশ্ন উত্তৰ ঃ মালথাছৰ জনসংখ্যাৰ তত্ত্ব তলত উল্লেখ কৰা মূল তিনিটা নীতিৰ ওপৰত প্রতিষ্ঠিত—

- খাদ্য মানুহৰ স্থিতিৰ কাৰণে অত্যাৱশ্যকীয়।
- বিপৰীত লিঙ্গৰ মাজত আসক্তি বা যৌন লিপ্সা থাকে।
- ক্রমহ্রাসমান উৎপাদন নীতি বা প্রতিদান বিধি কৃষিৰ ক্ষেত্রত প্রযোজ্য হয়।

৩ নং প্ৰশ্ন উত্তৰ ঃ খাদ্যৰ উৎপাদন আৰু জনসংখ্যাৰ মাজত অসন্তুলতাৰ কাৰণ হ'ল অতিমাত্ৰা জনসংখ্যা। মালথাছে এই হাৰ নিয়ন্ত্ৰণ কৰিবলৈ যোগাত্মক প্ৰতিবন্ধক আৰু প্ৰতিৰোধমূলক প্ৰতিবন্ধকৰ পোষকতা কৰিছিল।

- যোগাত্মক প্ৰতিবন্ধকঃ ধ্বংসলীলা যেনে,— দূৰ্ভিক্ষ, ভূমিকম্প, বানপানী আদিত বহুলোকৰ মৃত্যু ঘটে আৰু সমাজত মৃত্যুৰ হাৰ বৃদ্ধি পায়। এই যোগাত্মক প্ৰতিবন্ধকসমূহেৰে প্ৰকৃতিয়ে জনসংখ্যা আৰু খাদ্য উৎপাদনৰ মাজত সন্তুলন ৰক্ষাত চেষ্টা কৰে।
- প্ৰতিৰোধমূলক প্ৰতিবন্ধকঃ প্ৰতিৰোধমূলক প্ৰতিবন্ধকসমূহ মানৱসৃষ্ট ব্যৱস্থা যাৰ দ্বাৰা জন্মৰ হাৰ নিয়ন্ত্ৰণ কৰা হয়। নৈতিক সংযম আৰু কিছুমান জন্ম নিয়ন্ত্ৰণ ব্যৱস্থা যেনে,— বিবাহৰ বয়স বৃদ্ধি, অবিবাহিত জীৱন আদি হ'ল কিছুমান প্ৰতিৰোধমূলক নীতি। কিন্তু তেওঁ সকলো কৃত্ৰিম জন্ম-নিয়ন্ত্ৰণ ব্যৱস্থাক বিৰোধ কৰিছিল, যিহেতু ই তেওঁৰ প্ৰৱল ধৰ্মীয় বিশ্বাসৰ পৰিপন্থী আছিল।

৪ নং প্ৰশ্ন উত্তৰ ঃ মিচেচ মাৰ্গাৰেট চেংগাৰ, আমেৰিকা আৰু মিচেচ মেৰী ষ্ট'প্চ, ইংলেণ্ড, এই দুগৰাকী সমাজতত্ত্ববিদক নব্য-মালথাছিয়ান তত্ত্বৰ মূল প্ৰবক্তা আখ্যা দিব পাৰি।

৮.১০ আৰ্হি প্ৰশ্ন

চুটি প্ৰশ্ন (১৫০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

১ নং প্ৰশ্ন ঃ মালথাছৰ জনসংখ্যা তত্ত্বৰ আঁৰৰ প্ৰেক্ষাপটটি বৰ্ণনা কৰক।

২ নং প্ৰশ্ন ঃ পাটিগণিতীয় অনুপাত আৰু জ্যামিতিক বা গুণাত্মক অনুপাতৰ মালথাছৰ জনসংখ্যা তত্ত্বত ভূমিকা উল্লেখ কৰক।

৩ নং প্ৰশ্ন ঃ মালথাছৰ মতে অত্যাধিক উৎপাদনৰ মূল কাৰণ উল্লেখ কৰক।

৪ নং প্ৰশ্ন ঃ আধুনিক কালত মালথাছৰ জনসংখ্যা তত্ত্বৰ প্ৰয়োগ সম্বন্ধে ব্যাখ্যা আগবঢ়াওক।

ৰচনাধৰ্মী প্ৰশ্ন (৩০০-৫০০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

১ নং প্ৰশ্ন ঃ মালথাছীয় জনসংখ্যাৰ তত্ত্বৰ সমালোচনাত্মক আলোচনা কৰক।

২ নং প্ৰশ্ন ঃ মালথাছীয় জনসংখ্যাৰ তত্ত্বৰ সংশোধনৰ অৰ্থে নব্য-মালথাছীয়ান তত্ত্বৰ প্ৰকাশ সম্বন্ধে পৰীক্ষামূলক আলোচনা কৰক।

৩ নং প্ৰশ্ন ঃ অত্যাধিক উৎপাদন তত্ত্বৰ ওপৰত এটা টোকা লিখক।

৪ নং প্ৰশ্ন ঃ অৰ্থনৈতিক ভাৱধাৰৰ ইতিহাসত মালথাছৰ অৱদানৰ বিষয়ে ব্যাখ্যা কৰক।

*** ***** ***